
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



প্ৰতিজন লোকেই এজন প্ৰতিভাধৰ। কিন্তু যদি আপুনি এটা মাছৰ সামৰ্থ্য গছ বগোৱাৰে বিচাৰ কৰে তেন্তে ই সমগ্ৰ জীৱন নিজকে মূৰ্খ বুলি ভাবি থাকিব।

আইনষ্টাইন
*আপেক্ষিকতাবাদৰ প্ৰৱক্তা*

www.dainikagradoot.in

৭ তালিবানৰ শাসনত গৃহহীন পাঁচ লাখ আফগান
১৫ ইংলণ্ডৰ সংগ্ৰাম সত্ত্বেও চালকৰ আসনত ভাৰত
৪ অসমত চৰকাৰী বিদ্যালয়ৰ শিক্ষা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬৫তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২০ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৫ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 5 July 2022 মূল্য ঃ ৯.০০ টকা

■ বিগত ছয় দশকত ৰাজ্যত মথাউৰি শক্তিশালীকৰণৰ নামত বৃহৎ ধন ব্যয় ■ পুঁজি মুকলিতো দীৰ্ঘদিন ধৰি অনীহা ■ ৭০ শতাংশ মথাউৰিৰে ম্যাদ উকলিছে ■ বানত জীয়াতু ভুগিছে ৰাইজে


# ৩০ হেজাৰ কোটি ব্যয়ৰ পাছতো নাই সুৰক্ষা

জলসম্পদ বিভাগৰে তথ্য প্ৰকাশ ■ ৰাজ্যৰ বিভিন্ন অংশত ক্ষতিগ্ৰস্ত অংশ হোৱা নাই মেৰামতি

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৪ জুলাই ঃ** অসমত বানে প্ৰতি বছৰে সংহাৰী ৰূপ ধাৰণ কৰাৰ অন্যতম কাৰণ দুৰ্বল মথাউৰিসমূহ বুলি চিহ্নিত হৈছে। সময় মতে শক্তিশালী নকৰা বাবে মথাউৰিৰ দুৰ্বল অংশ ভাঙি নদীৰ পানী সোমাই চৌদিশে বিয়পি পৰে। নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱা এই পৰিস্থিতি বাৰিষাৰ বতৰ পাৰ নোহোৱালৈকে সকলোৰে অসহায়ভাৱে চাই থাকিবলৈ বাধ্য হয়। পানী শুকালেহে ভঙা অংশৰ মেৰামতি কৰাটো সম্ভৱ হয়। অৱশ্যে এই মেৰামতিও বহু স্থানত বছৰ বছৰ ধৰি কৰা নহয়। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ক্ষতিগ্ৰস্ত অংশ মেৰামতি নকৰাকৈ পৰি থকা বহু মথাউৰি আছে। তাৰ ফলত সাধাৰণ ৰাইজে প্ৰতি বছৰে বানৰ লগত জীৱন মৰণৰ যুঁজ চলাই থাকিবলগীয়া হৈছে। অসম চৰকাৰৰ জলসম্পদ বিভাগৰ তথ্য অনুসৰি, যোৱা ছটা দশকত মথাউৰি শক্তিশালীকৰণ, পুনৰ্নিৰ্মাণ আদিৰ নামত কমেও ৩০ হেজাৰ কোটি টকা ব্যয় হয়। এই বৃহৎ পৰিমাণৰ ৰাজহুৱা ধন ব্যয়ৰ পৰিণতি কি হৈছে সেয়া চলিত বৰ্ষৰ প্ৰথম পৰ্যায়তে বানে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিয়ে প্ৰমাণ কৰিছে। প্ৰসংগক্ৰমে উল্লেখ্য যে অসমত নদীত ৪২৩ টা মথাউৰি আছে। তাৰে ৭০ শতাংশৰে অৰ্থাৎ প্ৰায় ২৯৫ টাৰ ম্যাদ উকলাত সেইবোৰ যথেষ্ট স্পৰ্শকাতৰ *১০ পৃষ্ঠাত চাওক*

## প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (৫)

■ সঞ্জীৱ সভাপণ্ডিত



শংকৰদেৱে 'নৱ জাগৰণেৰে জাগৃত' কৰা নৱ বৈষ্ণৱ ধৰ্ম যেতিয়া অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ কিছুমান ঠাইত সমাদৃত হৈছিল, তেতিয়া অসমত সুদৃঢ় গাঁথনিৰ সমাজ বুলিবলৈ একো নাছিল। এফালে ৰজাবিলাক আৰু সিবিলাকৰ যাৱতীয় কৰ-কাটল তোলা বা বিচাৰ-ব্যৱস্থাৰ লগত জড়িত বিষয়া-টেকেলাবৰ্গ আৰু আনফালে *১০ পৃষ্ঠাত চাওক*

## কাৰ্বি আংলঙত ট্ৰাক-মটৰ চাইকেলৰ দুৰ্ঘটনাত নিহত তিনি যুৱক

**বিশেষ সংবাদদাতা**
**বকলীয়াঘাট, ৪ জুলাই ঃ** কাৰ্বি আংলঙৰ লাংহিনত আজি এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। ট্ৰাক-মটৰ চাইকেলৰ সংঘৰ্ষত থিতাতে তিনিজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজন আহত হয়। তথ্য মতে এ এছ -০৬, বি চি, ৬৪৬৭ নম্বৰৰ ট্ৰাকখনৰ তলত সোমাই যায় এ এছ-০৯, এইছ ৬৫৮১ নম্বৰৰ মটৰ চাইকেলখন। ফলত মটৰ চাইকেলখনত থকা তিনিজন যুৱকৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ বিপৰীতে *১০ পৃষ্ঠাত চাওক*

## ন জুলাইত ডিব্ৰুগড়ত ৰাজ্যিক বিজেপিৰ বিষয়ববীয়াৰ সভা


**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৪ জুলাই ঃ** অহা ন জুলাইত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ উপস্থিতিত ডিব্ৰুগড়ত বিজেপিৰ অসম প্ৰদেশৰ বিষয়ববীয়া সভা অনুষ্ঠিত হ'ব। ডিব্ৰুগড়ৰ হোটেল গাৰ্ডেনটিনত অনুষ্ঠিত হ'ব লগা এই সভাত বিজেপি অসমৰ ৪০ খন সাংগঠনিক জিলাৰ সভাপতি, জিলা প্ৰভাৰী, সহ-প্ৰভাৰী আৰু ৰাজ্যিক মৰ্চা সমিতিসমূহে অংশগ্ৰহণ কৰিব *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৭° |
| ডিব্ৰুগড় | ৩৩° | ২৬° |
| দিল্লী | ৩৪° | ৩০° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৪° | ২৮° |
| বাংগালুৰু | ২৮° | ২৬° |
| শ্বিলং | ২৪° | ১৯° |

*৪ জুলাই, ২০২২*

## চেঙা তেল




*সাৱধান! সেয়া আহি আছে! ক'ত কিমান পাৰ্চেণ্ট লগাই দিয়ে ঠিকনা নাই!*



■ অন্ধ্ৰ প্ৰদেশৰ বিজয়ৱাড়াত মোদীৰ বিমান উৰা মৰাৰ পাছতে উৰুৱালে ক'লা বেলুন ■ আটক কে'বাজনো কংগ্ৰেছী বিক্ষোভকাৰী

## কংগ্ৰেছৰ বিপজ্জনক প্ৰতিবাদত প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাক লৈ আতংক

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ জুলাই ঃ** অন্ধ্ৰ প্ৰদেশৰ এক বিমানকোঠৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিমান উৰা মৰাৰ পাছত ইয়াৰ ওচৰত দেখা দিয়া ক'লা বৰণীয়া বেলুনক লৈ তীব্ৰ আতংকৰ সৃষ্টি হয়। বিজয়ৱাৰাৰ গান্নাৱাৰাম বিমানকোঠত মোদীৰ বিমান উৰা মৰাৰ পাছতে বৃহৎ বিপদৰ আগজাননী বুলি নিৰাপত্তা বাহিনী তৎপৰ হৈছে। আৰক্ষীয়ে জনোৱা মতে, নিৰাপত্তা বিঘ্নিত হোৱা নাছিল আৰু প্ৰধানমন্ত্ৰীৰ বিমান উৰা মৰাৰ পাঁচ মিনিট পাছতে বিমানকোঠৰ পৰা চাৰে চাৰি কিলোমিটাৰ নিলগৰ পৰা দুটা বেলুন উৰোৱা হয়। এই কাণ্ড কৰিলে কংগ্ৰেছ প্ৰতিবাদীসকলে। অভিযোগ অনুসৰি, কংগ্ৰেছী প্ৰতিবাদীয়ে মোদীৰ হেলিকপ্টাৰৰ সন্মুখত গেছ বেলুন উৰুৱাইছিল। তাকে লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি হয় আৰু গ্ৰেপ্তাৰ হয় কে'বাজনো প্ৰতিবাদী। মোদীৰ বিমান উৰা মৰাৰ সময়ত এই প্ৰতিবাদকাৰীসকলে ক'লা বেলুন আৰু প্লেকাৰ্ড হাতত লৈ মোদী *১০ পৃষ্ঠাত চাওক*

■ ৩,২৩৫ পদৰ ভুৱা নিযুক্তি বিজ্ঞাপনৰ জৰিয়তে আবেদনকাৰীৰ পৰা অনলাইনত ধন সংগ্ৰহ ■ ভিতৰৰে কোনো দুষ্টচক্ৰও জড়িত নেকি?

## এনআৰএলৰ ভুৱা ৱেবছাইট খুলি চাইবাৰ অপৰাধীৰ লুণ্ঠনৰ জাল

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৪ জুলাই ঃ** তথ্য-প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ ফলত নাগৰিকে ডিজিটেল পৃথিৱীত খোজ দি ঘৰত বহিয়েই কম সময়ত বহু কাম সম্পাদন কৰিবলৈ সক্ষম হৈছে যদিও এই ব্যৱস্থাটো নাগৰিকৰ বাবে কিমান সুৰক্ষিত সেয়া এক গভীৰ উদ্বেগৰ বিষয় হৈ আহিছে। বিশেষকৈ ক'ভিডৰ সময়ৰে পৰা চাইবাৰ অপৰাধৰ সংখ্যা দেশৰ সমান্তৰালভাৱে অসমতো দ্ৰুতহাৰত বৃদ্ধি পোৱাৰ ফলত তথা চাইবাৰ অপৰাধীয়ে পেলোৱা ভয়ংকৰ লুণ্ঠনৰ জালত বহু লোক সৰ্বস্বান্ত হৈ পৰিছে। ২০১৮ত মাত্ৰ দুই লাখ এনে অপৰাধ সংঘটিত হোৱা দেশখনত ২০২১ত এনে অপৰাধৰ সংখ্যা ১৪ লাখলৈ বৃদ্ধি পাইছে। অসমতো চাইবাৰ অপৰাধৰ সংখ্যা অস্বাভাৱিক হাৰত বৃদ্ধি পোৱাৰ ফলত ৰাইজক সজাগ কৰিবলৈ অসম আৰক্ষীয়ে বিভিন্ন কৌশল অৱলম্বন কৰিছে যদিও দৈনিক ৰাজ্যৰ অধিকাংশ থানাত ৰুজু হৈছে চাইবাৰ অপৰাধীয়ে ধন লুট কৰা ঘটনাৰ গোচৰ। বিশেষকৈ বেংক নাইবা বিত্তীয় লেনদেনৰ ওপৰত চকু দি বহিঃৰাজ্য, আনকি বিদেশৰ পৰাও নিয়ন্ত্ৰণ হোৱা চাইবাৰ অপৰাধী চক্ৰই বহু লোকৰ গোপন তথ্য চলনাৰে সংগ্ৰহ কৰি লুটি লৈ গৈছে লাখ লাখ টকা। এনে ঘটনাসমূহৰ মাজতে লাখ লাখ নিবনুৱাৰে ভাৰাক্ৰান্ত অসমত ভুৱা বিজ্ঞাপন প্ৰকাশ কৰি তথা নিবনুৱাক লক্ষ্য কৰি চাইবাৰ অপৰাধী চক্ৰই জাল পেলোৱাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা খণ্ডৰ তৈল *ছয় পৃষ্ঠাত চাওক*



*প্ৰচণ্ড গৰমত তৃষ্ণা নিবাৰণ এজাক বান্দৰৰ, মহানগৰীত।*

অভিযুক্তৰে হোৱা কথোপকথনৰ ভিডিঅ' ভাইৰেল ■ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি অঞ্চলত

## ধৰ্ষণৰ গোচৰ গাপ দিয়াৰ বিনিময়ত বৃহৎ পৰিমাণৰ ধনদাবী কনিষ্ঠবলৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৪ জুলাই ঃ** নগাঁও আৰক্ষীৰ এজন কনিষ্ঠবলে এজন মেকানিকৰ বিৰুদ্ধে আৰক্ষী থানাত ৰুজু হোৱা ধৰ্ষণৰ গোচৰ গাপ দিয়াৰ বিনিময়ত বৃহৎ পৰিমাণৰ উৎকোচ বিচৰাৰ ঘটনা পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কনিষ্ঠবলজনে ফোন কৰি অভিযুক্তৰ পৰা উৎকোচৰ ধন বিচাৰিছিল। *১০ পৃষ্ঠাত চাওক*



■ ১২ হেজাৰ ঘৰ-কাৰ্যালয় বেদখলক লৈ গভীৰ ৰহস্যৰ সৃষ্টি

## মহানগৰীত ৰেল বিভাগৰ ৭০ হেক্টৰ ভূমি বেদখলকাৰীৰ কবলত

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৪ জুলাই ঃ** ভাৰতীয় ৰেল বিভাগৰ অধীনৰ ভূমি ব্যাপক হাৰত বেদখলৰ কৱলত পৰাৰ তথ্য পোহৰলৈ আহিছে। ৰেল বিভাগৰ উত্তৰ-পূব সীমান্ত ৰেলৱেৰ অধীনস্থ লামডিং ডিভিজন তথা এন এফ ৰেলৱেৰ মুখ্য কাৰ্যালয় মালিগাঁৱৰ আশে-পাশে থকা ৰেলৱেৰ বৃহৎ ভূমি তথা ঘৰ বেদখলৰ কৱলত আছে। বিভাগৰ এক নিৰ্ভৰযোগ্য সূত্ৰই সদৰী কৰা অনুসৰি, এন এফ ৰেলৱেৰ লামডিং ডিভিজন তথা চি ডি ই এম (মালিগাঁও) কাৰ্যালয়ৰ অন্তৰ্গত প্ৰায় ১২,০২৪ টা ৰেলৱেৰ ঘৰ-কাৰ্যালয় বেদখলৰ কৱলত আছে। বেদখলৰ কৱলত পৰা এই ঘৰ-কাৰ্যালয়সমূহ নাৰেংগীৰ পৰা আমিনগাঁৱৰ ৰেলৱে কল'নীত থকাৰ লগতে ইয়াৰ মাটিকালি ৬৭.৪৭ হেক্টৰ বুলি তথ্য সদৰী কৰে। উল্লেখ্য যে এই তথ্য চলিত বৰ্ষৰ ৩১ মে' পৰ্যন্ত অৰ্থাৎ বিভাগৰ শেহতীয়া জৰীপৰ তথ্য বুলি সূত্ৰটোৱে সদৰী কৰি পুনৰ কয় যে ৰেলৱেৰ ঘৰ বা কাৰ্যালয় কেৱল বেদখলকাৰীৰ কৱলত নাই, *১০ পৃষ্ঠাত চাওক*

■ অসম-ছিংগাপুৰৰ মাজত সম্পৰ্কই এক নতুন গতি লাভ কৰিব ঃ মুখ্যমন্ত্ৰী শৰ্মা ■ হিমন্ত বিশ্ব শৰ্মাক দুৰদৰ্শী নেতা বুলি অভিহিত কৰিলে ছিংগাপুৰৰ জ্যেষ্ঠ মন্ত্ৰী থাৰ্মান ছনমুগাৰত্নমে

## আন্তঃগাঁথনি উন্নয়নৰ বাবে পত্ৰ স্বাক্ষৰিত

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৪ জুলাই ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ছিংগাপুৰৰ জ্যেষ্ঠ মন্ত্ৰী থাৰ্মান শনমুগাৰত্নমৰ উপস্থিতিত আজি গুৱাহাটী মহানগৰীৰ ৰেডিছন ব্লু হোটেলত আয়োজিত এক অনুষ্ঠানত অসম ঔদ্যোগিক উন্নয়ন নিগম (এ আই ডি চি) আৰু ছিংগাপুৰৰ প্ৰতিষ্ঠান সুৰবান জুৰঙৰ মাজত আন্তঃগাঁথনি উন্নয়নৰ বাবে এখন অভিপ্ৰায়-পত্ৰ (লেটাৰ অৱ ইণ্টেন)



স্বাক্ষৰিত হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে এই অভিপ্ৰায়-পত্ৰত স্বাক্ষৰিত হোৱাৰ ফলত অসম আৰু ছিংগাপুৰৰ মাজৰ সম্পৰ্কই এক নতুন গতি লাভ কৰিব। গুৱাহাটীক বিশ্বমানৰ চহৰলৈ ৰূপান্তৰিত কৰাৰ বাবে মাষ্টাৰ প্লেনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নগৰ আন্তঃগাঁথনি উন্নয়নৰ *১০ পৃষ্ঠাত চাওক*

## শোকাকুল পৰিৱেশত কুশতলিত পুনৰ জ্বলিল দুখনকৈ চিতা

মৃত্যুমুখৰ পৰা উভতি অহা ৰমেন হ'ল আৱেগিক


**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ৪ জুলাই ঃ** আজি পুনৰ দুখন চিতা জ্বলিল মৰিগাঁও জিলাৰ কুশতলি খোৰা গোঁসাইবড়ী গাঁৱৰ ৰাজহুৱা শ্মশানত। একেখন শ্মশানতে কালি চাৰিখনকৈ চিতা জ্বলিছিল। বৰ্তমানলৈ মণিপুৰৰ ভূমিস্খলনত নিখোঁজ হোৱা কুছ কাটি, লাওভূৰংগা আৰু খোৰা গোঁসাইবড়ী গাঁৱৰ ছজন যুৱকৰ ছখন চিতা জ্বলিল কুশতলি ৰাজহুৱা শ্মশানত। কাইলৈ পুনৰ দুই-তিনিজনৰ মৃতদেহ আহি পোৱাৰ সম্ভাৱনা আছে। *১০ পৃষ্ঠাত চাওক*

■ ভূমিস্খলনথলীত অসমৰ মুঠ ২৬জন লোক আছিল ঃ মন্ত্ৰী

## মণিপুৰত উদ্ধাৰ হোৱা পাঁচ আহতক লৈ অসমলৈ উভতিল মন্ত্ৰী হাজৰিকা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৪ জুলাই ঃ** মণিপুৰৰ টুপুলত সংঘটিত হোৱা ভয়াৱহ ভূমিস্খলনৰ কবলৰ পৰা উদ্ধাৰ হোৱা অসমৰ পাঁচজন লোকসহ আজি গুৱাহাটীত উপস্থিত হয় মন্ত্ৰী পীযুষ হাজৰিকা। তেওঁ এইকেইদিন মণিপুৰত বাহৰ পাতি আছিল। বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত উপস্থিত হোৱাৰ পাছতে সাংবাদিকক মন্ত্ৰী হাজৰিকাই কয় যে গুৱাহাটীত উপস্থিত হোৱা পাঁচজন লোকক মৰিগাঁও জিলা প্ৰশাসনে নিজ *১০ পৃষ্ঠাত চাওক*





পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰো দাবী

## কাৰ্বি আংলঙত স্বতন্ত্ৰ ৰাজ্যৰ দাবীত বিক্ষোভ এপিএইছএলচিৰ



**অগ্ৰদূত বাৰ্তা**
**ডংকামোকাম, ৪ জুলাই ঃ** আঞ্চলিক ৰাজনৈতিক দল এপিএইছএলচিৰ গণ বিক্ষোভ কাৰ্যসূচীয়ে আজি উত্তাল কৰি তোলে ডিফু চহৰ। চহৰখনৰ মাজ-মজিয়াত থকা ছেমছন ছিং ইংতি মেম'ৰিয়েল পাৰ্কৰ সন্মুখত ষষ্ঠ অনুসূচী অনুসৰি কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন পুনৰ অনুষ্ঠিত কৰাৰ দাবী জনাই দলটোৱে এক গণ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। ত্ৰয়োদশ কাৰ্বি পৰিষদৰ নিৰ্বাচনত দুই-এটা বিক্ষিপ্ত ঘটনা সংঘটিত হ'লেও কোনো বৃহৎ ঘটনা অথবা খেলিমেলি হোৱা নাছিল। পৰিষদৰ অধ্যক্ষ ৰাজু টিচ্চ আৰু মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম *১০ পৃষ্ঠাত চাওক*

## গাঁৱে গাঁৱে চৰকাৰী বান সাহায্য বিতৰণ পৰ্যবেক্ষণ কৰিব কংগ্ৰেছে

প্ৰতাৰণা কৰিব নোৱাৰিব ঃ সভাপতি বৰা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৪ জুলাই ঃ** ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত ৰাইজক চৰকাৰে প্ৰদান কৰিবলগীয়া বান সহায্য পৰ্যবেক্ষণ কৰিবলৈ কংগ্ৰেছে গঠন কৰিব 'বান ক্ষতিগ্ৰস্তৰ সাহায্য পৰ্যবেক্ষণ গাঁও সমিতি'। আজি মহানগৰীত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত এক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত সভাপতি বৰাই বানৰ পৰৱৰ্তী *১০ পৃষ্ঠাত চাওক*

## বান সাহায্যৰ দাবীত বৰপেটা জিলা কৃষক সভাৰ বিক্ষোভ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৪ জুলাই ঃ** বানে জুৰুলা কৰা বৰপেটা জিলাত বান সাহায্য প্ৰদানৰ ক্ষেত্ৰত চৰকাৰ তথা প্ৰশাসন সম্পুৰ্ণৰূপে ব্যৰ্থ হৈছে। জিলাখনত প্ৰয়োজনীয় বান সাহায্যৰ বিপৰীতে নামমাত্ৰ সাহায্য প্ৰদান কৰিয়েই দায়িত্ব সামৰিছে চৰকাৰে। এই *১০ পৃষ্ঠাত চাওক*

ঘৰৰ ভিতৰত একাঁঠু বোকা-পলস ■ যেন যুদ্ধবিধ্বস্ত গৃহভূমিৰ দৃশ্য

■ ঘৰখন ক'ত আছিল বিচাৰি পোৱা নাই কামপুৰৰ বহু গাঁৱৰ ৰাইজে

## পানী কমিলেও এতিয়াও আপোন ঘৰলৈ উভতিব পৰা নাই বানাক্ৰান্ত

**বিশেষ সংবাদদাতা**
**নগাঁও, ৪ জুলাই ঃ** বানে মহটিয়াই নিয়া নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰ অঞ্চলত শেহতীয়াকৈ পানী শুকাবলৈ আৰম্ভ কৰিছে যদিও বানাক্ৰান্ত ৰাইজে আপোন ঘৰখনলৈ ওভতিব পৰা নাই। বানে তচনচ কৰা কামপুৰত এতিয়া চৌদিশে কেৱল বিধ্বস্ততা। যেন যুদ্ধত বিধ্বস্ত হৈ পৰা এখন ঠাই। কামপুৰত বানপানী কমিবলৈ ধৰাৰ পাছত এতিয়া *১০ পৃষ্ঠাত চাওক*



**Apply for notified public services under Assam Right to Public Services Act online at www.rtps.assam.gov.in or by visiting your nearest Public Facilitation Centre**

## District-wise list of PFC locations

### BAKSA
[illegible]

### BARPETA
[illegible]

### BISWANATH
[illegible]

### BONGAIGAON
[illegible]

### CACHAR
[illegible]

### CHARAIDEO
[illegible]

### CHIRANG
[illegible]

### DARRANG
[illegible]

### DHEMAJI
[illegible]

### DHUBRI
[illegible]

### DIBRUGARH
[illegible]

### DIMA HASAO
[illegible]

### GOALPARA
[illegible]

### GOLAGHAT
[illegible]

### HAILAKANDI
[illegible]

### HOJAI
[illegible]

### JORHAT
[illegible]

### KAMRUP METRO
[illegible]

### KAMRUP
[illegible]

### KARBI ANGLONG
[illegible]

### KARIMGANJ
[illegible]

### KOKRAJHAR
[illegible]

### LAKHIMPUR
[illegible]

### MAJULI
[illegible]

### MORIGAON
[illegible]

### NAGAON
[illegible]

### NALBARI
[illegible]

### SIBSAGAR
[illegible]

### SONITPUR
[illegible]

### SOUTH SALMARA- MANKACHAR
[illegible]

### TINSUKIA
[illegible]

### UDALGURI
[illegible]

### WEST KARBI ANGLONG
[illegible]

### SOME OF THE SERVICES WHICH YOU CAN APPLY BY VISITING THE PUBLIC FACILITATION CENTRES:

- Certified Copy of Jamabandi
- Marriage Registration
- Office Mutation
- Migration Certificate by SEBA/ AHSEC
- Non Creamy Layer Certificate
- Scheduled Caste Certificate
- Driving License
- Learner License
- Duplicate Driving License
- Duplicate Registration Certificate for Transport/ Non-transport Vehicle
- Ownership Transfer for Non-Transport/ Transport Vehicle
- Registration of Vessels and Boats
- Registration in Employment Exchange
- Next of Kin Certificate
- Senior Citizen Certificate

...and many more

KNOW. APPLY. AVAIL.

FOR MORE INFORMATION/ ASSISTANCE
Call ARTPS Helpline
1800-345-3574

FOLLOW US ON
Assam State Citizen Service Delivery Project | ACCSDP ARIAS Society | @accsdp_assam

Issued in public interest by:
Administrative Reforms, Training, Pension and Public Grievances Department, Government of Assam
under the World Bank-financed Assam Citizen-Centric Service Delivery Project (ACCSDP), ARIAS Society

দৈনিক অগ্ৰদূত
গুৱাহাটী মঙলবাৰ ২০ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৫ জুলাই ২০২২

# প্ৰগতিৰ ধাৰা নে?

অসমৰ ভাষা-সাহিত্য চৰম প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বুলি কোনো কোনো মহলে খেদ প্ৰকাশ দেখা গৈছে। দৰাচলতে চাবলৈ গ'লে ইংৰাজক এই দেশৰ পৰা বিতাৰণ কৰা হ'ল যদিও ইংৰাজী ভাষা আৰু পশ্চিমীয়া সাজ-পাৰৰ জনপ্ৰিয়তা বাঢ়িল। কিছু বছৰৰ আগলৈকে কলকাতাৰ বাঙালীয়ে ধুতি-পাঞ্জাবী পৰিধান কৰাটো অৱধাৰিত আছিল; কিন্তু শেহতীয়াকৈ ধুতিৰ চাহিদা হ্ৰাস পাইছে। পূজাৰী বামুণৰ বাহিৰে প্ৰায় ভাগেই ধুতি পৰিধান কৰিবলৈ এৰিলে। তেনেদৰেই মেখেলা-চাদৰ-শাৰী আদিৰ ব্যৱহাৰো হ্ৰাস পাইছে আৰু দেশ জুৰি চেলোৱাৰ, জিনচ পেণ্ট, টি চাৰ্টৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। তাৰ লগে লগে হেজাৰ বছৰীয়া স্মৃতি বিজৰিত তাঁতশালখনো মিউজিয়ামৰ সামগ্ৰী হোৱাৰ উপক্ৰম হৈছে। স্বাভাৱিকতে ইয়াকে লৈ উদ্বিগ্ন হৈ পৰা সকলৰ সন্মুখত সমাধান ক'ত? আকৌ ৰিহা-মেখেলা-চাদৰৰ জনপ্ৰিয়তা ঘূৰি আহিবনে? তেনেদৰে আমাৰ পাকঘৰটোক যুগ-যুগান্তৰৰ ঐতিহ্যৰ কেন্দ্ৰস্থল হিচাপে গণ্য কৰি আহিছো; কিয়নো দিয়াচলাই ওলোৱাৰ আগলৈকে তুঁহ জুইৰেই সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত খৰিৰ ব্যৱহাৰ অপৰিহাৰ্য আছিল। ৰন্ধা বঢ়া কৰা চৌকাটো ৰান্ধনিৰ দৈহিক আৰু মানসিক শ্ৰমৰ কেন্দ্ৰ বিন্দু আছিল। এই পাকঘৰটোৰ স'তে নাৰীৰ জীৱনৰ এছোৱা ওতঃপ্ৰোতভাৱে সংলগ্ন হৈ থাকে। পাক ঘৰ বুলিলেই বাঁহেৰে সজা কেইটামান খোটালিত কেৰাহী ৰখা ভিন ভিন ব্যৱস্থাৰ স'তে শ-শ বছৰ ধৰি মানুহৰ সম্পৰ্ক গঢ়ি উঠিছিল; কিন্তু হঠাতে সোমাল সেই পাকঘৰত গেছ চিলিণ্ডাৰ। তাৰ লগে লগে সাতামপুৰুষীয়া মাটিৰ চৌকা ভাঙি সমান কৰি পেলোৱা হ'ল। ৰান্ধনি ঘৰৰ স্বকীয় বৈশিষ্ট্য হেৰাই গ'ল। লণ্ডন, নিউয়ৰ্ক, মস্কো, নতুন দিল্লীত যিদৰে ৰন্ধা-বঢ়া কৰে, তেনেদৰে অসমৰ গাঁৱতো এতিয়া একেদৰেই কৰে। ই কিয় হ'বলৈ পালে বুলি হয়তো কোনোবাই প্ৰশ্ন কৰিব পাৰে। আন কোনোবাই মাটিৰ চৌকাৰ ছবিখন হেৰাই গ'ল বুলি হায়ে-বিয়ে কৰিবও পাৰে। দুই-এক ব্যক্তিয়ে হয়তো আমাৰ পাকঘৰৰ সংস্কৃতি হেৰাই গ'ল, অৰ্থাৎ শিপাৰ স'তে সম্পৰ্ক নাইকিয়া হ'ল বুলি গভীৰভাৱে আক্ষেপ কৰিব পাৰে; কিন্তু পাকঘৰৰ মাটিৰ চৌকা আৰু ঘূৰি আহিব বুলি আশা নকৰাই ভাল। সিয়েই কেৱল নহয়, তাহানিৰ স্মৃতিকাতৰ বাঁহ-খেৰৰ সেই পাকঘৰটোৱেই এতিয়া হেৰাই যোৱাৰ উপক্ৰম হৈছে। খেৰ-বাঁহৰ ঘৰবোৰ টিনপাত অথবা পকী ঘৰলৈ ৰূপান্তৰিত হ'ল। তাত এতিয়া পাকঘৰ নাই, কিচেন আৰু ডাইনিংৰুমহে আছে।

এতিয়া আমি এই ব্যৱস্থাক শিপাৰ স'তে সম্পৰ্ক হেৰাই যোৱা বুলি আক্ষেপ কৰিম নে? কিন্তু সম্প্ৰতি আমাৰ মাজত জনপ্ৰিয় হৈ উঠা পাকঘৰবোৰৰ বৈশিষ্ট্য কোনো নিৰ্দিষ্ট দেশ বা সমাজৰ নহয়। সেইবোৰ সাৰ্বজনীন। বিশ্বৰ কোনো বিশেষ দেশৰ সেইবোৰ ব্যৱস্থা নহয়। মানুহৰ মগজুৰে ধ্যান-ধাৰণা কৰি এই উপাদানসমূহ বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিছে। ভৱিষ্যতে হয়তো অধিক উন্নত ব্যৱস্থা উপলব্ধ হ'ব। আমাৰ দেশৰ বুলিয়েই নহয়, অন্যান্য দেশৰ পৰম্পৰাগত পাকঘৰেই হওক অথবা অন্যান্য ব্যৱস্থাসমূহেই হওক, আমূল পৰিবৰ্তন ঘটিছে। এতিয়া ক'বলৈ গ'লে সাজ-পাৰ, ৰন্ধা-বঢ়াৰ লগতে খাদী সামগ্ৰীসমূহে বিশ্বজনীনতা লাভ কৰিছে। দৰাচলতে বিজ্ঞান-প্ৰযুক্তিয়ে এনে পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। শিপাৰ স'তে সম্পৰ্ক ৰক্ষা কৰাটো নিঃসন্দেহ আদৰণীয়। আনহাতে, মানৱসৃষ্ট বিজ্ঞান-প্ৰযুক্তিৰ অৱদানসমূহৰ সুফল ভোগ নকৰাকৈ থকাটোও নিশ্চয় সু-বুদ্ধিৰ পৰিচায়ক হ'ব নোৱাৰে।

এই ক্ষেত্ৰত সবাতোকৈ বিপৰ্যয় উদ্ভৱ হৈছে বিভিন্ন দেশৰ ভাষা-সংস্কৃতিৰ। কেতবোৰ ভাষাই এনেদৰে আগ্ৰাসী ভূমিকা গ্ৰহণ কৰিছে যে আমাৰ পৰম্পৰাগত আয়ুৰ্বেদৰ দৰৱৰ বটল সমূহৰ লেবেলবোৰো ইংৰাজী ভাষাত লেখা দেখা যায়। দৰৱ খোৱা প্ৰণালীৰ তালিকাও লিখা হয় ইংৰাজীত। তাৰ সৰল অৰ্থ ইংৰাজী ভাষা নজনা লোকসকল সেইবোৰ পঢ়াৰ যোগ্য নহয়। ইংৰাজী যে আমাৰ দৈনন্দিন জীৱনত অপৰিহাৰ্য হৈ উঠিছে, ইয়েই তাৰ প্ৰমাণ। তেনেদৰে ৰেডিঅ', টেলিভিছন আৰু বিভিন্ন সংবাদ মাধ্যম ইংৰাজী ভাষাৰ হোৱা হেতুকে এই ব্যৱস্থা উপৰিহাৰ্য হৈ উঠিছে। তাৰ ফলস্বৰূপে বহুতো ভাষাৰ সন্মুখত গভীৰ সংকট আহি পৰিছে।

তেন্তে আমাৰ ভৱিষ্যত কোনপথে,— স্বাভাৱিকতে এই প্ৰশ্ন উত্থাপিত হৈছে। দৰাচলতে আমি নিবিচাৰিলেও আজিৰ মানৱ জাতি এক সাৰ্বজনীন দিশলৈ আগবাঢ়িছে; কিন্তু তাৰ লগে লগে যদিহে প্ৰতিটো জনগোষ্ঠীৰ লোকে নিজস্ব ভাষা-সংস্কৃতি সাজ-পাৰ, খোৱা লোৱা আদি সংৰক্ষণৰ বাবে সচেতন নহয়, তেন্তে ঐতিহ্য হেৰাই যোৱাটো নিশ্চিত। আনহাতে, মানৱসৃষ্ট অমূল্য বিকাশৰ সুফল স্বৰূপে প্ৰাপ্ত সম্পদসমূহ উপভোগ নকৰাটোও হ'ব মূৰ্খামিৰ পৰিচায়ক। সুখৰ কথা যে ৰাষ্ট্ৰ সংঘৰ লগতে আন ভালেমান ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাই বিভিন্ন দেশৰ জনগণৰ পৰম্পৰাগত সংস্কৃতি সমূহ যাতে ধ্বংস হৈ নাযায়, তাৰ বাবে সংৰক্ষণৰ উদ্যোগ লৈছে। ই কিমানদূৰ সফল হয়, সময়েহে ক'ব। এতিয়া আমি কি ক'ম— এয়া প্ৰগতিৰ ধাৰা, নে শিপাৰ পৰা বিচ্ছেদৰ ধাৰা?

## খোলা মঞ্চ

### এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**বাপতি** সাহোন ৰঙালী বিহু মঞ্চৰ ঐতিহ্য এইবাৰ ৰক্ষা হোৱা নাই।

এইবাৰ চৰকাৰৰ অনুদান ডেৰ লাখ টকাকৈ বিহু কমিটীক দান কৰিলে। ৰাতি সাংস্কৃতিক সন্ধিয়াৰ সময় সীমা বান্ধি দিছিল। তাক কেইখন বিহু কমিটীয়ে পালন কৰিলে ৰাইজে দেখিলে। কাৰোবাৰ ৰোষত পৰিব বুলি বহুলোক নিমাতে ৰ'ল। এইবোৰে সমাজত যে সচেতনতা নাই তাক প্ৰমাণ কৰি দেখুৱালে। গতিকে ঐতিহ্য ক'ত থাকিব সেয়া সকলোৰে বোধগম্য।

সেয়ে চৰকাৰ আৰু বিহু কমিটীৰ উদ্যোক্তাসকলক অনুৰোধ কৰিছো এনেধৰণে—

১। বাপতি সাহোন ৰঙালী বিহু সুন্দৰভাৱে পাতিবলৈ চেষ্টা কৰক আৰু সাত বিহুৰ দিনা শেষ হওক।

২। সাংস্কৃতিক অনুষ্ঠান এদিনীয়া কৰক আৰু ৰাতি ১২ বজাত সভা ঘৰ খালী কৰক।

৩। এই যে সাংস্কৃতিক সন্ধিয়া মঞ্চত গান, ৰভাৰ তলত বোকা খেলৰ 'ভাওনা' নে বহুৱালি এইবোৰ বন্ধ কৰক।

৪। উদ্যোক্তাসকলে জ্যেষ্ঠ নাগৰিক বহা চকী সংৰক্ষণ কৰক। আনফালে জীয়াৰী/বোৱাৰী/সৰু ল'ৰা-ছোৱালীৰ আসনৰ ওচৰত উদণ্ড যুৱক কাষ চপাত বাধা দিয়ক।

৫। চৰকাৰে কঠোৰ নিৰ্দেশৰ জৰিয়তে পুলিচ প্ৰশাসনক চোকা দৃষ্টি ৰাখিবলৈ কওক।

আনফালে জনগণ সজাগ হোৱাৰ সময়। অসমীয়া জাতিক ৰক্ষা কৰিবলৈ সকলো একগোট হৈ থিয় দিয়াৰ সময় সমাগত। অসমক ৰক্ষা কৰা সকলোৰে কৰ্তব্য আৰু নতুন প্ৰজন্মক আগবঢ়াই নিবলৈ নিয়ম নীতি অত্যন্ত প্ৰয়োজন।

অঞ্জনা দাস হাজৰিকা
লেখিকা
ফোন ঃ ৯৪৩৫৩৪৫৪০১

# অসমত চৰকাৰী বিদ্যালয়ৰ শিক্ষা

## ব্যক্তিগত খণ্ডৰ স্কুলবোৰত ল'ৰা-ছোৱালী আৰু অভিভাৱকসকলৰ মেধা আৰু আৰ্থিক অৱস্থা চাইহে নামভৰ্তি কৰিবলৈ দিয়া হয়

মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল ওলালেই আজি-কালি চৰকাৰী বিদ্যালয়ৰ বেয়া ফলাফলক লৈ সংবাদ মাধ্যমত ব্যাপক চৰ্চা হয়, আগৰ দিনৰ চৰকাৰী বিদ্যালয়ৰ সাফল্যবোৰৰ আবেগিক ৰোমন্থন হয়, এতিয়া চৰকাৰী শিক্ষাক অৱহেলা কৰা বুলি চৰকাৰক দোষাৰোপ কৰা হয়, ফলাফল বেয়া হোৱা বিদ্যালয়বোৰৰ শিক্ষকসকলক জৱাবদিহি কৰা হয়, নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুওৱা চৰকাৰী শিক্ষক, বিষয়া, কৰ্মচাৰী, ৰাজনৈতিক-জাতীয়তাবাদী নেতাসকলৰ প্ৰতিও কটাক্ষ-বাণ নিক্ষেপ কৰা হয়, চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰাৰ বাবে বহুতো দিহা-পৰামৰ্শ দিয়া হয়, চৰকাৰৰ ফালৰ পৰাও কেতবোৰ সংস্কাৰ আঁচনিৰ ঘোষণা হৈ যায়। আমাৰ চৰকাৰী বিদ্যালয়বোৰৰ শিক্ষাৰ মান অৱনমিত হৈ গৈ থকাটো সঁচাই গভীৰ উদ্বেগৰ কথা আৰু সেই বিষয়ে চিন্তা-চৰ্চা হৈ থকাটোও সমাজখনৰ সু-স্বাস্থ্যৰে লক্ষণ; কিন্তু অতি দুশ্চিন্তাৰ কাৰণ হৈছে এইটোহে যে এই বিষয়ক আলাপ-আলোচনাবোৰো বছেৰেকীয়া নাম-প্ৰসংগৰ দৰে পৰম্পৰা এটাতহে পৰিণত হৈছে আৰু চৰকাৰী বিদ্যালয়ৰ শিক্ষাও হয় একে অৱস্থাতে ৰৈ আছে, নহয় অধিক অৱনতিৰ ফালেহে গৈ আছে।

ঐতিহাসিক ৰুছ বিপ্লৱৰ দিক্দৰ্শক নেতা ভ্লাডিমিৰ লেনিনে বিশেষ পৰিস্থিতি একোটাৰ পৰ্যালোচনাৰ পদ্ধতি সম্পৰ্কে কৈছিল—, 'In assessing a given situation, one must start not from what is possible, but from what is real.' সম্ভাব্যবোৰৰ কথাৰে পৰ্যালোচনা আৰম্ভ কৰিলে পৰিস্থিতিৰ বাস্তৱ ছবিখন তল পৰিও যাব পাৰে; আৰু সেয়ে যদি হয়, পৰিস্থিতিৰ কাৰ্যক্ষম শুধৰণিৰ স্থানবোৰৰ চিনাক্তকৰণতো বিভ্ৰান্তি ঘটিবই।

চৰকাৰী বিদ্যালয়বোৰৰ ছাত্ৰ আৰু শিক্ষকসকলৰ কথাৰেই আলোচনা আৰম্ভ কৰিব লাগিব। সাধাৰণভাৱে ধৰি ল'ব পাৰি যে চৰকাৰী বিদ্যালয়বোৰত নিযুক্ত শিক্ষকসকলৰ আটাইয়ে অৰ্হতাসম্পন্ন। নিয়মীয়া পৰীক্ষা-পাতিৰ জৰিয়তেই তেওঁলোকক বাছনি কৰা হয়। শিক্ষাদানৰ প্ৰতি যে তেওঁলোকৰ (ব্যতিক্ৰমবোৰ বাদ দি) আগ্ৰহ নাই, তেনেও নহয়। শিক্ষাদানত গাফিলতি কৰা শিক্ষকৰ সংখ্যা এটাও নিশ্চয় ওলাব, কিন্তু সেইকেইজনৰ বাবেই বিদ্যালয়বোৰৰ শিক্ষাদান আৰু ফলাফল বেয়া হৈছে বুলি ধৰি ল'লে আমাৰ পৰ্যালোচনা দিক্ভ্ৰষ্ট হ'বলৈ বাধ্য। কৰ্তব্যনিষ্ঠ আৰু দায়িত্বশীল শিক্ষকসকলৰ পৰিশ্ৰমৰো যে আশাব্যঞ্জক ফল ধৰা নাই, সেই সত্যক আওকাণ কৰিলে নহ'ব।

আজি-কালি চৰকাৰী বিদ্যালয়বোৰত কোনবোৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ যায়? তাৰ উত্তৰটো সহজ ঃ যিসকল ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল একেবাৰে দুখীয়া আৰু অৱস্থাপন্ন ঘৰৰো যিসকল ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰত নামভৰ্তিৰ সুযোগ নাপায়, সেই সকলেই চৰকাৰী বিদ্যালয়ত পঢ়িবলগীয়া হয়। এইসকল ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অনুশীলনৰ পৰিৱেশটোৰ মাজতহে চৰকাৰী বিদ্যালয়বোৰৰ শিক্ষাদান চলি আছে আৰু ফলাফলবোৰো নিৰ্ধাৰিত হৈ আহিছে।



**অসবৰ্ণ**
**হীৰেন গগৈ**

আমাৰ সমাজখনত অতি দুখীয়া লোক কোনসকল? নগৰ-গাঁৱৰ দিন মজুৰসকল, বাগিচাৰ শ্ৰমিকসকল, অতি ক্ষুদ্ৰ বেপাৰীসকল আৰু কোনোমতে পেটে-ভাতে খাই থকা খেতিয়কসকলেই জানো দুখীয়া নহয়। তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ পঠিয়াব নোৱাৰে; আনকি তেওঁলোকৰ সৰহভাগেই ল'ৰা-ছোৱালীক স্কুললৈ পঠোৱাতকৈ কামে-কাজে লগাই কেইটকামান উপাৰ্জন কৰাৰ কথাহে ভাবে। তেনেবোৰ ল'ৰা-ছোৱালীয়েই হৈছে চৰকাৰী বিদ্যালয়বোৰৰো ছাত্ৰ। তেনেবোৰ ছাত্ৰ-ছাত্ৰীক স্কুললৈ আকৰ্ষণ কৰিবলৈকে চৰকাৰে মধ্যাহ্ন ভোজনৰ আঁচনি লৈছে, অৰ্থাৎ স্কুলবোৰত ৰান্ধনিশাল খুলিছে। সেইবোৰে কাম নিদিয়াও নহয়। দিন হাজিৰা কৰি পেট প্ৰৱৰ্তাই থকা পৰিয়ালবোৰৰ ল'ৰা-ছোৱালীয়ে স্কুলত দুপৰীয়াৰ সাঁজটো খাবলৈ পাই নামভৰ্তি কৰিছে; কিন্তু স্কুলত থকা সময়খিনিৰ বাদে বাকী সময়ত পঢ়া-শুনাৰ লগত সিহঁতৰ সম্পৰ্ক প্ৰায় নাথাকেই। ঘৰত পঢ়া-শুনাৰ পৰিৱেশেই নাথাকে, অভিভাৱকসকলৰো ধান্দা আৰু সময় নাথাকে। সেইসকল ল'ৰা-ছোৱালীয়ে দিনত স্কুলৰ শিক্ষকে শিকোৱা কথাকেইটাও পাহৰি যায়। স্কুলত শিক্ষকে একেবোৰ কথাকে বাৰম্বাৰ শিকাবলগীয়া হয়। তথাপি ছাত্ৰ-ছাত্ৰীৰ সকলো কথা মনত নাথাকে। তেনেকৈয়ে ছাত্ৰ-ছাত্ৰীসকল তলৰ শ্ৰেণীৰ পৰা ওপৰৰ শ্ৰেণীলৈ উত্তীৰ্ণ হৈ গৈ থাকে, কাৰণ চৰকাৰী স্কুলত বছেৰেকীয়া পৰীক্ষাতো অনুত্তীৰ্ণ ছাত্ৰক একে শ্ৰেণীতে ৰাখি থোৱাৰ নিয়ম নাই। সকলোকে পাছ কৰোৱাই দিব লাগিব। গতিকে পাছ যেতিয়া কৰিবই, ল'ৰা-ছোৱালীয়ে পঢ়িব কিয়? তেনেবোৰ ছাত্ৰ-ছাত্ৰীয়েই ওপৰলৈ গৈ গৈ যেতিয়া মেট্ৰিক পৰীক্ষা দিবগৈ, তেওঁলোকৰ ফলাফল বাহিৰৰ পৰা আমিবোৰে বা চৰকাৰখনে আশা কৰাৰ দৰে ভাল হ'বনে? তথাপি আমি কিয় আশা কৰো আৰু স্কুলবোৰে ভাল ফলাফল দেখুৱাব নোৱাৰাৰ বাবে ক্ষোভ উজাৰো?

এই অৱস্থাতো চৰকাৰী স্কুলবোৰৰ পৰা বহুসংখ্যক ল'ৰা-ছোৱালীয়ে মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা পাছ কৰি ওলাই গৈ আছে, সেইটোহে ভাগ্যৰ কথা। যিবোৰ স্কুলৰ ফলাফল শূন্য, ধৰি ল'ব লাগিব যে সেইকেইখনৰ কপাল বেয়া। আজি-কালি অতি সহজ হৈ পৰা পৰীক্ষাটো পাছ কৰিব পৰা ল'ৰা-ছোৱালী দুটামান সেই স্কুলকেইখনত নাছিল।

মই আগতেই উল্লেখ কৰি আহিছো যে গাঁও আৰু নগৰ দুয়ো ঠাইৰে একাংশ শিক্ষিত তথা অৱস্থাপন্ন ঘৰৰ ল'ৰা-ছোৱালীয়েও চৰকাৰী স্কুলত নামভৰ্তি কৰে। কিছুসংখ্যকে ভাল পাই কৰে আৰু একাংশই ব্যক্তিগত খণ্ডৰ স্কুলত স্থান নাপায় কৰে। এইসকল ল'ৰা-ছোৱালীৰ ঘৰবোৰত পঢ়া-শুনাৰ পৰিৱেশো কম-বেছি পৰিমাণে থাকে। তেওঁলোকৰ মাজৰে কিছু সংখ্যকে পৰীক্ষাত খুব ভাল ফলো দেখুৱায়। তেনে পৰিৱেশ নথকা ঘৰৰ ল'ৰা-ছোৱালীৰো বহুতে পাছ কৰিব পাৰে আৰু কৰেও। উদ্যমী আৰু নিষ্ঠাৱানসকলক প্ৰতিকূল পৰিৱেশে বাধা দি ৰাখিব নোৱাৰে।



মোৰ অনুভৱ, চৰকাৰী বিদ্যালয়বোৰক পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ স'তে তুলনা কৰা অনুচিত। ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰত যিবোৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰে, তেওঁলোকে চৰকাৰী স্কুলত পঢ়া হ'লেও ভাল ফলেই দেখুৱালেহেঁতেন। তেওঁলোকৰ অভিভাৱকসকলে যি ধৰণেৰে তেওঁলোকৰ যত্ন লয়, কষ্ট কৰে, টকা খৰচ কৰে, সেইবোৰ চৰ্ত পূৰণ হ'লে চৰকাৰী স্কুলতো সেইসকল ছাত্ৰ-ছাত্ৰীয়ে একে ধৰণৰ ফলাফলেই দেখুৱাব। তদুপৰি ব্যক্তিগত খণ্ডৰ স্কুলবোৰত ল'ৰা-ছোৱালী আৰু অভিভাৱকসকলৰ মেধা আৰু আৰ্থিক অৱস্থা চাইহে নামভৰ্তি কৰিবলৈ দিয়া হয়। সেইসকল ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ ভাল ফলাফলৰ সম্ভাৱনা থাকে বাবেহে ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰে তেওঁলোকক স্থান দিয়ে। চৰকাৰী স্কুলবোৰত সেইদৰে নামভৰ্তি নহয়। এইবোৰ স্কুলত যিসকল ভৰ্তি হয়, তেওঁলোকক ব্যক্তিগত খণ্ডৰ ব্যৱসায়িক স্কুলবোৰে কেতিয়াও হয়তো নল'লেহেঁতেন। চৰকাৰী শিক্ষানুষ্ঠানসমূহ ব্যৱসায়িক প্ৰতিষ্ঠান নহয় আৰু হ'ব নোৱাৰে। সমাজৰ প্ৰতি দুৰ্বল অংশৰ লোকসকলৰ ল'ৰা-ছোৱালীবোৰ যাতে শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া নহয়, তাৰ বাবেইতো চৰকাৰী স্কুল-কলেজবোৰ চলাই থকা হৈছে আৰু আগলৈয়ো চলাই থাকিব লাগিব। সেইবোৰক উৎসাহিত আৰু সহযোগ কৰাটো সমাজখনৰো কৰ্তব্য।

কিন্তু পৰীক্ষাৰ ৰিজাল্ট ওলালেই আমি বেচৰকাৰী খণ্ডৰ স্কুলবোৰৰ ভাল ফলাফল দেখি সেইবোৰৰ গুণ-গান কৰো আৰু চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰক, বিশেষকৈ শিক্ষকসকলক তাচ্ছিল্য কৰো। মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আদি চৰকাৰী নেতাসকলেও শিক্ষকসকলকহে 'যত দোষ নন্দ ঘোষ' সজায় সাৱধান বাণী শুনায়। কিন্তু মোৰ বোধেৰে ই এক বিৰাট অন্যায়। চৰকাৰী স্কুলবোৰে যিবোৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়ে, তেওঁলোকক লৈ শিক্ষকসকলৰ যি বিড়ম্বনা হয়, সেই বাস্তৱতাক অনুধাৱন নকৰাকৈ তেওঁলোকক দোষী সজাবলৈ গ'লে চৰকাৰী স্কুলৰ ব্যৱস্থাটোৱেই এদিন অচল হৈ পৰিব।

ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ লগত চৰকাৰী বিদ্যালয়বোৰক তুলনা কৰি আমি চৰকাৰী শিক্ষক সমাজখনক হীনমন্যতাত ভুগিবলৈ বাধ্য কৰো আৰু নিৰুৎসাহিত কৰো। কিন্তু সেই শিক্ষকসকলক দোষাৰোপ কৰি, তেওঁলোকক হীনমন্যতাত ভুগিবলৈ এৰি দি, চৰকাৰী স্কুলীয়া শিক্ষাৰ সংস্কাৰ সাধন কৰা আৰু তাৰ মান উন্নত কৰা কেতিয়াও সম্ভৱ নহ'ব। বৰং আমি চৰকাৰী শিক্ষকসকলক প্ৰাপ্ত ভাল ফলাফলখিনিৰ বাবে অভিনন্দন আৰু সম্বৰ্ধনাহে জনাব লাগে, যাতে তেওঁলোকৰ উদ্যম আৰু কৰ্মনিষ্ঠা আৰু বাঢ়ি যায়। ব্যক্তিগত খণ্ডৰ শিক্ষকসকলতকৈ চৰকাৰী স্কুলৰ শিক্ষকসকলৰ অৰ্হতা আৰু দক্ষতাও বেচি হ'লেও কম নহয়।

ব্যক্তিগত খণ্ডৰ স্কুলবোৰৰ পৰিচালনা বা ব্যৱস্থাপনাৰ দিশটোহে বিশেষভাৱে চাবলগীয়া। এই খণ্ডৰ স্কুলবোৰত শৃংখলা, সময়ানুৱৰ্তিতা আৰু কৰ্মনিষ্ঠাক সৰ্বাধিক গুৰুত্ব দিয়া হয়। শিক্ষকসকলকো কম দৰমহাতে অধিক খাটিবলৈ বাধ্য কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ গ্ৰহণত কোনো আপোচ কৰা নহয়; পৰীক্ষাবোৰো সঘনে লৈ থকা হয়। অভিভাৱকসকলকো ল'ৰা-ছোৱালীৰ পাছত লাগি থাকিবলৈ বাধ্য কৰা হয়। সেই স্কুলবোৰত ৰান্ধনিশালো পতা নহয় আৰু শ্ৰেণীৰ পৰীক্ষাবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ Performance বোৰৰ ওপৰতো তীক্ষ্ণ নজৰ ৰখা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাদানো কৰা হয় পৰীক্ষাত ভাল নম্বৰ বুটলিব পৰাকৈহে। এই সকলোবোৰৰে সংহত ফলাফল ওলাই গৈ শিক্ষান্ত পৰীক্ষাবোৰত। কিন্তু চৰকাৰী স্কুলবোৰত তেনেবোৰ শৈক্ষিক নিয়ম-শৃংখলাৰ পৰিৱেশেই নাথাকে।

আমাৰ চৰকাৰী স্কুলবোৰৰ ব্যৱস্থাপনাত বিভাগীয় হস্তক্ষেপবোৰৰ বিৰূপ প্ৰভাৱহে লক্ষ্য কৰা যায়। স্কুলবোৰত প্ৰধান শিক্ষকতা বা অধ্যক্ষৰ নিযুক্তি দক্ষতাভিত্তিক নহয়। দক্ষ অধ্যক্ষ বা প্ৰধান শিক্ষকসকলকো ৰান্ধনিশাল আৰু স্কুল বহিৰ্ভূত কাম-কাজবোৰত এনেদৰে ব্যস্ত ৰখা হয় যে, স্কুলৰ শৈক্ষিক বিষয় বা কথা-বতৰাবোৰলৈ চকু দিয়াৰ সময়েই তেওঁৰ নাথাকে। স্কুল আনসকল শিক্ষকৰ লগতো তেওঁ সঘনে আপোচ কৰি চলিবলগীয়া হয়। এই আপোচ মতে দৰাচলতে পাঠদানৰ স'তেই আপোচ। একাংশ শিক্ষকে তাৰে সুযোগ লৈ নিজৰ কৰ্তব্যতো পাল মাৰে বা ফাঁকি দিয়ে।

চৰকাৰী স্কুলবোৰত ওপৰৰ পৰা বিভাগীয় বা চৰকাৰী কামৰ বোজা থাকে আৰু শিক্ষকসকলকো স'ততে অন্যান্য চৰকাৰী কামত নিযুক্ত কৰা হয়। ফলত পাঠদানত সঘন ব্যাঘাত জন্মে আৰু শিক্ষকসকলৰ পাঠদানৰ প্ৰস্তুতিটো আউল লাগে। অথচ শিক্ষকসকলৰ পাঠদান আৰু স্কুলৰ সামগ্ৰিক শৈক্ষিক পৰিৱেশৰ খা-খবৰ ল'বলৈ আগতে যি ধৰণৰ সঘন পৰিদৰ্শন ব্যৱস্থা আছিল, এতিয়া সেইটোও নাই। পৰিদৰ্শক এতিয়াও আছে, কিন্তু তেওঁৰ পৰিদৰ্শন হয় শিক্ষকসকলৰ গণ্টি ল'বলৈহে, শিক্ষাদানৰ মান পৰীক্ষা কৰিবলৈ নহয়।

মধ্যাহ্ন ভোজন বা ৰান্ধনিশালৰ দায়-দায়িত্বৰ পৰা স্কুল প্ৰধানসকলক মুক্ত কৰাৰ বাবেও বিশেষ ব্যৱস্থা লোৱাৰ প্ৰয়োজন আছে।

পৰীক্ষা নিদিয়াকৈ বা পাছ নকৰাকৈ ওপৰ শ্ৰেণীলৈ উত্তীৰ্ণ কৰোৱাৰ যি চৰকাৰী নিয়ম এতিয়া বলবৎ আছে, সিও চৰকাৰী স্কুলবোৰৰ মানদণ্ডৰ অভাৱনীয় অৱনতি ঘটাইছে। এই ব্যৱস্থাৰ পৰিৱৰ্তন নঘটালে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীৰ পাঠ্য পুথিবোৰ পঢ়িবলৈও বাধ্য কৰিব পৰা নাযাব।

অসম চৰকাৰে চৰকাৰী স্কুলবোৰৰ শৈক্ষিক মান উন্নত কৰিবলৈ 'গুণোৎসৱ' পাতি আছে। কিন্তু গুণোৎসৱৰ কিবা সুফল ফলিব বুলি মনে নধৰে। আচলতে ই হৈছে 'Full of sound and fury, signifying nothing. এই গুণোৎসৱৰ জৰিয়তে স্কুলবিলাকক এই বাৰ্তাহে দিয়া হৈছে যে, সেইবোৰৰ শিক্ষকসকলে সেই বিশেষ দিনটোৰ বাবে নিজক আৰু স্কুলখনক প্ৰস্তুত কৰিব পাৰিলেই হ'ল, গুণোৎসৱ পাৰ হৈ যোৱাৰ পাছত তেওঁলোকৰ আৰু বিশেষ জামালা নাথাকে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বা চৰকাৰখনে শিক্ষকসকলক বলিৰ পঠা সজোৱাৰ সললি আৰু শিক্ষা-সংস্কাৰৰ নামত ঢাক-ঢোল বজাই থকাৰ সলনি শিক্ষকসকলক সমস্ত চৰকাৰী কাম-কাজ (বাহিৰা) ৰ পৰা ৰেহাই দিয়ক আৰু তেওঁলোকক বিশ্বাসত লৈ, আৰক্ষী বাহিনীক ভবাৰ দৰে নিজৰ বুলি ভাবি, বন্যপ্ৰাণীসদৃশ এমখা ছাত্ৰ-ছাত্ৰীক শিক্ষা দানৰ যন্ত্ৰণা (শিক্ষকসকলৰ) স'তে সহমৰ্মিতা প্ৰকাশ কৰি চৰকাৰী স্কুলবোৰৰ শৈক্ষিক পৰিৱেশৰ ৰূপান্তৰ ঘটিব পৰা তেওঁলোকৰ স্বাভিমান আৰু সুপ্ত শক্তিক জাগ্ৰত কৰক।

ফোন ঃ ৮৮১১৮২৭৪৩২

# উত্তেজনাময় চীন-ভাৰত সীমান্ত


## আলোচনাৰ মাধ্যম সমাধানৰ পথ হ'ব পাৰেনে?

লেখক ঃ জয়দীপ শইকীয়া
অনুবাদক ঃ পল্লৱ ভট্টাচাৰ্য্য

**সংঘাতৰ** ইতিহাসৰ যাত্ৰা অসংখ্য ঘাত-প্ৰতিঘাতৰ সংমিশ্ৰণ যিবোৰ কেৱল গভীৰ অধ্যয়নৰ দ্বাৰাহে উন্মোচন কৰিব পাৰি; কিন্তু ইয়াৰ দৃশ্যমান বাহ্যিকতাক নিয়ন্ত্ৰণ কৰা সত্যবাদটো এনেকুৱা যে বিশ্লেষণৰ দ্বাৰাহে ইয়াৰ স্বৰূপ নিৰূপণ সম্ভৱ। সেয়েহে 'অন ৱাৰ' (On WAR)ৰ লেখক কাৰ্ল ভন ক্ল'জৱিটজ ষষ্ঠ শতিকাৰ চীনা চিন্তাবিদ ছান টজুৰ দ্বাৰা প্ৰভাৱিত হৈছিল নে নাই এই দিশবোৰ কেৱল পৰীক্ষাৰ কুটিলতাৰেহে উন্মোচিত কৰিব লাগিব। কিন্তু উল্লেখ্য কথাটো এয়ে যে তেওঁলোকৰ দুয়োজনৰ ৰচনাত যুদ্ধৰ স'তে জড়িত দৰ্শনৰ আপাত দৃষ্টিত পাৰ্থক্য থকাৰ পাছতো কিছুমান অন্তৰ্নিহিত অভিন্নতা বিদ্যমান।

প্ৰুছিয়ান সামৰিক কৌশলবিদ ক্ল'জৱিটজে লিখিছিল যে 'যুদ্ধৰ নিশ্চয়কৈ নিজস্ব এক ব্যাকৰণ আছে, কিন্তু ইয়াৰ যুক্তি নিজৰ বাবে অদ্ভুত নহয়'। তেওঁ লগতে কৈছে যে 'যুদ্ধ কেৱল ৰাজনৈতিক সহবাসৰ এক অংশহে, সেয়েহে কোনো কাৰণতে ই নিজৰ মাজতে এক স্বাধীন বস্তু নহয়'। বিশেষকৈ যেতিয়া তেওঁ দৃঢ়তাৰে কয় যে 'যুদ্ধৰ সৰ্বোচ্চ কলা হ'ল যুদ্ধ নকৰাকৈ কেনেকৈ শত্ৰুক বশ কৰিব পাৰি' তেতিয়া এনে দাবীবোৰে ছান টজুৰ আদৰ্শৰো প্ৰতিফলন ঘটায়। অৰ্থাৎ যুদ্ধৰ আশ্ৰয় লোৱাতকৈ কূটনীতিৰ দ্বাৰা-'ৰাজনৈতিক সম্পৰ্ক'ৰ উন্নতি সাধন কৰি বিজয় লাভ কৰাটো শ্ৰেয়।

ভাৰত-চীন সম্পৰ্ক বহু ঐতিহাসিক ভুলৰ সমষ্টি। সঁচাকৈয়ে, দুয়োখন দেশে অতীতৰ ভুল-ভ্ৰান্তিসমূহ বিসৰ্জন দি নতুন আৰম্ভণিৰ চেষ্টা চলোৱাৰ পাছতো কিছুমান মৌলিক বিষয়ক লৈ ভুল বুজাবুজিৰ জুই জ্বলি থকাৰ ইংগিত পোৱা গৈছে। ২০২০ত গলৱানত সংঘটিত হোৱা দুৰ্ভাগ্যজনক ঘটনাটো হৈছে এই ভুল বুজাবুজিৰ নৱতম নিদৰ্শন। লেখকৰ মতে পূব লাডাখত চীনৰ অনুপ্ৰৱেশৰ অন্তৰালত আমেৰিকাৰ লগতে প্ৰতিবেশী ভাৰতক এটা ভাবুকিৰ বিশুদ্ধ বাৰ্তা প্ৰেৰণ কৰা উদ্দেশ্য আছিল। এই আগ্ৰাসনৰ দ্বাৰা আমেৰিকাক সঁকীয়াই দিয়া হ'ল যে চীন বিৰোধী কাৰ্যকলাপৰ বাবে ভাৰতক মাৰ্কিন যুক্তৰাষ্ট্ৰই ব্যৱহাৰ কৰিব নোৱাৰিব; বেইজিঙে ভাৰতৰ প্ৰতিবেশী দেশসমূহক এই



আগ্ৰাসনৰ জৰিয়তে সতৰ্ক কৰি দিলে যে ভাৰতক সেই দেশসমূহে তেওঁলোকক নিৰাপত্তাৰ দিব পৰা ৰাষ্ট্ৰ হিচাপে গণ্য কৰাটো অলীক কল্পনাৰ ব্যতিৰেক একো নহয়। কিন্তু এই সংঘাটৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণটো আছিল ভাৰতক নিজৰ ভূমিৰ সুৰক্ষাৰ মাজতে সীমাবদ্ধ কৰি ৰখা যাতে এই দেশক সামুদ্ৰিক অভিযানত নামি পৰাৰ পৰা আঁতৰাই ৰাখিব পাৰি আৰু এই অধিকাৰ চীনে নিজৰ একক বিশেষাধিকাৰ হিচাপে গণ্য কৰাৰ এক প্ৰয়াস। এই প্ৰচেষ্টাত চীন ব্যৰ্থ হোৱাটো বেলেগ কথা।

ইয়াৰ পূৰ্বেও ডকলামত এক অচলাৱস্থাৰ সৃষ্টি হৈছিল। চীনাসকলে নতুন দিল্লীক ডকলামৰ মালভূমিত পথ নিৰ্মাণৰ পৰিকল্পনাৰ বিষয়ে আগতে অৱগত কৰাৰ এক ভাবধাৰাৰ প্ৰচলন আছে আৰু এই প্ৰক্ৰিয়াই এই সমস্ত পৰিঘটনাক এক আকৰ্ষণীয় মাত্ৰা প্ৰদান কৰে; যদি এই তথ্য সত্যৰ ওপৰত প্ৰতিষ্ঠিত তেন্তে এই 'সংঘাত'ক সংঘাত বুলি চিহ্নিত কৰা অপ্ৰয়োজনীয় আছিল বুলি ক'ব পাৰি। যদি চীনা সৈনিকসকলে তেওঁলোকক জাম্ফেৰী টিঙত অৱস্থিত ৰয়েল ভূটান আৰ্মীৰ চকী পৰ্যন্ত এটা মটৰযোগ্য যাতায়াতৰ পথ নিৰ্মাণ কৰিবলৈ বদ্ধপৰিকৰ বুলি অৱগত হোৱাৰ পাছত আৰু এই পথ নিৰ্মাণে চীনক উত্তৰ-পূবৰ নিকটৱৰ্তী আৰু ইয়াক ভাৰত মুখ্যভূমিৰ লগত সংযোজিত কৰা ২২ কিঃ মিঃ দৈৰ্ঘ্যৰ 'চিলিগুৰি কৰিডৰ' কাষলৈ আহিবলৈ সক্ষম কৰাৰ কথা জনাৰ পাছত ভাৰতীয় কৌশলবিদসকলৰ দায়িত্ব আছিল কিদৰে এই প্ৰক্ৰিয়া প্ৰতিহত কৰিব পৰা যায়। পৰিতাপৰ বিষয় যে ইয়াৰ পৰিৱৰ্তে তেওঁলোকক অলংকাৰশাস্ত্ৰীয় বৃথা বাদানুবাদ আৰু দুৰূহ আৰু সময়লগা সামৰিক কাৰ্য যেনে আগতীয়া সেনা মোতায়েন আদি কাৰ্যত ব্ৰতী হোৱা দৃষ্টিগোচৰ হ'ল। বাস্তৱিকতে চীনৰ এই 'চিকেন নেক' পৰ্যন্ত পথনিৰ্মাণ আৰু তাত অত্যাধুনিক পৰিশীলিত অৱকাঠামো নিৰ্মাণে



ভাৰত আৰু উত্তৰ-পূবৰ সুৰক্ষাৰ ভাবুকি বুলি অৱগত হোৱাৰ পাছত এই কৰিডৰৰ বাহিৰেও এই অঞ্চলক ভাৰত ভূখণ্ডৰ লগত যোগাযোগ কৰিব পৰা আন পথৰ সন্ধান কৰা জৰুৰী আছিল। ভাৰতৰ এই কাৰ্যই চীনৰ এই যুদ্ধংদেহী মনোবৃত্তিৰ উপযুক্ত প্ৰত্যুত্তৰ হোৱাৰ লগতে উত্তৰ-পূবৰ ভাৰত ভূখণ্ডৰ লগত যোগাযোগৰ আন এক সফল বিকল্প হিচাপে পৰিগণিত হৈ সুদূৰপ্ৰসাৰী কাৰ্যকৰী পদক্ষেপ হিচাপে পৰিগণিত হ'লহেঁতেন। বাংলাদেশৰ স'তে ভাৰতৰ সুমধুৰ সম্পৰ্কৰ পৰিপেক্ষিতত এনে এক ব্যৱহাৰিক পদক্ষেপ কঠিন নহ'লহেঁতেন। যেতিয়া দেশে এনে এক বিদেশী আগ্ৰাসনৰ সন্মুখীন হয় অলংকাৰশাস্ত্ৰীয় কথাৰ ফুলজাৰিয়ে কাৰ্যক্ষেত্ৰত অগ্ৰাধিকাৰ পায় যদিও এনে পৰিস্থিতি পৰিহাৰ কৰাৰ উপায় বিদ্যমান। ডক্লাম আৰু গলৱানত সংঘটিত দুয়োপক্ষৰ এই অবিৰত যুদ্ধংদেহী মনোবৃত্তি নিশ্চয়কৈ কোনো প্ৰাক্তন সামৰিক উৰ্ধতম বিষয়াৰ কাম্য নহয় আৰু ইয়াৰ ফলশ্ৰুতি নিঃসন্দেহে ভৱিষ্যতৰ বাবে অশুভ।

যোৱা ২৬-২৭ আগষ্ট ২০১৪ত অনুষ্ঠিত হোৱা ভাৰত-চীন ট্ৰ্যাক-২ সংলাপত বৰ্তমানৰ লেখক এজন ভাৰতীয় দলৰ সদস্য হিচাপে অন্তৰ্ভুক্ত আছিল আৰু তেওঁ বৰ্তমানৰ এই ৰূদ্ধ স্থিতিশীল ব্যৱস্থাৰ পৰা মুক্ত হৈ ভাৰত-চীন সংলাপৰ গতিশীলতাৰ স্বাৰ্থত এটি প্ৰস্তাৱ আগবঢ়াইছিল। সেই সময়ত অৰুণাচলৰ কামেং খণ্ডৰ থাগ্লা টিং চীনৰ দখলত আৰু এই টিঙৰ দক্ষিণে প্ৰবাহিত নামকাচু নদী ভাৰতীয় সৈন্যৰ দখলত আছিল। যিহেতু দুয়োপক্ষই নিজৰ কবলত থকা ভূমি এৰি দিবলৈ প্ৰস্তুত নাছিল আৰু 'বাস্তৱিক নিয়ন্ত্ৰণ ৰেখা'ক দুয়ো দেশৰ আন্তঃৰাষ্ট্ৰীয় সীমা হিচাপে গণ্য কৰাৰ কোনো গত্যন্তৰ নাছিল, বৰ্তমানৰ লেখকে শব্দাৰ্থবিদ্যাৰ সহায় লৈ 'সম্প্ৰীতি ৰেখা' (Line of Amity)ৰ অৱতাৰণা কৰিছিল। এই ধাৰণাৰ অৱতাৰণা কৰাৰ মূল উদ্দেশ্য আছিল দুয়োপক্ষৰ মাজত এক সৌহাৰ্দ্যমূলক পৰিৱেশৰ সৃষ্টি কৰা যাতে কোনো ক্ষণত যুদ্ধমান অৱস্থাৰ উদ্ভৱ নহয়। যদি আঁকোৰগোজ অৱস্থিতি অৱশ্যম্ভাৱী আৰু যদি বহু সংলাপৰ ফলশ্ৰুতি স্থিতাৱস্থাই হয়, নামৰ সালসলনিৰ দ্বাৰাও উভয় পক্ষৰ মাজত এক সুন্দৰ বাতাৱৰণ সৃষ্টি কৰি কথোপকথনৰ এক সফল পৰিসমাপ্তি ঘটাব পাৰি। যিহেতু 'বাস্তৱিক নিয়ন্ত্ৰণ ৰেখা'ৰ সলনি 'সম্প্ৰীতি ৰেখা'ৰ প্ৰৱৰ্তনৰ কোনো আইনী জটিলতা নাই বা সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত সাধাৰণতে লোৱা কাৰ্য্যব্যৱস্থাৰ কি মূলনীতি সম্পৰ্কে প্ৰশ্নৰ অৱতাৰণা হোৱাৰ আশা নাই, লেখকে এই ধাৰণাৰ প্ৰৱৰ্তন কৰি দুয়োপক্ষৰ মাজত এক সুন্দৰ পৰিৱেশ সৃষ্টি কৰিবলৈ ব্ৰতী হৈছিল। যদিও থাগ্লা টিং, যি বৰ্তমান চীনৰ দখলত আছে আৰু ইয়াৰ বাবে সাধাৰণতে জলাশয় নীতি প্ৰযোজ্য আৰু কামেং খণ্ডত বাস্তৱিক নিয়ন্ত্ৰণ ৰেখা আৰু ১৯১৪ত হেনৰী মেকমোহনে অংকন কৰা মেকমোহন ৰেখাৰ পাৰ্থক্য অতি কম, সেয়েহে লেখকে এই প্ৰস্তাৱ আগবঢ়াবলৈ সাহস পাইছিল। এই প্ৰস্তাৱৰ ফলস্বৰূপে ভৱিষ্যতৰ কোনো আলোচনাত যোগদান কৰা উভয় পক্ষই অতীতৰ কোনো প্ৰতিকুল বোজা বহন নকৰাকৈ এক সুন্দৰ বাতাৱৰণত আলোচনা কৰা সম্ভৱ হ'ব। অতীতৰ আলোচনাত সাধাৰণতে বিদ্যমান আশংকাৰ আৰু ভয়-সংশয়ৰ বিলুপ্তি আৰু বন্ধুসুলভ মনোবৃত্তিয়ে ভৱিষ্যৎ আলোচনাত এক নতুন দিগন্তৰ সৃষ্টি সকলোৰে কাম্য।

ছান টজুৱে তেওঁৰ 'দ্য আৰ্ট অৱ ৱাৰ'ত কৈছিল যে 'বিশৃংখলতাৰ মাজত সুযোগো থাকে' আৰু 'সুযোগবোৰ আহৰণ কৰাৰ লগে লগে বহুগুণে বৃদ্ধি পায়।' ছানৰ এই উক্তিৰ প্ৰতিফলন ভাৰত-চীন সংলাপৰ মূলমন্ত্ৰ হোৱা সকলোৰে কাম্য।

(জয়দীপ শইকীয়া এজন সুপৰিচিত সংঘাত বিশ্লেষক আৰু নিৰাপত্তা আৰু কৌশল সম্পৰ্কীয় কেবাখনো বিখ্যাত গ্ৰন্থৰ লেখক, অনুবাদক পল্লৱ ভট্টাচাৰ্য্য অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান)।

## কিংবদন্তি বাংলা চলচ্চিত্ৰ পৰিচালক তৰুণ মজুমদাৰ প্ৰয়াত



**নিউজ ব্যুৰ', কলকাতা, ৪ জুলাই ঃ** বাংলা চলচ্চিত্ৰৰ কিংবদন্তি পৰিচালক তৰুণ মজুমদাৰে আজি পুৱা ১১-১৭ বজাত চিকিৎসাধীন অৱস্থাত শেষনিশ্বাস ত্যাগ কৰে। হৃদৰোগত আক্ৰান্ত হোৱা মজুমদাৰে দীৰ্ঘদিন ধৰি বয়সজনিত কাৰণত শাৰীৰিকভাৱে অসুস্থ হৈছিল আৰু অলপতে তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ৯২ বছৰ বয়সত মজুমদাৰৰ মৃত্যুৰ ফলত বাংলা চলচ্চিত্ৰৰ এক স্বৰ্ণযুগৰ সমাপ্তি ঘটিল। বাংলা সাহিত্য নিৰ্ভৰ চলচ্চিত্ৰৰ মাধুৰ্য আছিল মজুমদাৰৰ ছবিৰ অন্যতম বৈশিষ্ট্য। পদ্মশ্ৰী সন্মানৰে ভূষিত মজুমদাৰে পৰিচালনা কৰা 'কাচেৰ স্বৰ্গ', 'নিমন্ত্ৰণ', 'গণদেৱতা' আৰু 'অৰণ্য আমাৰ' ছবিয়ে ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল।

## মিছ ইণ্ডিয়া ২০২২ খিতাপ কৰ্ণাটকৰ চিনি শেঠীলৈ



**নিউজ ব্যুৰ', বাংগালুৰু, ৪ জুলাই ঃ** মিছ ইণ্ডিয়া ২০২২ৰ খিতাপ দখল জয় কৰিলে কৰ্ণাটকৰ চিনি শেঠীয়ে। প্ৰতিযোগিতাৰ চূড়ান্ত পৰ্যায়ত ৩১ প্ৰতিদ্বন্দ্বীক পৰাজিত কৰি মিছ ইণ্ডিয়াৰ চলিত বৰ্ষৰ খিতাপ অৰ্জন কৰিলে কৰ্ণাটকৰ এইগৰাকী সুন্দৰীয়ে। মুম্বাইৰ জিঅ' ৱৰ্ল্ড কনভেনচন চেণ্টাৰত যোৱা নিশা এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এইবাৰৰ প্ৰতিযোগিতাত বিচাৰকৰ আসনত আছিল মালাইকা অৰোৰা, নেহা ধুপিয়া, ডিন ম'ৰিয়া, ৰাহুল খান্না, ৰোহিত গান্ধী আৰু চমাক দাভৰ। মিছ ইণ্ডিয়াৰ খিতাপ লাভ কৰা ২১ বছৰীয়া চিনি একাউণ্টিং আৰু ফাইনেন্স বিষয়ৰ স্নাতক ডিগ্ৰীধাৰী। বৰ্তমানে তেওঁ চি এফ এৰ পাঠ্যক্ৰম অধ্যয়ন কৰাৰ লগতে এগৰাকী ভৰতনাট্যম শিল্পী হিচাপেও পৰিচিত। মুম্বাইত জন্মলাভ কৰিলেও কৰ্ণাটকতে ডাঙৰ-দীঘল হৈছিল মিছ ইণ্ডিয়া খিতাপজয়ী এইগৰাকী যুৱতী। এইবাৰৰ প্ৰতিযোগিতাত ৰাজস্থানৰ ৰুবাল চেখাৱট প্ৰথম আৰু উত্তৰ প্ৰদেশৰ চিনাতা চৌহানে দ্বিতীয় ৰানাৰআপৰ সন্মান লাভ কৰে।

## পশ্চিমবংগত ক'ভিড ত্ৰাস ঃ এদিনত সংক্ৰমিত হ'ল ১,৮২২ জন লোক




**নিউজ ব্যুৰ', কলকাতা, ৪ জুলাই ঃ** পশ্চিমবংগত কৰ'নাৰ সংক্ৰমণ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত ১,৮২২ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। এই মুহূৰ্তত পশ্চিমবংগত মুঠ আক্ৰান্তৰ সংখ্যা হৈছে ১০,৫৮৩ জন লোক। ক'ভিড আক্ৰান্তসকলৰ ১০,২৭৯ জনে ঘৰতে নিভৃতবাসত থকাৰ বিপৰীতে ৩০৪ জনে চিকিৎসালয়ত আছে। যোৱা ২৪ ঘণ্টাত দেশৰ ভিতৰতে ক'ভিডৰ সংক্ৰমণ সৰ্বাধিক বৃদ্ধি পালে পশ্চিমবংগত। পশ্চিমবংগৰ পাছতে দৈনিক সংক্ৰমণৰ তালিকাত দ্বিতীয় স্থানত থকা তামিলনাডুত যোৱা ২৪ ঘণ্টাত ১,১৬১ জন লোক কৰ'না আক্ৰান্ত হ'ল।

## অমৰনাথ যাত্ৰাৰ মাজতে ছাম্বাত প্ৰত্যক্ষ হ'ল পাকিস্তানী ড্ৰ'ন্



**নিউজ ব্যুৰ', ছাম্বা, ৪ জুলাই ঃ** অমৰনাথ যাত্ৰাৰ প্ৰস্তুতিৰ মাজতে জম্মু-কাশ্মীৰৰ ছাম্বা জিলাত আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ওচৰত এখন পাকিস্তানী ড্ৰ'ন্‌ৰ মুক্ত বিচৰণ প্ৰত্যক্ষ হ'ল। বি এছ এফৰ জোৱানে পাকিস্তানী ড্ৰ'ন্ আকাশত প্ৰত্যক্ষ কৰাৰ লগে লগে সতৰ্কতা অৱলম্বন কৰে। অৱশ্যে মুহূৰ্তৰ ভিতৰতে ড্ৰ'ন্‌খনে উক্ত অঞ্চলৰ পৰা পাকিস্তানৰ দিশলৈ উভতি যায়। বি এছ এফৰ বিষয়াই অৱশ্যে ভাৰত সীমান্তত পাকিস্তানী ড্ৰ'ন্‌ৰ অনুপ্ৰৱেশৰ কথা অস্বীকাৰ কৰিছে।



## দেশৰ দৈনিক সংক্ৰমণ ২০ হেজাৰৰ অধিক, মৃত্যু ৩১ জনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জুলাই ঃ** কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'না আক্ৰান্ত হ'ল ২০,১৪৩ জন লোক। ফলত দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা এক লাখ ১১ হেজাৰ ৭১১ জনলৈ বৃদ্ধি পালে। আনহাতে, বিগত ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশৰ বিভিন্ন ৰাজ্যত প্ৰাণ হেৰুৱালে ৩১ জন ক'ভিড ৰোগীয়ে। বিগত এদিনত দেশত ১৩,৯২৯ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিল।

## এদিনতে নতুন আক্ৰান্ত ৩০০, চীনৰ আনহুইত ১৭ লাখ বাসিন্দাক গৃহবন্দী



**নিউজ ব্যুৰ', বেইজিং, ৪ জুলাই ঃ** সোমবাৰে চীনৰ চেণ্ট্ৰেল আনহুই প্ৰদেশত ৩০০ জন নতুন ক'ভিড আক্ৰান্তৰ সন্ধান লাভ কৰাৰ পাছত অঞ্চলটোত তলাবন্ধ ঘোষণা কৰিলে প্ৰশাসনে। ফলত আনহুইৰ কমেও ১৭ লাখ বাসিন্দা সম্প্ৰতি গৃহবন্দী হ'ল। চীনে কৰ'নাৰ নিয়ন্ত্ৰণৰ বাবে ক'ভিড শূন্য নীতি গ্ৰহণ কৰি আহিছে যদিও চৰকাৰৰ এই নীতি প্ৰায় অসাৰ প্ৰমাণিত হৈছে। যোৱা সপ্তাহত আনহুই প্ৰদেশত শতাধিক ক'ভিড আক্ৰান্তক চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছতে প্ৰশাসনে ছিক্সিয়ান আৰু লিংগবি কাউণ্টিত তলাবন্ধ ঘোষণা কৰিলে। ক'ভিড পৰীক্ষা নকৰাকৈ ঘৰৰ পৰা বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰত এই দুখন প্ৰদেশৰ ১৭ লাখ বাসিন্দাক বাধা আৰোপ কৰা হৈছে। কিছুদিন পূৰ্বে চীনৰ বাণিজ্যিক নগৰী ছাংঘাইত কৰ'না প্ৰতিৰোধৰ বাবে এমাহৰো অধিক দিন তলাবন্ধ ৰখা হৈছে। ৰাজধানী বেইজিঙতো কঠোৰ বিধি নিষেধ জাৰি কৰা হৈছিল। শেহতীয়াভাৱে আনহুইত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাত প্ৰশাসনে পুনৰ ক'ভিড শূন্য নীতি অৱলম্বনৰে তলাবন্ধ ঘোষণা কৰিলে।

### নিমৰজ প্ৰদেশ-তুৰস্কৰ মাজেদি ইৰান আৰু অন্যান্য প্ৰতিবেশী দেশলৈ পলায়ন


## তালিবানৰ শাসনত গৃহহীন হ'ল পাঁচ লাখ আফগান

**নিউজ ব্যুৰ' কাবুল, ৪ জুলাই ঃ** নৰৱেজিয়ান ৰিফিউজি কাউঞ্চিল (এন আৰ চি) অৰ্থাৎ নৰৱে শৰণাৰ্থী পৰিষদে প্ৰকাশ কৰা প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি তালিবানে আফগানিস্তান দখল কৰাৰ পাছত বৰ্তমানলৈকে দেশখনৰ প্ৰায় পাঁচ লাখ পৰিয়াল আশ্ৰয়হীন হোৱাৰ পথত অগ্ৰসৰ হৈছে। আফগানিস্তানত এন আৰ চিৰ স্থানীয় অঞ্চলত নীল টাৰ্নাৰে এক বিবৃতিত এইদৰে কয়, 'প্ৰায় ৪,০০০ লোকৰ কাবুল আৰু ইয়াৰ আশে-পাশে থকা বাসগৃহ তালিবানে বেদখল কৰিলে। তালিবানৰ উত্থানৰ লগে লগে এইদৰে আফগানিস্তানত প্ৰতিদিনে অগণন নাগৰিকে নিজৰ বাসগৃহ ত্যাগ কৰিবলৈ বাধ্য হৈছে। তালিবানৰ নিয়ন্ত্ৰণ স্থাপনৰ পাছত বৰ্তমানলৈকে আফগানিস্তানত কমেও পাঁচ লাখ পৰিয়াল গৃহহীন হোৱাৰ উপক্ৰম হৈছে।' যোৱা বছৰৰ ১৫ আগষ্টত তালিবানে



কাবুল দখল কৰি আফগানিস্তানত পুনৰ তালিবানী শাসন প্ৰৱৰ্তনৰ কথা ঘোষণা কৰিছিল। তালিবানৰ পুনৰ ক্ষমতালৈ আগমনৰ পাছৰে পৰা প্ৰতিদিনে হেজাৰ হেজাৰ লোকে আফগানিস্তান ত্যাগ কৰি আন দেশত শৰণাৰ্থী হিচাপে আশ্ৰয় গ্ৰহণ কৰি আহিছে। এন আৰ চিৰ প্ৰতিবেদনৰ তথ্য অনুসৰি, বৰ্তমানলৈকে কমেও পাঁচ লাখ আফগান পৰিয়াল গৃহহাৰা হৈছে। তালিবানৰ কঠোৰ নিষেধাজ্ঞা আৰোপ আৰু মানৱাধিকাৰ হৰণৰ নিৰ্দেশত শংকিত হৈ যথেষ্ট সংখ্যক আফগান নাগৰিকে স্বদেশ ত্যাগ কৰিবলৈ বাধ্য হৈছে। এন আৰ চিৰ এই প্ৰতিবেদনত লগতে উল্লেখ কৰা মতে, তালিবানৰ শাসনত শংকিত হৈ দেশত্যাগ কৰা আফগান নাগৰিকসকলৰ সৰহ সংখ্যকে নিমৰজ প্ৰদেশ আৰু তুৰস্কৰ মাজেদি ইৰান আৰু অন্যান্য প্ৰতিবেশী দেশলৈ ৰাওনা হৈছে। তালিবানৰ উত্থানত হঠাতে এইসকল আফগান নাগৰিকে আন দেশত আশ্ৰয় লৈ শৰণাৰ্থীৰ জীৱন যাপন কৰিবলগীয়া হৈছে।

## সদনত স্বীকাৰ ফড়নবিছৰ ঃ হয়, এইখন ই ডি চৰকাৰ, মানে...



**নিউজ ব্যুৰ', মুম্বাই, ৪ জুলাই ঃ** মহাৰাষ্ট্ৰ বিধানসভাত আজি আস্থাভোটত জয়লাভৰ পাছত ৰাজ্যখনত উপ-মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফড়নবিছে কয় যে 'ই ডি'ৰ জৰিয়তে মহাৰাষ্ট্ৰত তেওঁলোকে চৰকাৰ গঠন কৰিলে। দৰাচলতে বিধানসভাত আস্থাভোট অনুষ্ঠিত হোৱাৰ সময়ত একাংশ বিধায়কে 'ই ডি' (প্ৰৱৰ্তক সঞ্চালকালয়) বুলি শ্ল'গান দি একনাথ শিণ্ডে চৰকাৰক কটাক্ষ কৰিছিল। ই ডি শ্ল'গানৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পাছত উপ-মুখ্যমন্ত্ৰী ফড়নবিছে কয় যে মহাৰাষ্ট্ৰত ই ডিৰ সহায়তে তেওঁলোকে চৰকাৰ গঠন কৰিলে। ই ডিৰ ব্যাখ্যা আগবঢ়াই উপমুখ্যমন্ত্ৰীজনে এইদৰে কয়, 'ই ডিৰ অৰ্থ হৈছে ই মানে একনাথ শিণ্ডে আৰু ডিৰ অৰ্থ হৈছে দেবেন্দ্ৰ ফড়নবিছ। মই কৈছিলো যে মই উভতি আহিম। যেতিয়া মই এইদৰে কৈছিলো তেতিয়া কোনোবাই মোক ঠাট্টা-মস্কৰা কৰিছিল। মই আজি উভতি আহিলো আৰু একনাথ শিণ্ডেক লগত লৈ আহিছো।'



## ডনবাছ দখলৰ দাবী ৰাছিয়াৰ

**নিউজ ব্যুৰ', মস্কো, ৪ জুলাই ঃ** ইউক্ৰেইনৰ ডনবাছ অঞ্চল সম্পূৰ্ণৰূপে দখল কৰিলে ৰাছিয়াই। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী ছাৰ্গেই শুইগুৱে এইদৰে দাবী কৰি জনোৱা অনুসৰি কৌশলগত দিশৰ পৰা যথেষ্ট গুৰুত্বপূৰ্ণ পূব ইউক্ৰেইনৰ লিচিছানস্ক চহৰ ইতিমধ্যে ৰুছ সেনাই নিজৰ দখলত ল'লে। তদুপৰি লুগানাস্ক চহৰো ৰাছিয়াই দখল কৰা বুলি প্ৰতিৰক্ষা মন্ত্ৰীজনে দাবী কৰে। ইউক্ৰেইনৰ সমগ্ৰ ডনবাছ অঞ্চল ৰুছ সেনাই দখল কৰা বুলি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনেও দাবী কৰিছে। ৰাছিয়াৰ এই দাবীৰ সন্দৰ্ভত ইউক্ৰেইনে চৰকাৰীভাৱে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

## অমৰনাথ যাত্ৰাত অভিনৱ আতিথ্য, কাশ্মীৰীৰ ব্যৱহাৰত মুগ্ধ তীৰ্থযাত্ৰী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৪ জুলাই ঃ** অমৰনাথ দৰ্শনৰ বাবে তীৰ্থযাত্ৰাত অংশ লোৱা ভক্তসকলে এই তীৰ্থযাত্ৰাৰ আয়োজন আৰু কাশ্মীৰী সাধাৰণ নাগৰিকৰ আতিথ্যত সন্তুষ্টি প্ৰকাশ কৰিলে। প্ৰতিবছৰে আয়োজন কৰা এই তীৰ্থযাত্ৰাৰ বাবে প্ৰশাসনে ভক্তসকলৰ সুবিধাৰ্থে সকলো ধৰণৰ ব্যৱস্থা কৰি আহিছে। তীৰ্থযাত্ৰীৰ থকা-খোৱাৰ ব্যৱস্থাৰ পৰা আৰম্ভ কৰি চিকিৎসাসেৱা, অক্সিজেনৰ যোগান আদিৰ দায়িত্বও প্ৰশাসনে বহন কৰি



আহিছে। ইয়াৰ লগতে তীৰ্থযাত্ৰীসকলৰ বাবে স্থানীয় কাশ্মীৰীসকলে এক বিশেষ সেৱা আগবঢ়াই আহিছে। তীৰ্থযাত্ৰাত অংশ লোৱা লোকসকলক কাশ্মীৰৰ সাধাৰণ বাসিন্দাই বিশেষ আতিথ্য প্ৰদান কৰিছে। ফুল আৰু আন্তৰিকতাৰে কাশ্মীৰৰ বাসিন্দাই দৰ্শনাৰ্থীসকলক কাশ্মীৰলৈ স্বাগতম জনাইছে। কাশ্মীৰীৰ পৰা এনেধৰণৰ আতিথ্য লাভ কৰি আপ্লুত হৈছে তীৰ্থযাত্ৰীসকল। উল্লেখ্য যে কাশ্মীৰৰ সাধাৰণ নাগৰিকে তীৰ্থযাত্ৰীক কেৱল ফুলৰে আদৰণি জনোৱাই নহয়, মিঠাই, পানী আদিৰেও আপ্যায়নৰ ব্যৱস্থা কৰিছে। বিভিন্ন বুথত ডাঙৰ ডাঙৰ প'ষ্টাৰত এইদৰে লিখা হৈছে, 'আমি কাশ্মীৰী, অমৰনাথ দৰ্শনৰ যাত্ৰীসকলক ইয়ালৈ স্বাগতম জনালো।'

## এদিনৰ বাবেও মজুত নাই ইন্ধন, চৰম সংকটত শ্ৰীলংকা



**নিউজ ব্যুৰ', কলম্বো, ৪ জুলাই ঃ** আৰ্থিক সংকটৰ পৰা মুক্তিলাভৰ কোনো পথৰ সন্ধান উলিয়াব পৰা নাই অশান্ত শ্ৰীলংকাই। দেশখনত বিত্তীয় সংকটে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে ইন্ধনৰ নাটনিয়ে শ্ৰীলংকাবাসীক ত্ৰাসিত কৰি তুলিছে। শ্ৰীলংকাৰ শক্তিমন্ত্ৰী কাঞ্চনা বিজেচেকেৰাই প্ৰকাশ কৰা অনুসৰি ইন্ধনৰ চৰম অভাৱ ঘটিছে দেশৰ ভাণ্ডাৰত। এদিনৰ প্ৰয়োজন অনুসৰিও ভাণ্ডাৰত ইন্ধন মজুত নাই বুলি ঘোষণা কৰিলে দ্বীপৰাষ্ট্ৰখনৰ শক্তিমন্ত্ৰীয়ে। ইন্ধনৰ এই সমস্যাটো তৎকালীনভাৱে সমাধান হোৱাৰ সম্ভাৱনাও নাই বুলি স্বীকাৰ কৰিলে বিজেচেকেৰাই। শক্তিমন্ত্ৰীজনে কয় যে ২২ জুলাইৰ পূৰ্বে শ্ৰীলংকালৈ আন দেশৰ পৰা ইন্ধন আমদানি কৰাটো সম্ভৱ নহ'ব। ফলত আৰু কমেও এমাহ দেশবাসীয়ে ইন্ধনৰ ক্ষেত্ৰত দুৰ্ভোগৰ সন্মুখীন হ'ব লাগিব বুলি মন্ত্ৰীজনে অৱগত কৰে। বিদেশী ঋণৰ বোজাত ভাঙি পৰা শ্ৰীলংকাৰ অৰ্থনীতিক পুনৰ উদ্ধাৰ কৰা দেশখনৰ নতুন চৰকাৰৰ বাবে মূল প্ৰত্যাহ্বানত পৰিণত হৈছে। সবাতোকৈ অধিক ক্ষতিগ্ৰস্ত হৈছে দেশখনৰ ইন্ধন ব্যৱস্থা। বিদেশী মুদ্ৰাৰ অভাৱত সম্প্ৰতি শ্ৰীলংকাই আন দেশৰ পৰা প্ৰয়োজনীয় ইন্ধনৰ আমদানি কৰিবলৈ সমস্যাগ্ৰস্ত হৈছে।

## উমৰ খালিদক বন্দী কৰি ৰখাৰ বিৰুদ্ধে প্ৰতিবাদ ন'ম চমস্কিৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জুলাই ঃ** ভাৰতত ৰাষ্ট্ৰদ্ৰোহ আইনৰ অধীনত বিগত এবছৰৰো অধিক দিন ধৰি কাৰাগাৰত বন্দী হৈ থকা উমৰ খালিদৰ মুক্তিৰ দাবীত সৰৱ হ'ল আমেৰিকাৰ ভাষাতত্ত্ববিদ, দাৰ্শনিক ন'ম চমস্কি। এক ভিডিঅ' বিবৃতিত প্ৰবীণ অধ্যাপকজনে খালিদৰ প্ৰসংগত এইদৰে কয়, 'খালিদৰ বিৰুদ্ধে বিশ্বাসযোগ্য তথ্যপ্ৰমাণ হিচাপে তেওঁৰ বক্তৃতাক দাখিল কৰা হৈছে, এয়া মুক্ত সমাজত এক মৌলিক অধিকাৰ হিচাপে স্বীকৃত। এই ঘটনাৰ পৃথক মূল্যায়ন নকৰাকৈ মই ক'ব বিচাৰো যে ইয়াৰ জৰিয়তে ভাৰতৰ বিচাৰ ব্যৱস্থাৰ দৈন্যৰ ছবিখন ফুটি উঠিছে। ভাৰতত মুক্ত নাগৰিক আৰু প্ৰতিষ্ঠানৰ ওপৰত নিৰ্যাতন আৰু ক্ষেত্ৰবিশেষে হিংসা চলিছে। এনেধৰণৰ ঘটনা আচলতে চৰকাৰৰ ফালৰ পৰা ভাৰতৰ ধৰ্মনিৰপেক্ষ গণতন্ত্ৰৰ পৰম্পৰা নষ্ট কৰাৰ বৃহৎ অপচেষ্টা।' ভাৰতৰ তৰুণ প্ৰতিবাদীসকলৰ প্ৰতি আস্থা



প্ৰদৰ্শন কৰি চমস্কিয়ে লগতে কয় যে এইসকল যুৱ প্ৰজন্মই পুনৰ ভাৰতলৈ শান্তি আৰু সুবিচাৰৰ মৰ্যাদা ৰক্ষা কৰি এক উন্নত বিশ্ব গঠনৰ পথলৈ অগ্ৰসৰ হ'ব। উমৰৰ প্ৰসংগত তেওঁ কয়, 'বন্দী কৰি উমৰৰ মুখ বন্ধ ৰখাটো হৈছে ভাৰতৰ ভাবমূৰ্তি এক কলংক চিহ্ন।'

## মাধৱনৰ 'ৰ'কেট্ৰী'ক বিশেষ প্ৰশংসা মহাতাৰকা ৰজনীকান্তৰ

**নিউজ ব্যুৰ', চেন্নাই, ৪ জুলাই ঃ** আৰ মাধৱনৰ দ্বাৰা পৰিচালিত প্ৰথমখন ছবি 'ৰ'কেট্ৰী ঃ দ্য নম্বি ইফেক্টছ'-এ মুক্তি লাভৰ পাছতে বক্স অফিচত চাঞ্চল্যৰ সৃষ্টি কৰিছে। চলচ্চিত্ৰ সমালোচকসকলেও মাধৱনৰ দ্বাৰা পৰিচালিত আৰু অভিনীত এইখন ছবিত বহুল প্ৰশংসা কৰিছে। এইবাৰ 'ৰ'কেট্ৰী ঃ দ্য নম্বি ইফেক্টছ'ক বিশেষভাৱে প্ৰশংসা কৰিলে দক্ষিণ ভাৰতৰ মহাতাৰকা অভিনেতা ৰজনীকান্তে। তামিল ভাষাত টুইট কৰি ৰজনীকান্তে এইদৰে কয়, 'ৰ'কেট্ৰী প্ৰতিজন ব্যক্তি বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে এখন চাব লগা চলচ্চিত্ৰ। মিষ্টাৰ পদ্মভূষণ, যিজন ব্যক্তিয়ে আমাৰ দেশৰ মহাকাশ গৱেষণাৰ বিকাশৰ বাবে যথেষ্ট কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছিল আৰু আত্মত্যাগ কৰিছিল, নম্বি নাৰায়ণনৰ জীৱন কাহিনীক অতি বাস্তৱসন্মতভাৱে উপস্থাপন কৰাৰ বাবে মাধৱন পৰিচালক হিচাপে নিজৰ প্ৰথমখন ছবিৰ জৰিয়তে শ্ৰেষ্ঠ নিৰ্দেশকৰ তালিকাভুক্ত হ'ল।



এনে এখন সুন্দৰ চলচ্চিত্ৰ উপহাৰ দিয়াৰ বাবে মই তেওঁক প্ৰশংসা কৰাৰ লগতে ধন্যবাদ জনালো।' উল্লেখ্য যে অভিনেতা মাধৱনে এইখন ছবিৰ জৰিয়তে পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিলে। ইছৰোৰ বিজ্ঞানী হিচাপে কাৰ্যনিৰ্বাহ কৰা এছ নম্বি নাৰায়ণৰ জীৱন কাহিনীক লৈ মাধৱনে 'ৰ'কেট্ৰী ঃ দ্য নম্বি ইফেক্টছ' ছবিখন নিৰ্মাণ কৰিছে।

## ইউৰোপত পুনৰ বৃদ্ধি সন্ত্ৰাস, ডেনমাৰ্কৰ শ্ব'পিং ম'লত বন্দুকধাৰীৰ আক্ৰমণত নিহত কমেও তিনি

**নিউজ ব্যুৰ', ক'পেনহেগেন, ৪ জুলাই ঃ** আমেৰিকাৰ পাছত ইউৰোপত পুনৰ সন্ত্ৰাস বৃদ্ধি পাবলৈ ধৰিছে। ইউৰোপৰ একাধিক দেশত শেহতীয়াকৈ সন্ত্ৰাস আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। ইউৰোপৰ অন্যতম শান্তিপ্ৰিয় দেশ ডেনমাৰ্কত এটা শ্ব'পিং ম'লত বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে। কালি ৰাজধানী ক'পেনহেগেনৰ এখন ব্যস্ত শ্ব'পিং ম'লত প্ৰৱেশ কৰি বন্দুকধাৰীয়ে জধে মধে গুলিবৰ্ষণ কৰিছিল। এই ঘটনাত কমেও তিনিজন লোকৰ মৃত্যু হ'ল। আনহাতে, গুলিবিদ্ধ হৈ আন তিনিজন লোক আহত হয়। অৱশ্যে আৰক্ষীৰ হাতত পাছত আক্ৰমণকাৰী ধৰা পৰে। ২২ বছৰীয়া ধৃত




যুৱক ডেনমাৰ্কৰে বাসিন্দা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। কি কাৰণত যুৱকে এই আক্ৰমণ সংঘটিত কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

## অষ্ট্ৰেলিয়াত প্ৰবল বৃষ্টিপাত ঃ ছিডনীত গৃহ ত্যাগ কৰিবলৈ বাধ্য হ'ল ৩২ হেজাৰ লোক




**নিউজ ব্যুৰ', ছিডনী, ৪ জুলাই ঃ** অষ্ট্ৰেলিয়াৰ ছিডনী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বসবাস কৰা ৩২ হেজাৰৰো অধিক লোকে নিজৰ ঘৰ-দুৱাৰ আন সুৰক্ষিত স্থানলৈ যাবলৈ বাধ্য হ'ল। স্থানীয় প্ৰশাসনে আজি অঞ্চলটোৰ পৰা এইসকল লোকক প্ৰাণ ৰক্ষাৰ বাবে নিৰাপদ স্থানত আশ্ৰয় ল'বলৈ নিৰ্দেশ দিলে। বিগত কে'বাদিন ধৰি অব্যাহত থকা প্ৰবল বৃষ্টিপাতৰ ফলত ছিডনী আৰু ইয়াৰ কাষৰীয়া অঞ্চলত বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ছিডনী চহৰতো বানে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ শংকাত প্ৰশাসনে অঞ্চলটোৰ বাসিন্দাসকলক নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। যোৱা শুকুৰবাৰৰ পৰা অব্যাহত থকা বৃষ্টিপাতত নদীবান্ধৰ পানী ওপচি পৰাৰ লগতে বান্ধ ভঙাৰ ফলত কমেও ৫০ লাখ লোকে ছিডনীত বিগত ডেৰ বছৰত চতুৰ্থবাৰৰ বাবে বান সমস্যাৰ সন্মুখীন হৈছে।

## হিমাচল প্ৰদেশত খাৱৈত পৰিল বাছ, স্কুলীয়া শিশুসহ নিহত কমেও ১৬



**নিউজ ব্যুৰ', কুল্লু, ৪ জুলাই ঃ** হিমাচল প্ৰদেশৰ কুল্লুত এখন বাছ খাৱৈত বাগৰি পৰাৰ ফলত স্কুলীয়া শিক্ষাৰ্থীসহ কমেও ১৬ জন যাত্ৰীৰ মৃত্যু হ'ল। খাৱৈত বাগৰি পৰা বাছখনৰ সন্মুখৰ ভাগ ধ্বংসস্তুপত পৰিণত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি সোমবাৰে পুৱা ৮-৩০ বজাত সাঁজগামী বাছখনে জংলা গাঁৱৰ ওচৰত এটা খাৱৈত বাগৰি পৰিছিল। দুৰ্ঘটনাৰ সময়ত বাছখনত ৪০ জন ছাত্ৰ-ছাত্ৰী আছিল। ঘটনা সংঘটিত হোৱাৰ খবৰ লাভৰ পাছতে জিলা বিষয়া আৰু উদ্ধাৰকাৰীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। বাছখনৰ পৰা কমেও ১৬ জন শিক্ষাৰ্থীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে আন আহতসকলক চিকিৎসালয়লৈ প্ৰশাসনে প্ৰেৰণ কৰে।

## ম'বাইল ফোনৰ স্ৰষ্টাৰ বিশ্ববাসীলৈ আহ্বান, ফোন আঁতৰাই ৰাখক, জীৱন উপভোগ কৰক



**নিউজ ব্যুৰ', চিকাগো, ৪ জুলাই ঃ** বিশ্বক প্ৰথম ৱায়াৰলেছ ফোন উদ্ভাৱন কৰি যোৱা শতিকাৰ ৭০ৰ দশকত চাঞ্চল্যৰ সৃষ্টি কৰিছিল মাৰ্টিন কুপাৰে। কুপাৰে উদ্ভাৱন কৰা মট'ৰ'লা ডাইনাটেক ৮০০০ এক্স নামৰ ম'বাইল ফোনটোৰে আৰম্ভ হোৱা উক্ত যাত্ৰাই আজি সমগ্ৰ বিশ্বকে সলনি কৰিলে। অথচ ম'বাইল ফোনৰ অন্যতম স্ৰষ্টা কুপাৰে দৈনিক মাত্ৰ পাঁচ শতাংশৰো কম সময় স্মাৰ্টফোন ব্যৱহাৰ কৰে। এই সন্দৰ্ভত কুপাৰে কয়, 'জীৱনক উপভোগ কৰিবলৈ হ'লে ম'বাইল ফোনৰ ব্যৱহাৰ কমকৈ কৰিব লাগিব।' আমেৰিকাৰ চিকাগোৰ বাসিন্দা কুপাৰে সম্প্ৰতি বিবিচিৰ এক সাক্ষাৎকাৰত প্ৰকাশ কৰা অনুসৰি দৈনিক তেওঁ পাঁচ শতাংশৰো কম সময় ম'বাইল ফোন ব্যৱহাৰ কৰে। যিসকলে দৈনিক অধিক সময় ম'বাইল ফোন ব্যৱহাৰ কৰে সেইসকল লোকলৈ আহ্বান জনাই ম'বাইল ফোনৰ এইজন স্ৰষ্টাই কয়, 'জীৱনক উপভোগ কৰিবলৈ শিকক। ম'বাইলৰ ব্যৱহাৰ কমাওক।' ১৯৭৩ৰ তিনি এপ্ৰিলত কুপাৰে বিশ্বৰ প্ৰথম ম'বাইল ফোনটো উদ্ভাৱন কৰিছিল। উক্ত দিনৰ কথা স্মৰণ কৰি কুপাৰে কয়, 'সেই ফোনটো আঢ়ৈ পাউণ্ড ওজনৰ আছিল। আকাৰত আছিল ১০ ইঞ্চি দীঘল। এবাৰ সম্পূৰ্ণকৈ চাৰ্জ দিলে ২৫ মিনিট বাৰ্তালাপ কৰিব পাৰি। বেটাৰী সম্পূৰ্ণকৈ চাৰ্জ দিবলৈ প্ৰয়োজন হৈছিল ১০ ঘণ্টাৰ।'






# গোৱালপাৰাত এমাহৰ ভিতৰত দুবাৰকৈ বদলি লাট মণ্ডুলক

## ■ গোৱালপাৰা জিলা প্ৰশাসন কৰ্মচাৰীসকলৰ মাজত বিৰাজ কৰিছে চেপা উত্তেজনা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৪ জুলাই ঃ** দুৰ্নীতিমুক্ত আৰু স্বচ্ছ প্ৰশাসনৰ বাবে চৰকাৰে নিৰ্দিষ্ট সময়ৰ মূৰে-মূৰে চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক বদলিৰ ব্যৱস্থা কৰিছে; কিন্তু গোৱালপাৰা জিলাৰ একাংশ লাট মণ্ডলক এমাহৰ ভিতৰত দুবাৰকৈ বদলিকৰণ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। শেহতীয়াভাৱে জিলা উপায়ুক্ত মীনাক্ষী দাস নাথে যোৱা ৩০ জুলাইত জি আৰ কে ৩/২০১৯ পিটি-১/২১ নম্বৰ নিৰ্দেশযোগে মাটিয়া ৰাজহ চক্ৰৰ লাট মণ্ডুল তহিদুৰ ৰহমানক ৰংজুলি ৰাজহ চক্ৰলৈ, দুধনৈ ৰাজহ চক্ৰৰ লাট মণ্ডুল গোলাম মোস্তফা আহমেদক বালিজানা ৰাজহ চক্ৰলৈ আৰু ৰংজুলি ৰাজহ চক্ৰৰ লাট মণ্ডুল পৰিমল নাথক মাটিয়া ৰাজহ চক্ৰলৈ বদলিকৰণ কৰে। উল্লেখ্য যে গোৱালপাৰাৰ জিলা উপায়ুক্তই যোৱা ২৭ মে'ত এক নিৰ্দেশনাযোগে ১০ গৰাকীকৈ লাট মণ্ডুলক বদলি কৰিছিল। ইয়াৰে জি আৰ কে. ৩/২০১৯ পিটি-১৫ বি নম্বৰযোগে ৰংজুলি ৰাজহ চক্ৰৰ তদানীন্তন লাট মণ্ডুল তহিদুৰ ৰহমানক মাটিয়া ৰাজহ চক্ৰলৈ আৰু জি আৰ কে. ৩/২০১ পিটি-১৫ চি নম্বৰযোগে দুধনৈ ৰাজহ চক্ৰৰ লাট মণ্ডুল গোলাম মোস্তফা আহমেদক মাটিয়া ৰাজহ চক্ৰলৈ বদলি কৰা হৈছিল। ইফালে, বদলীকৰণৰ পাছত তহিদুৰ ৰহমানে মাটিয়া ৰাজহ চক্ৰত যোগদান কৰিছিল যদিও গোলাম মোস্তফা আহমেদে দুধনৈ ৰাজহ চক্ৰতে কাৰ্যনিৰ্বাহ কৰি আছিল। বদলীকৰণৰ ৩৪ দিন পাছতেই তহিদুৰ ৰহমানক পুনৰ ৰংজুলিলৈ আৰু গোলাম মোস্তফা আহমেদৰ বদলিকৰণ সংশোধন কৰি মাটিয়াৰ পৰিৱৰ্তে বালিজানা ৰাজহ চক্ৰলৈ বদলি কৰা হৈছে। কেৱল এয়া নহয় কিছুমান লাট মণ্ডুলক বছৰৰ ভিতৰত তিনি- চাৰিবাৰকৈ বদলি কৰা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে কৰ্মচাৰীসকলৰ বদলিকৰণ এক স্বাভাৱিক প্ৰক্ৰিয়া যদিও গোৱালপাৰা জিলা প্ৰশাসনৰ জনৈক শৰ্মা উপাধিৰ বিষয়া এগৰাকীয়ে লাটমণ্ডুল বদলিকৰণৰ নামত উৎকোচৰ মুকলি বজাৰ সৃষ্টি কৰা বুলি নাম প্ৰকাশত অনিচ্ছুক একাংশ লাট মণ্ডুলে অভিযোগ উত্থাপন কৰিছে। বিষয়াগৰাকীক সন্তুষ্ট কৰিবলৈ সক্ষম হোৱাসকলে নিজৰ পছন্দ অনুযায়ী ৰাজহ চক্ৰলৈ বদলি হোৱাৰ ১৩ পৃষ্ঠাত চাওক



বঙাইগাঁৱত নৱনীতা হাজৰিকাৰ 'বহুজন বহুৰূপ' গল্প সংকলন গ্ৰন্থ উন্মোচন।

# ঢেকিয়াজুলিত 'আধুনিক নেপালী কবিতাৰ প্ৰবৃত্তি' শীৰ্ষক আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ৪ জুলাই ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে সাহিত্য একাডেমী, নতুন দিল্লীৰ সৌজন্যত আৰু নেপালী সাহিত্য সভাৰ শোণিতপুৰ জিলা সমিতিৰ সহযোগত কালি ঢেকিয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ত 'আধুনিক নেপালী কবিতাৰ প্ৰবৃত্তি' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। পুৱা ১০-৩০ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে আলোচনাচক্ৰখন আৰম্ভ কৰা হয়। সমাজকৰ্মী হেমসাগৰ উপাধ্যায়ে বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত সাহিত্য একাডেমীৰ নেপালী ভাষা পৰামৰ্শ সমিতিৰ সদস্য ক্ষেমৰাজ নেপালে আদৰণী ভাষণ দিয়ে। বিশিষ্ট সাহিত্যিক ডিল্লীৰাম খনালৰ পৰিচালনাত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত প্ৰবীণ লেখক-সাহিত্যিক গুৰুপ্ৰসাদ উপাধ্যায়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে । ইয়াৰ পাছত লেখক-সাহিত্যিক জ্ঞান বাহাদুৰ ছেত্ৰীৰ সঞ্চালনাত অনুষ্ঠিত প্ৰথম সত্ৰত ড° দৈৱকী দেৱী তিমছিনা, চন্দ্ৰ প্ৰসাদ ঘিমিৰে আৰু সুদক্ষিণা দেৱীয়ে নিৰ্দিষ্ট বিষয়ৰ ওপৰত যুগুত কৰা গৱেষণাপত্ৰ পাঠ কৰে । বিয়লি ১-৩০ বজাত সাহিত্য একাডেমীৰ নেপালী ভাষা পৰামৰ্শ সমিতিৰ প্ৰাক্তন সদস্য ডাঃ জমদগ্নি উপাধ্যায়ৰ সঞ্চালনাত অনুষ্ঠিত দ্বিতীয় সত্ৰত বিশিষ্ট লেখক মোহন সুবেদি, ৰেৱতী উপাধ্যায় আৰু নৱপ্ৰভা অধিকাৰীয়ে নিজৰ বিষয়বস্তুৰ ওপৰত যুগুত কৰা ১৩ পৃষ্ঠাত চাওক

# টিংখাঙত নাট্যচৰ্চাৰ উদ্দেশ্য ৰাজহুৱা সভা সম্পন্ন

## অসম নাট্য সন্মিলনৰ মূল শাখা সমিতি গঠন



অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ৪ জুলাই ঃ** অসম নাট্য সন্মিলনৰ টিংখাং শাখা সমিতিখন নতুনকৈ গঠনাৰ্থে টিংখাং প্ৰাথমিক শিক্ষক ভৱনত শিক্ষক অজিত গগৈৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। টিংখাং অঞ্চলৰ সমাজসেৱিকা তথা সাংস্কৃতিক কৰ্মী মনীষা কাকতিৰ আহ্বান ক্ৰমে কালি অনুষ্ঠিত ৰাজহুৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে বিশিষ্ট সমাজসেৱক যোগেশ বিকাশ চেতিয়াই। উদ্দেশ্য ব্যাখ্যাত তেওঁ টিংখাঙত বহু পূৰ্বৰে পৰাই নাট্যচৰ্চা হৈছিল আৰু তেতিয়াই বহু প্ৰতিভাসম্পন্ন অভিনেতা-অভিনেত্ৰীও সৃষ্টি হৈছিল আৰু সেই অনুক্ৰমে টিংখাঙৰ লগতে বহু ঠাইত শিল্পীসকলে ১৩ পৃষ্ঠাত চাওক

# জয়পুৰ জ্ঞানোদয় একাডেমীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৪ জুলাই ঃ** জয়পুৰ জ্ঞানোদয় একাডেমী (কনিষ্ঠ মহাবিদ্যালয়)ৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা পহিলা জুলাইত উদ্‌যাপন কৰে। দিনজোৰা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে নাহৰকটীয়া শাখা সাহিত্য সভাৰ সভাপতি তথা মহাবিদ্যালয়খনৰ জ্যেষ্ঠ প্ৰবক্তা প্ৰশান্ত কুমাৰ গগৈয়ে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে জয়পুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক পদ্ম বৰকটকীয়ে। অনুষ্ঠানত বক্তব্য আগবঢ়ায় দুৰ্‌ৰা পথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মুকুল বৰকটকী, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নীলকণ্ঠ সলাল, কেন্দুগুৰি শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য চামেলী নক্তে, নামৰূপ বিভিএফচি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিলীপ সিং, নাহৰকটীয়া মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক ড° কৃষ্ণকান্ত মালাকাৰ আৰু জয়পুৰ শাখা সাহিত্য সভাৰ সভাপতি প্ৰদীপ গোস্বামী। আৰম্ভণিতে আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষা জয়শ্ৰী সান্নালে। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে মুকুল বৰকটকীয়ে। অনুষ্ঠানত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতকাৰ্যতাৰে উত্তীৰ্ণ মুঠ ২১গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়খনৰ শুভাকাংক্ষী প্ৰশান্ত শৰ্মাই আগবঢ়োৱা গ্ৰন্থ প্ৰদান কৰে। অনুষ্ঠানত ১৩ পৃষ্ঠাত চাওক

# আইনসংগত সুবিধাৰ পৰা বঞ্চিত অন্যান্য পিছপৰা শ্ৰেণী

## ■ অসম ৰাজ্যিক অ'বিচি সংঘৰ অধীনত আঞ্চলিক-জিলা সমিতি গঠনেৰে ন্যায্য প্ৰাপ্য আদায়ৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৪ জুলাই ঃ** অসমৰ অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণে আইনসংগতভাৱে পাব লগা সুবিধাসমূহৰ পৰা আজিও বঞ্চিত হৈ আহিছে। এই সন্দৰ্ভত দেশৰ প্ৰধানমন্ত্ৰী প্ৰমুখ্যে অন্যান্য পিছপৰা শ্ৰেণীৰ স'তে জড়িত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মন্ত্ৰী, কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ অন্যান্য পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ, সাংসদ আৰু বিধায়কসকলক যথাসময়ত দৃষ্টিগোচৰ কৰিবৰ বাবে অন্যান্য পিছপৰা শ্ৰেণীক প্ৰতিনিধিত্ব কৰা কোনো এটা সংগঠন আজিকোপতি আগবাঢ়ি নাহিল। যাৰফলশ্ৰুতিত অন্যান্য পিছপৰা শ্ৰেণীৰ বিশেষকৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, অসমৰ ছাত্ৰ-ছাত্ৰী তথা অন্যান্য পিছপৰা শ্ৰেণী জনসাধাৰণ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে। ফলশ্ৰুতিত সকলোৰে মাজত সততা, একতা, শান্তি, প্ৰগতিৰ বাতাবৰণ গঢ়ি তুলি সমস্যাসমূহ সমাধানাৰ্থে আৰু সৰ্বাংগীণ উন্নয়নৰ বাবে অন্যান্য পিছপৰা শ্ৰেণীৰ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা পিছপৰা শ্ৰেণীৰ অন্তৰ্গত বিভিন্ন সম্প্ৰদায়ৰ লোকসকলৰ মাজত নিয়ম-শৃংখলা বৰ্তাই ৰাখি সকলোৰে স্বাৰ্থৰ প্ৰতি মনোযোগ দিয়াৰ লগতে উৎসাহ-ভ্ৰাতৃত্ববোধেৰে অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্গত ৩১টা জনগোষ্ঠীৰ হকে কাম কৰি যোৱাৰ সংকল্পৰে যোৱা ১২ জুনত গুৱাহাটীত জন্ম হোৱা অসম ৰাজ্যিক অ'বিচি সংঘ (আসাম ষ্টেট অ'বিচি ফেডাৰেছন) নামেৰে অৰাজনৈতিক তথা সামাজিক সংগঠনটোৱে এসপ্তাহৰ ভিতৰতে অৰ্থাৎ যোৱা ১৭ জুনত ১০ দফীয়া বিষয়সম্বলিত এখন স্মাৰকপত্ৰ অসম পিছপৰা শ্ৰেণী আয়োগক প্ৰদান কৰে বুলি জানিবলৈ দিছে। অসম ৰাজ্যিক অ'বিচি সংঘৰ সম্পাদক, সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱাই জানিবলৈ দিয়া মতে, অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে জাতি গণনা, পৃথক মন্ত্ৰণালয়, উন্নত অংশৰ ব্যৱস্থা বিলুপ্তিকৰণ, সংৰক্ষণৰ বাবে থকা ৫০ শতাংশ সীমাৰেখা বিলোপ সাধন, শিক্ষাৰ ক্ষেত্ৰত ২৭ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰা, ন্যায়পালিকাত সংৰক্ষণৰ ব্যৱস্থা কৰা, সংৰক্ষণৰ ভিত্তিত কৰ্মচাৰীসকলৰ ১৩ পৃষ্ঠাত চাওক

# তেজপুৰৰ নপাম আইটিচি কম্পিউটাৰ শিক্ষা কেন্দ্ৰৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৪ জুলাই ঃ** কালি তেজপুৰৰ নপামত অৱস্থিত আইটিচি কম্পিউটাৰ শিক্ষা কেন্দ্ৰৰ উদ্যোগত অলপতে ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা তথা কেন্দ্ৰটোত কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰি থকা ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনাই উৎসাহিত কৰে। কম্পিউটাৰ শিক্ষা কেন্দ্ৰৰ সভা ঘৰত অনুষ্ঠিত অনুষ্ঠানত সভাপতিত্ব কৰে ১৩ পৃষ্ঠাত চাওক

# টিহু মহাবিদ্যালয়ৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**টিহু, ৪ জুলাই ঃ** টিহুত ১৯৬৩ৰ চাৰি জুলাইত প্ৰতিষ্ঠা লাভ কৰা উচ্চ শিক্ষাৰ অনুষ্ঠান টিহু মহাবিদ্যালয়ৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° ৰমানন্দ দাসে। ইয়াৰ পাছত ১০-৩০ বজাত মহাবিদ্যালয়ৰ ডিজিটেল কনফাৰেন্স হলত এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰমানন্দ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ দিয়ে অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰে। মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক দ্বিপেন্দ্ৰ নাথ শৰ্মাই আঁত ধৰা সভাত অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া পৰিন্দ্ৰ দাস, টিহু সাহিত্য সভাৰ সভাপতি শংকৰ কুমাৰ দাস, টিহু মহাবিদ্যালয়ৰ উপাধ্যক্ষ বাবুল ডেকা, মহাবিদ্যালয় শিক্ষক গোটৰ সভানেত্ৰী ৰীতা ডেকা, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি মনোৰঞ্জন কলিতা আদিয়ে বক্তব্য ৰাখে।

# অনাতাঁৰ শিল্পী মঞ্চৰ সাধাৰণ সভা ঃ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৪ জুলাই ঃ** অনাতাঁৰ শিল্পী মঞ্চ, যোৰহাটৰ এখন সাধাৰণ সভা কালি সুৰৰ দেউল সংগীত বিদ্যালয়ত অনুষ্ঠিত হয়। মঞ্চৰ সভাপতি নিত্যৰঞ্জন বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত মঞ্চৰ উপদেষ্টা বিশিষ্ট গীতিকাৰ, নাট্যকাৰ অখিল চক্ৰৱৰ্তী, বিশিষ্ট সাংস্কৃতিক সংগঠক বুধিন শইকীয়া, বিশিষ্ট সংগীত শিল্পী চিন্ময় ভট্টাচাৰ্য, তৰুণ দত্ত প্ৰমুখ্যে ব্যক্তিৰ উপৰি সদস্যসকল উপস্থিত থাকে। বিগত সময়ত দেশৰ সাংস্কৃতিক জগতৰ পৰা হেৰাই যোৱা ব্যক্তিসকলৰ প্ৰতি সভাত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় । মঞ্চৰ সম্পাদক কেশৱ চন্দ্ৰ বৰাই বিগত বৰ্ষৰ জমা-খৰচৰ হিচাপ সভাত দাখিল কৰে। সভাই নিত্যৰঞ্জন বৰঠাকুৰক সভাপতি, ডাঃ দেৱজিৎ শৰ্মা, মিনু বৰুৱাক উপ-সভাপতি, কেশৱ চন্দ্ৰ বৰাক সম্পাদক, ৰঞ্জন দত্ত, পপী ঠাকুৰক সহকাৰী সম্পাদক, মিহিৰজ্যোতি বেজবৰুৱাক সাংস্কৃতিক সম্পাদক, কল্যাণ চাংকাকতী, হিমাৰানী কলিতা, সোমা গুহৰয়ক সাংস্কৃতিক উপ-কমিটীৰ সদস্য আৰু জ্যোমি বৰুৱাক প্ৰচাৰ সম্পাদকৰূপে লৈ অনাতাঁৰ শিল্পী মঞ্চৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে।

# কাইলৈ পশ্চিম বড়িগোগ দুৰ্গা মণ্ডপৰ মন্দিৰৰ উদ্বোধনী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৪ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা মণ্ডপ, দেহাৰকুছিৰ নৱনিৰ্মিত মন্দিৰটো অহা ছয় জুলাইত সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতি অনুযায়ী উদ্বোধনীৰ আয়োজন কৰিছে। তদুপলক্ষে সেইদিনা পুৱা আঠ বজাত শংকৰদেৱ বিদ্যা নিকেতন, বাহাৰঘাটৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা মংগলাচৰণৰ পাছতে মণ্ডপৰ পতাকা উত্তোলন কৰিব মণ্ডপ পৰিচালনা সমিতিৰ সভাপতি নিৰঞ্জন চন্দ্ৰ ডেকাই। স্মৃতি তৰ্পণ আৰু ভূমিদাতা ১৩ পৃষ্ঠাত চাওক

# নাহৰকটীয়াত অসমীয়া ভাষাৰ উচ্চাৰণ-কবিতা আবৃত্তিৰ কৰ্মশালাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৪ জুলাই ঃ** নাহৰকটীয়াৰ শ্ৰুতি সংগীত বিদ্যালয়ৰ কাব্যকানন আৰু সোণালী শৈশৱ মইনা পাৰিজাতৰ উদ্যোগত যোৱা এক জুলাইৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে নাহৰকটীয়াৰ নতুন উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত অসমীয়া ভাষাৰ উচ্চাৰণ আৰু কবিতা আবৃত্তিৰ কৰ্মশালা কালি নাহৰকটীয়া মহাবিদ্যালয়ত সামৰণি পৰে। নাহৰকটীয়াৰ লগতে ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ অংশগ্ৰহণেৰে অনুষ্ঠিত কৰ্মশালাৰ প্ৰথম দিনৰ কাৰ্যসূচীত সমল ব্যক্তিৰূপে উপস্থিত থাকে কবি, আবৃত্তিকাৰ শান্তিছায়া শইকীয়া। শ্ৰুতি সংগীত বিদ্যালয়ৰ অধ্যক্ষ কমল মজুমদাৰে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানত সমল ব্যক্তি শান্তিছায়া শইকীয়াই কবিতাৰ আবৃত্তিত অসমীয়া ভাষাৰ উচ্চাৰণ শুদ্ধ কৰিবৰ বাবে প্ৰয়োজনীয় দিশসমূহৰ বিষয়ে প্ৰশিক্ষাৰ্থীৰ মাজত আলোকপাত কৰে। কৰ্মশালাৰ দ্বিতীয় দিনৰ কাৰ্যসূচীত সমল ব্যক্তিৰূপে উপস্থিত থাকে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ বাতৰি পৰিৱেশক তথা কবিৰত্ন, শিক্ষক বেদান্ত প্ৰসাদ বৰুৱা। নাহৰকটীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰ্মশালাৰ সামৰণি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি সামৰণি অনুষ্ঠান মুকলি কৰে নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰে। কৈশৱ প্ৰতিমা বৰুৱাই আঁত ধৰা অনুষ্ঠানত কাব্য কাননৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিভিন্ন কবিতা আবৃত্তি পৰিৱেশন কৰে। অনুষ্ঠানত নতুন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্ব মোহন চুতীয়া, জয়ানন্দ বৰুৱা, দেৱ বৰুৱা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক গৌৰাংগ গগৈ, কৰ্মশালাৰ সমল ব্যক্তি বেদান্ত প্ৰসাদ বৰুৱা, ৰেজিয়া বেগম, সাংবাদিক সীমান্ত ভাগৱতী, বিদ্যুৎ মহন্ত আদিকে ধৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ শেষত প্ৰতিজন প্ৰশিক্ষাৰ্থীক একোখনকৈ মানপত্ৰ প্ৰদান কৰে।

# চেঙাৰ কাছুমাৰা-মহচৰাত ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়া অব্যাহত

## ■ তাৎক্ষণিক পদক্ষেপ ল'বলৈ সাংসদ খালেকৰ পাঁচ লাখ প্ৰদান

**আলোপতি, ৪ জুলাই ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা, মহচৰাত ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়া অব্যাহত আছে। এইবাৰ বাৰিষা আৰম্ভ হোৱাৰে পৰা অব্যাহত আছে ধ্বংসলীলা। ইতিমধ্যে অঞ্চলটোৰ শ শ কৃষিভূমি, বহু পৰিয়ালৰ ঘৰ-দুৱাৰ, একাধিক অনুষ্ঠান-প্ৰতিষ্ঠান খহনীয়াৰ কবলত পৰি নৈৰ বুকুত জাহ গৈছে। খহনীয়াই অঞ্চলটোৰ কাছুমাৰা-মহচৰা-সোণতলী সংযোগী লোক নিৰ্মাণ বিভাগৰ পকী পথছোৱা একাংশ ছিগি নি যাতায়াত ব্যৱস্থা বিচ্ছিন্ন কৰি পেলোৱাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। খহনীয়াই অঞ্চলটোলৈ তীব্ৰ ভাবুকি সৃষ্টি কৰিছে।

কালি মহচৰাৰ আজাহাৰ আলী পুথিভঁৰাল আৰু লুইতপৰীয়া নৱজ্যোতি ক্লাব গৃহ প্ৰবল খহনীয়াত পৰি নৈৰ বুকুত জাহ যায়। সম্প্ৰতি দিনে-নিশাই খহনীয়া অব্যাহত থকাত নৈপৰীয়া কাছুমাৰা-মহচৰা অঞ্চলৰ ৰাইজ আতংকময় পৰিৱেশৰ মাজত দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে। অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৰপেটাৰ সাংসদ আব্দুল খালেকে তেওঁৰ সাংসদ পুঁজিৰ পৰা পাঁচ লাখ আবণ্টন দিয়ে। চেঙাৰ কাছুমাৰা আৰু ম'হচৰাত অব্যাহত ভয়াৱহ খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ আৰু বৰপেটা জিলা প্ৰশাসনক অঞ্চলটোৰ ৰাইজে অনুৰোধ জনাইছে।

# বেলশৰ কেন্দ্ৰীয় সমাজ কল্যাণ সমিতিৰ ৭২ কৃতী শিক্ষাৰ্থীক বিশেষ অভিনন্দন জ্ঞাপন

অগ্ৰদূত বাৰ্তা

**চামতা, ৪ জুলাই ঃ** নলবাৰী জিলাৰ বেলশৰৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান বেলশৰ কেন্দ্ৰীয় সমাজ কল্যাণ সমিতিৰ উদ্যোগত কালি বেলশৰত অনুষ্ঠিত এক অভিনন্দন অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগ লাভ কৰি কৃতিত্বৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ মুঠ ৭২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। এই উপলক্ষে কালি দিনৰ প্ৰায় ১২ বজাত বেলশৰ কেন্দ্ৰীয় সমাজ কল্যাণ সমিতিৰ প্ৰাংগণত সমিতিৰ সভাপতি ধৰণীধৰ ঠাকুৰীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত হয় এক বিশেষ অভিনন্দন অনুষ্ঠান। অনুষ্ঠানত সমিতিৰ উপদেষ্টা তথা জ্যেষ্ঠ সমাজকৰ্মী অনন্ত মেধি, বেলশৰৰ ছহিদ স্মৃতি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিপুল কুমাৰ দাস, অসম ইঞ্জিনীয়াৰিং কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° নৃপেন্দ্ৰ নাথ ১৩ পৃষ্ঠাত চাওক

# অসম মৰাণ সভা, মহিলা পৰিষদৰ অধিবেশন

অগ্ৰদূত বাৰ্তা

**তালাপ, ৪ জুলাই ঃ** অসম মৰাণ সভা তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ অষ্টম ত্ৰি-বাৰ্ষিক আৰু মৰাণ জাতীয় মহিলা পৰিষদৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশনখন কালি সফলতাৰে সম্পন্ন হয়। উল্লেখ্য যে দুই আৰু তিনি জুলাইত বৰ্ণাঢ্য কাৰ্যসূচীৰে কৰ্দৈগুৰি অঞ্চলৰ এক নম্বৰ কৰ্দৈগুৰি (ভতিয়ামখাল) ৰাজহুৱা প্ৰেক্ষাগৃহ (ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰ)ত অধিবেশনখন অনুষ্ঠিত হয়। দুই জুলাইৰ পুৱা ক্ষেত্ৰ উদ্বোধন, তোৰণ উদ্বোধনৰ পাছতেই দুয়োটা সংগঠনৰ সভাপতিয়ে পতাকা উত্তোলন, সম্পাদকদ্বয়ে স্মৃতি তৰ্পণ কৰে। গছপুলি ৰোপণৰ পাছতেই ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া দুয়োটা সংগঠনৰ প্ৰতিনিধি সভা সুকীয়া সুকীয়াকৈ অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত সম্পাদকীয় প্ৰতিবেদন, বিত্তীয় প্ৰতিবেদন দুয়োখন গৃহীত হয়। উক্ত সভাতেই পুলিন মৰাণ সভাপতি, ৰমন মৰাণ সাধাৰণ সম্পাদক হিচাপে থকা তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাখন ভংগ কৰি ৰণ্টু ডাঙৰীয়াক সভাপতি, অনিল মৰাণক সাধাৰণ সম্পাদক হিচাপে আগন্তুক তিনি বছৰৰ বাবে নতুন কাৰ্যনিৰ্বাহ সমিতি এখন গঠন কৰে। আনহাতে, শেৱালী দহোতীয়া কাকতি সভানেত্ৰী আৰু চনা চেতিয়া মৰাণ সাধাৰণ সম্পাদিকা হিচাপে থকা তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ জাতীয় মহিলা পৰিষদৰ সমিতিখন ভংগ কৰি মামণি মৰাণক সভানেত্ৰী আৰু লুলুমণি মৰাণক সাধাৰণ সম্পাদিকা হিচাপে লৈ নতুন সমিতি গঠন কৰে। কালি তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাৰ সভাপতি পুলিন মৰাণ আৰু তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ জাতীয় মহিলা ১৩ পৃষ্ঠাত চাওক

# চিৰাঙৰ বানপানীত মৃত্যুমুখত পৰা আত্মীয়ক ক্ষতিপূৰণৰ চেক বিতৰণ

অগ্ৰদূত বাৰ্তা


**কাজলগাঁও, ৪ জুলাই ঃ** চিৰাঙৰ বানপানীত মৃত পৰিয়াললৈ চৰকাৰী ক্ষতিপূৰণৰ চেক বিতৰণ কৰা হয়। চিদলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী আৰু বিটিচিৰ সুবাইঝাৰ সমষ্টিৰ এমচিএলএ প্ৰভাত বসুমতাৰীয়ে কালি দৈছুমগুৰী গাঁৱৰ প্ৰয়াত শৈলেন বসুমতাৰী আৰু তুলসীঝোৰা গাঁৱৰ প্ৰয়াত জিৱেশ্বৰ বড়োৰ পৰিয়ালৰ সদস্যসকলক চাৰি লাখ টকাৰ ক্ষতিপূৰণৰ চেক বিতৰণ কৰে। তেওঁলোক দুজনে শেহতীয়াকৈ হৈ যোৱা বানপানীৰ সময়ত মাক্ৰাচক্ৰ বিষয়া মাৰিয়া তানিম আৰু চক্ৰ বিষয়া (সংলগ্ন) ড° ইলা বনিয়াৰ উপস্থিতিত পৰিলয়ালবোৰক বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি জিলা প্ৰশাসনে তৎকালীনভাৱে এই ক্ষতিপূৰণৰ চেক বিতৰণ কৰে।

# বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰকৃততেই আধুনিক অসমীয়া সাহিত্যৰ বিৰিঞ্চি আছিল

## ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱনৰ আধাৰত ড° ভূপেন শইকীয়াৰ উপন্যাস 'খণ্ডীয়াল' উন্মোচন

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৪ জুলাই ঃ** বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰকৃততে আধুনিক অসমীয়া সাহিত্যৰ বিৰিঞ্চি আছিল। আধুনিক অসমীয়া সাহিত্য বিৰিঞ্চি বৰুৱাৰ জীৱনৰ বাটৰেই বাট বুলি বৰ্তমানৰ পৰ্যায় পাইছেহি বুলি কালি তেজপুৰ সাহিত্য সভা ভৱনত মন্তব্য কৰে বিশিষ্ট সাহিত্য সমালোচক, চিন্তাবিদ, অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰভাত বৰাই। উল্লেখ্য যে তেজপুৰ সাহিত্য সভাৰ উদ্যোগত কালি অনুষ্ঠিত ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মৰণ' শীৰ্ষক এক বিশেষ মনোজ্ঞ অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে বিশিষ্ট চিন্তাবিদ তথা সাহিত্য সমালোচক প্ৰভাত বৰাই। অৱসৰপ্ৰাপ্ত অধ্যাপক বৰাই এই অনুষ্ঠানত তেজপুৰ সাহিত্য সভাৰ সভাপতি তথা ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট ঔপন্যাসিক ড° ভূপেন শইকীয়াই ৰচনা কৰা আৰু অসমৰ অভিজাত প্ৰকাশন প্ৰতিষ্ঠান 'কথা'ই প্ৰকাশ কৰি উলিওৱা ৩৮৪ পৃষ্ঠাৰ বৃহৎ কলেবৰৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আধাৰিত উপন্যাস 'খণ্ডীয়াল' উন্মোচন কৰি ভাষণ প্ৰসংগত ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সাহিত্যিক মূল্যায়ন কৰি আৰু কয়, 'অসমীয়া জাতিটো গঢ়ি তুলিবলৈ হ'লে লোকসংস্কৃতিৰ ভেটি সবল কৰি তুলিব যে লাগিব সেই কথা বিৰিঞ্চি কুমাৰ বৰুৱাই গভীৰভাৱে অনুধাৱন কৰিছিল আৰু সেয়েহে আধুনিকতাবাদী ১৩ পৃষ্ঠাত চাওক



# সৰুপথাৰ আৰক্ষী থানাৰ সৌজন্যত মহাপুৰুষীয়া ভাওনা 'সাৱিত্ৰী সত্যৱান' প্ৰদৰ্শন

**সৰুপথাৰ, ৪ জুলাই ঃ** খাকী পোছাকৰ পৰিৱৰ্তে ধুতি-পাইজামা আৰু ডিঙিত গামোচা পৰিধান কৰি ভকত সেৱা কৰিলে সৰুপথাৰ আৰক্ষীয়ে। ধনশিৰি আৰক্ষী প্ৰশাসনে মাজে-সময়ে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰি আৰক্ষী আৰু জনসাধাৰণৰ মাজত সু-সম্পৰ্ক গঢ়ি তুলিবলৈ যত্ন কৰিছে। বিশেষকৈ ধনশিৰি মহকুমাৰ মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা আৰু সৰুপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জিতুমণি ডেকা সৰুপথাৰলৈ অহাৰে পৰা নিজ কৰ্তব্য পালন কৰাৰ লগতে আৰক্ষী আৰু সৰুপথাৰবাসী ৰাইজৰ মাজত সম্পৰ্ক স্থাপনত গুৰুত্ব আৰোপ কৰিছে। যোৱা দুই জুলাইত সৰুপথাৰ আৰক্ষী থানাৰ সৌজন্যত তথা টেন্ট ডেক'ৰেটৰ আৰু সৰুপথাৰবাসী ৰাইজৰ সহযোগত সৰুপথাৰ ৰাজহুৱা খেলপথাৰ প্ৰাংগণত আটকধুনীয়াকৈ সজাই দিনজোৰা কাৰ্যসূচীৰে ৰাজহুৱা নাম আৰু ভাওনা প্ৰদৰ্শন কাৰ্যসূচী সম্পন্ন কৰে। পৰিচালক ৰেৱ চুতীয়াৰ পৰিচালনাৰে মহাপুৰুষীয়া ভাওনা 'সাৱিত্ৰী সত্যৱান' ভাওনাৰ অভিনেতাসকলৰ দক্ষ অভিনয়ে সকলোকে আকৰ্ষিত কৰাৰ লগতে সমগ্ৰ সৰুপথাৰ ৰাজহুৱা খেলপথাৰৰ পৰিৱেশ বৈকুণ্ঠময় হৈ পৰে। আৰক্ষীয়ে জনসাধাৰণৰ লগত সু-সম্পৰ্ক গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা এনেধৰণৰ মহান পদক্ষেপক সকলোৱে উচ্চ প্ৰশংসা কৰিছে। আনহাতে, মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা আৰু সৰুপথাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জিতুমনি ডেকায়ো সমগ্ৰ ধনশিৰি মহকুমাতে সিঁচৰতি হৈ থকা শিশু, যুৱক-যুৱতী, বৃদ্ধ-বনিতাৰ মাজত থকা ক্ৰীড়া, সাংস্কৃতিক, চিত্ৰশিল্পী, ধৰ্মীয় ৰীতি-নীতি আদি নানান বিষয়ত থকা সুপ্ত প্ৰতিভাক শলাগ লয় আৰু সৰু ঠাই হ'লেও মহকুমাটোৰ লোকসকল সকলো দিশতে আগবঢ়াৰ বাবে প্ৰশংসা কৰে।

## হাইস্কুলৰ পৰা উচ্চতৰ মাধ্যমিকলৈ উন্নীত বিদ্যালয়ৰ সমস্যা

### ■ বৰমাত গুৰুত্বপূৰ্ণ আলোচনা

**বৰমা, ৪ জুলাই ঃ** অসম চৰকাৰে ৰাজ্যৰ বিভিন্ন জিলাৰ একাংশ হাইস্কুল উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰিছে যদিও সেই অনুসৰি বিদ্যালয়বিলাকৰ আন্তঃগাঁথনিৰ যথেষ্ট সমস্যা পৰিলক্ষিত হৈছে। বাগ্‌সা জিলাতো হাইস্কুলৰ পৰা উচ্চতৰ মাধ্যমিকলৈ উন্নীত বিদ্যালয়ৰ সমস্যা সন্দৰ্ভত যোৱা দুই জুলাইত বৰমা ছোৱালী হাইস্কুলত এখন সভা অনুষ্ঠিত হয়। নতুনকৈ উন্নীতকৰণ কৰা বাগ্‌সা জিলাৰ ১৫খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'অধ্যক্ষ গোট'ৰ এখন বৈঠক সুনন্দ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত বিদ্যালয়কেইখনৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰে। সভাত শশীন খাটনিয়াৰক সভাপতি, সুনন্দ কলিতাক সম্পাদক আৰু বাকী ১৩গৰাকী অধ্যক্ষক সদস্য হিচাপে লৈ সৰ্বসন্মতিক্ৰমে এখন তদৰ্থ কমিটী গঠন কৰা হয়। সভাত বিদ্যালয়সমূহত নিৰ্দিষ্ট সংখ্যক বিষয় শিক্ষকৰ অভাৱ, প্ৰয়োজনীয় ডেস্ক-বেঞ্চৰ অভাৱ আদি সমস্যাসমূহৰ সমাধানাৰ্থে বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োক লগ কৰি আবেদনপত্ৰ প্ৰদান কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰে। তদুপৰি অসমৰ নতুনকৈ উন্নীত হোৱা প্ৰতিখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ক লৈ ১৫ জুলাইৰ ভিতৰত এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হ'ব বুলিও এটা সিদ্ধান্ত গ্ৰহণ কৰি ৯৪০১১৭৪৪৪৬ আৰু ৯৪০১৬৪৬৬৬৩ এই নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায়।

## উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক কৰ্দৈগুৰি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ৪ জুলাই ঃ** কৰ্দৈগুৰি নামঘৰ প্ৰাংগণত ৩০ জুনৰ বিয়লি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰীক কৰ্দৈগুৰি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। কৰ্দৈগুৰি গাঁও সংগঠন সমিতিৰ সম্পাদক মণ্টু কুমাৰ উজীৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত শিক্ষক প্ৰাণজিৎ কলিতাই কয় যে কৰ্দৈগুৰি গাঁৱৰ পৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে উৎসাহ যোগোৱাৰ উদ্দেশ্যে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাৰ জৰিয়তে তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। সভাত শিক্ষক মাধৱ কলিতাৰ লগতে প্ৰশিক্ষণ কেন্দ্ৰৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## নাজিৰাৰ স্বৰাজ একাডেমী প্ৰতিষ্ঠাৰ ১৫ বৰ্ষত উপনীত



অগ্ৰদূত বাৰ্তা
**নাজিৰা, ৪ জুলাই ঃ** নাজিৰাৰ ব'ৰ্ডিং ৰোডত অৱস্থিত ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্বৰাজ একাডেমীয়ে ২৫ জুনত প্ৰতিষ্ঠাৰ ১৫টা বৰ্ষ অতিক্ৰম কৰা উপলক্ষে প্ৰাক্তন আৰু নৱাগত ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ উপস্থিতিত 'স্ফটিক জয়ন্তী' অভিহিত এক সভাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'আৰোহণ' উন্মোচন কৰে নাজিৰাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে। আনহাতে মিনাক্ষী বৰগোহাঞি সম্পাদিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লেখণিৰে সমৃদ্ধ জয়ন্তী বৰ্ষৰ আলোচনী 'অনুৰণন' আমন্ত্ৰিত বিশিষ্ট অতিথিসকলৰ হাতেৰে উন্মোচন কৰা হয়। মহকুমাধিপতি সব্যসাচী কাশ্যপে মুখ্য অতিথি হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক বিকাশৰ দিশত সংগঠিত শিক্ষানুষ্ঠানে প্ৰদৰ্শন কৰা পাথেয় আৰু অনুশীলনে জীৱনৰ লক্ষ্য প্ৰাপ্তিলৈ আগুৱাই নিয়ে বুলি কয়। ছাত্ৰ-ছাত্ৰীসকলে সেয়ে সফলতাৰ বাট বোলোতে অনুশাসন বৈৰী আচৰণ কৰা অনুচিত বুলি প্ৰসংগত উল্লেখ কৰে।

### প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লেখাৰে প্ৰকাশ 'অনুৰণন'

নাজিৰা কলেজৰ অধ্যক্ষ ড° ৰাজু ফুকন, জ্যেষ্ঠ অধ্যাপক ড° জীৱন কলিতা, সাংবাদিক ভাস্কৰজ্যোতি বৰগোহাঞি, নাজিৰাৰ পৌৰপতি বৰ্ণালী চেতিয়া, ৱাৰ্ড কমিছনাৰ গীতাঞ্জলী দত্ত প্ৰমুখ্যে বিশিষ্ট অতিথিসকলে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু বৌদ্ধিক মান আহৰণৰ কালছোৱাত একোজন নিৰ্দিষ্ট শ্ৰেণীৰ দক্ষ আৰু পৰিপক্ক ছাত্ৰ হৈ উঠাৰ দিশত মনোনিৱেশৰ আহ্বান জনায়। অসম সংগীতৰে আৰম্ভ কৰা কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰে বিষয় শিক্ষয়িত্ৰী মিনাক্ষী বৰগোহাঁয়ে। অধ্যক্ষ অসমী গগৈ বৰুৱাই সমাজৰ প্ৰয়োজনৰ ভিন্ন দিশ সামৰি নিজ হাতৰ দক্ষতাৰে স্বাৱলম্বী সেৱা আগবঢ়াই অহাৰ বাবে লক্ষীৰাম নাথ, অনিল গগৈ আৰু অভিভাৱক পৱন তামুলীক গামোচাৰে অভিনন্দন যাচে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হিচাপে চৰকাৰী নিযুক্তি সংস্থাপিত পল্লৱজ্যোতি বৰা, উৎপল বৰুৱা, কাব্যশ্ৰী ৰাজকুমাৰী ধ্ৰুৱজ্যোতি গগৈ, ফটোগ্ৰাফাৰ প্ৰদ্যুৎ হাতীমূৰীয়াৰ চিনাকি দাঙি ধৰা হয়।

## গড়আলি ভোলানাথ হাইস্কুলত বিদায় সম্বৰ্ধনা সভা



অগ্ৰদূত বাৰ্তা
**শালবাৰী, ৪ জুলাই ঃ** বাগ্‌সাৰ জালাহ শিক্ষাখণ্ডৰ অন্তৰ্গত তথা আনন্দ বজাৰ হাটখোলাস্থিত গড়আলি ভোলানাথ হাইস্কুলত যোৱা ৩০ জুনত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। হাইস্কুলখনৰ দুগৰাকীকৈ শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে ৰামচৰণ তালুকদাৰ আৰু যমুনা দাসক সভাৰ জৰিয়তে বিদায় সম্বৰ্ধনা জনোৱা হয়। সেই উপলক্ষে স্থানীয় হাটখোলা গাঁৱৰ শিক্ষক দ্বীজেন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখন সভা। গড়আলি ভোলানাথ হাইস্কুলৰ প্ৰধান শিক্ষক নিকুঞ্জ কলিতাই আদৰণি ভাষণ আগবঢ়োৱা আৰু সহকাৰী শিক্ষক গুণজিৎ দাসে আঁতধৰা সভাত বিদ্যালয়ৰ ফালৰ পৰা শিক্ষক ৰামচৰণ তালুকদাৰ আৰু শিক্ষয়িত্ৰী যমুনা দাসক ফুলাম গামোচা, জাপি, শৰাই, কীৰ্তনঘোষা, কলম, সম্বৰ্ধনা পত্ৰ, ৰাধাকৃষণৰ ফটো, ফুলৰ মালা, মিঠাইৰ টোপোলা আদিৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। একেদৰে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ফালৰপৰাও ফুলাম গামোচা, জাপি, কিতাপ, গছপুলি আদিৰে দুয়োগৰাকী শিক্ষক-শিক্ষয়িত্ৰীকে সম্বৰ্ধনা জনোৱা হয়। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে প্ৰাক্তন ছাত্ৰ তথা বৰ্তমানৰ এগৰাকী টে'ট শিক্ষক সঞ্জীৱ কুমাৰ দাসে। সভাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা বক্তব্য ৰাখে লাচিত কলিতাই। ইয়াৰ পূৰ্বে পুৱাৰ ভাগৰ কাৰ্যসূচী মৰ্মে বিদ্যালয় চৌহদত বৃক্ষৰোপণ কৰে বিদায়ী সম্বৰ্ধিত শিক্ষক ৰামচৰণ তালুকদাৰ আৰু যমুনা দাসে। ছাত্ৰ-ছাত্ৰীৰ বক্তব্য, শিক্ষাক-শিক্ষয়িত্ৰীৰ বক্তব্য, বিদায়ী প্ৰাৰ্থীৰ বক্তব্য, শলাগৰ শৰাই আৰু সভাপতিৰ বক্তব্য আৰু মন্তব্যৰে সভাৰ সামৰণি পৰে। উল্লেখ্য যে শিক্ষক তালুকদাৰে ১৯৯১ আৰু দাসে ১৯৮৮ত বিদ্যালয়খনত যোগদান কৰি সুদীৰ্ঘকাল মানৱ সম্পদ গঢ়াৰ অৰ্থে সেৱা আগবঢ়াই আহিছিল।

### ■ পানীযোগান প্ৰকল্পত ব্যাপক অনিয়ম-অনীতি ঃ খোৱাপানী বিচাৰি হাহাকাৰ ৰাইজৰ

# পূব নলবাৰীত বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত



*কাজলগাঁৱত বানত মৃত্যু হোৱা পৰিয়ালৰ লোকক প্ৰশাসনৰ চেক বিতৰণ।*

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ৪ জুলাই ঃ** বিশুদ্ধ খোৱাপানী আঁচনি এখন চৰকাৰে ৰূপায়ণ কৰিছে যদিও জিলা পৰিষদ, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু পৌৰ নিকায় আদিৰ ব্যাপক অনিয়ম-দুৰ্নীতিৰ বাবে বহু ঠাইত ৰাইজে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। বিশুদ্ধ পানী যোগানৰ বাবে চৰকাৰে লোৱা আঁচনিয়ে যে ৰাইজক সামৰি ল'ব পৰা নাই তাকে প্ৰতিপন্ন হৈছে নলবাৰী জিলাৰ বৃহত্তৰ পূব নলবাৰী অঞ্চলৰ ভালে সংখ্যক গাঁৱত। উল্লেখ্য যে বৃহত্তৰ পূব নলবাৰী অঞ্চলৰ প্ৰায় অৰ্ধশতাধিক গাঁৱত জনসংখ্যা অনুপাতে প্ৰয়োজনীয় দমকল নাই। ফলত খোৱাপানীৰ ক্ষেত্ৰত অসুবিধাত পৰা বহু পৰিয়ালে দূৰদূৰণিৰ দমকল বিচাৰি নতুবা অন্য কোনো ব্যৱস্থাৰে পানী খাব লগাত পৰিছে। এই বিষয়টোৱে স্বাস্থ্য ক্ষেত্ৰতো জটিলতাৰ সৃষ্টি কৰিছে। প্ৰাপ্ত বাতৰি মতে, পূব নলবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত খাতা বতাহঘিলা জিলা পৰিষদৰ ছখন পঞ্চায়তেতে চৰকাৰী দমকলৰ যোগান তেনেই নগণ্য। যাৰ ফলত সৰিয়হতলী, বৰসৰকুছি, নমাটি, ধনতোলা, কেন্দুকুছি, তেৰেছীয়া, বালিকুছি, কটৰা, দীঘেলী, বালিলেছা, ভুনুকুছি, সন্ধা, বৰমুৰিকোণা, জাজিয়াবাৰী আদি গাঁওসমূহৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে চৰকাৰী দমকল নোপোৱা বাবে খোৱাপানীৰ পৰা বঞ্চিত হৈ আহিছে । আনহাতে, বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত আল্লিয়া, খাতিকুছি, বালিতাৰা, চটাইবাৰী, বৰাজোল, ঘগ্ৰাপাৰ, দতৰা, দিহজাৰী, দেহাৰকুছি গাঁও পঞ্চায়তকে ধৰি ১১ নম্বৰ দেহাৰকুছি পঞ্চায়তৰ বৰখালা, চমাৰকুছি, চতমা, বাহাৰঘাট আদি গাঁৱত বহু ৰাইজে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আছে। ১২ নম্বৰ দতৰা গাঁও পঞ্চায়তৰ থানপাতকুছি, চতমা, ধুৰকুছি, গুৱাকুছি, নাৰপাৰা আদিকে ধৰি বহু গাঁৱৰ ৰাইজে দমকল পোৱা নাই। ইফালে ঘগ্ৰাপাৰ হৰিমন্দিৰ, বিলপাৰ পানী যোগান আঁচনি, আকনা পানী যোগান আঁচনি, চতমা পানী যোগান আঁচনি, বাঘমাৰা পানী যোগান প্ৰকল্প, পৈছাৰা পানী যোগান আঁচনি আৰু গুৱাকুছি পানী যোগান আঁচনিত পুনৰ নিৰ্মাণ কৰাৰ নামত চৰকাৰে লাখ লাখ টকা আৱণ্টিত দিলে যদিও বিভাগীয় কৰ্তৃপক্ষ আৰু ঠিকাদাৰ হেমাহিত সংশ্লিষ্ট আঁচনিখনৰ অধিকাংশক ৰাইজে আজিও এটুপিও বিশুদ্ধ খোৱা পানী নোপোৱাৰ অভিযোগ উঠিছে। ইয়াৰে একাংশ আঁচনিৰ পাইপ ফাটি-ছিঙি এক ভেঁকোভাওনাত পৰিনিত হোৱাৰ উপৰি একাংশ হিতাধিকাৰীয়ে আজি নল সংযোগ নাপালে। ঠিক সেইদৰে জিলাখনৰ বৰভাগ অঞ্চলৰ বহু ৰাইজে আজিও বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আছে। অঞ্চলটোৰ বানপীড়িত বৰবুকিয়া, বৰশিমলুৱা, সানেকুছি, আৰাংগমৌ, দোকোহা আদি গাঁওসমূহৰ বহু দুখীয়া ৰাইজে চৰকাৰৰ পৰা দমকল পোৱা নাই। এইসকল ৰাইজে খোৱাপানীৰ বাবে হাহাকাৰ কৰি থাকিব লগা হৈছে ।

উল্লেখ্য যে জিলা পৰিষদ, গাঁও পঞ্চায়ত নাইবা আঞ্চলিক পঞ্চায়তৰ জৰিয়তে বিভিন্ন আঁচনিত প্ৰতিবছৰে দমকল বহুৱাই বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ নামত বহু টকা ধাৰ্য কৰা হয় যদিও আঁচনিখনত ব্যাপক অনিয়ম-অনীতি সংঘটিত হোৱাৰ ফলত ৰাইজে উপকৃত হোৱাৰ পৰা বঞ্চিত হৈ আহিছে। আনকি বহু ক্ষেত্ৰত আঁচনিখনৰ নামত ধন আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। আনহাতে, নিম্নমানৰ সামগ্ৰীৰে বহুওৱা দমকলসমূহ সঘনাই বা দুদিন পাছতেই অচল হৈ পৰা দেখা গৈছে। এনেদৰে বছৰ বছৰ ধৰি গ্ৰামাঞ্চলৰ দুখীয়া ৰাইজে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আহিছে। লাখ লাখ টকাৰে নিৰ্মাণ কৰা গুৱালকুছি পানী যোগান আঁচনিখন মাত্ৰ কেইদিনমানহে চলিছিল যদিও আজিও বিশুদ্ধ পানী পোৱা নাই ৰাইজে। নলবাৰীৰ বিভাগীয় কৰ্তৃপক্ষৰ চৰম হেমাহিৰ বাবে গুৱালকুছি পানী যোগান আঁচনিখন বন্ধ হৈ আছে। সম্প্ৰতি কাৰ্যবাহী অভিযন্তাগৰাকীৰ বাবেই জিলাখনৰ সমান্তৰালভাৱে নলবাৰী সমষ্টিৰ বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ বহুকেইখন পানী যোগান আঁচনি এক প্ৰকাৰ ভেঁকোভাওনাত পৰিগণিত হোৱাৰ উপৰি ঘৰ ঘৰ জল ঘৰ ঘৰ নল এই শীৰ্ষক শ্ল'গানতে আবদ্ধ থাকিল বুলি স্থানীয় আছুকে ধৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে অভিযোগ কৰিছে। লগতে এই সংগঠন দুয়োটাই সংশ্লিষ্ট পানী যোগান আঁচনিসমূহ অতি শীঘ্ৰে ৰাইজৰ সেৱাত মুকলি কৰি আটাইবোৰ ৰাইজকে বিশুদ্ধ খোৱা পানী যোগান ধৰিবলৈ নলবাৰী বিধায়ক তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে ।

## সোণালী জয়ন্তীৰ 'অগ্ৰদূত কাকত'লৈ অভিনন্দন

অগ্ৰদূত বাৰ্তা,
**লাহদৈগড়, ৪ জুলাই ঃ** অসমৰ সংবাদ পত্ৰৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সময়ত বিশিষ্ট সাহিত্যিক, সাংবাদিক কনকসেন ডেকাৰ সম্পাদনাত বহুল প্ৰচলিত তিনিদিনীয়া 'অগ্ৰদূত' কাকতখন পাঠকৰ সুহৃদ হৈ দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সগৌৰৱে সোণালী জয়ন্তী বৰ্ষত খোজ দিয়া 'অগ্ৰদূত' কাকতখনৰ সম্পাদক কনকসেন ডেকা, প্ৰকাশক ভানুশ্ৰীসেন ডেকা, উপ-সম্পাদক, লেখক, কাকতখনৰসমূহ বিষয়া-কৰ্মচাৰীলৈ আসাম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনিয়ন আপকু যোৰহাট জিলা সমিতিয়ে আন্তৰিক অভিনন্দন জনাইছে। অনাগত দিনত ৰাইজৰ পক্ষত থাকি 'অগ্ৰদূত' কাকতে জাতীয় জীৱনৰ প্ৰতিটো খোজতে মাত মাতি যাব তাকেই কামনা কৰে আপকু যোৰহাট জিলা সমিতিয়ে ।

## বৰগীত আৰু আবৃত্তিৰ কৰ্মশালা হাতীগড়ত

অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ৪ জুলাই ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, হাতীগড় আঞ্চলিক শাখাৰ সাহিত্য, সংস্কৃতি আৰু শিশু- যুৱ-আইমাতৃ কল্যাণ শাখাৰ উদ্যোগত অহা ১১ জুলাইৰ পৰা ১৪ জুলাইলৈ চাৰিদিনীয়াকৈ কবিতা আবৃত্তি আৰু বৰগীত প্ৰশিক্ষণ কৰ্মশালা দিনৰ ১০ বজাৰ পৰা আঞ্চলিকৰ নামঘৰত অনুষ্ঠিত হ'ব। কৰ্মশালাত অংশগ্ৰহণৰ বাবে ইচ্ছুক শিশু, আইমাতৃ, যুৱক-যুৱতীৰ যোগদানৰ মাচুল ন্যূনতম ১০০ টকাকৈ ধাৰ্য কৰা হৈছে। কৰ্মশালালৈ অভিজ্ঞ সমল ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছে। ইচ্ছুক অংশগ্ৰহণকাৰীসকলক অভিজিত হাজৰিকা, সবিতা ৰাজখোৱা বৰুৱা আৰু বৰ্ণালী গগৈৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে ।

## প্ৰাক্তন পঞ্চায়ত সভাপতিৰ মৃত্যুত মেলেং বালিচাপৰিত শোক ছাঁ

অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ৪ জুলাই ঃ** মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত মেলেং বালিচাপৰি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা মেলেং সন্দিকৈ গাঁও নিবাসী বেণুধৰ সন্দিকৈৰ ৯১ বছৰত আজি দিনৰ ১১ বজাত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। তিনিজন পুত্ৰ-বোৱাৰী আৰু তিনিগৰাকী কন্যা, জোঁৱাইসহ বহুতো আত্মীয়-স্বজন ইহ সংসাৰত এৰি যায়। প্ৰাক্তন পঞ্চায়ত সভাপতি বেণুধৰ সন্দিকৈৰ মৃত্যুত মেলেং বালিচাপৰিত শোকৰ ছাঁ পৰে। মেলেং বালিচাপৰি গাঁও পঞ্চায়তৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সন্দিকৈৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।

## লোক্ৰাইত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ৪ জুলাই ঃ** প্ৰবাসী অসমীয়া বিশিষ্ট চিকিৎসক তথা অসম স্বাস্থ্যসেৱা সমবায় সমিতিৰ অধ্যক্ষ ডাঃ জয়ন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আমন্ত্ৰিত সঞ্চালক ৰাণা বশিষ্ঠৰ বিশেষ তৎপৰতাত অসম স্বাস্থ্যসেৱা সমবায় সমিতিৰ উদ্যোগত সহকাৰ ভাৰতী, অসম প্ৰদেশ আৰু লোক্ৰাই গাঁও পঞ্চায়তৰ সহযোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ লোক্ৰাই গাঁও পঞ্চায়তৰ কাৰ্যালয়ত কালি অনুষ্ঠিত হয়। প্ৰায় তিনিশৰো অধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়। বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত উপস্থিত থাকে সহকাৰ ভাৰতী, অসম প্ৰদেশৰ সংগঠন মন্ত্ৰী নবীন কুমাৰ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ তেজপুৰ বিভাগৰ প্ৰচাৰক সুভাষ যোশী, দৰং জিলাৰ বৌদ্ধিক প্ৰমুখ গোবিন্দ শৰ্মা বৰুৱা, ছিপাঝাৰ খণ্ডৰ কাৰ্যবাহ গণেশ শৰ্মা, দিপীলা খণ্ডৰ কাৰ্যবাহী শংকৰ বৈশ্য, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ছিপাঝাৰ খণ্ডৰ সংযোজক যুগব্ৰত ডেকা, সহকাৰ ভাৰতী, অসম প্ৰদেশৰ কাৰ্যনিৰ্বাহক সদস্য কৰেন্দ্ৰ কলিতা আদিয়ে। তদুপৰি যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ হৰপাল সিং সুৰি, অতিৰিক্ত যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ নিৰ্মল বেৰীয়া, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, বিশিষ্ট শল্য চিকিৎসক ডাঃ অনুপম শৰ্মা, মেডিচিন বিশেষজ্ঞ ডাঃ দেৱৰাজ দে, জ্যেষ্ঠ চিকিৎসক ডাঃ সুবোধ শৰ্মা, শিশুৰোগ বিশেষজ্ঞ ডাঃ আছিক ইকবাল, ডাঃ মুকুল শৰ্মা, বিজেপিৰ দৰং জিলাৰ সাধাৰণ সম্পাদক অমূল্য দাস, ছিপাঝাৰ মণ্ডপৰ বিজেপিৰ সভাপতি দীপক নাথ, জিলা পৰিষদৰ প্ৰাক্তন সদস্য হেমন্ত ডেকা, জিলা পৰিষদৰ সদস্য মাধৰী দেৱী, পাথৰিঘাট যুৱ মৰ্চাৰ সভাপতি ভাস্কৰ কলিতাৰ লগতে বিভিন্ন বিভাগৰ বিশিষ্ট চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মীসকলৰ লগতে দলীয় কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে।

## থানপাতকুছি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কনক চন্দ্ৰ শৰ্মাক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ৪ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত থানপাতকুছি প্ৰাথমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কনক চন্দ্ৰ শৰ্মাক কালি বিদ্যালয় কৰ্তৃপক্ষ আৰু অভিভাৱক হিতাকাংক্ষীৰ উদ্যোগত বিদায় সম্বৰ্ধনা জনায়। তদুপলক্ষে বিদ্যালয় প্ৰাংগণত আয়োজিত সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অৰুণ চন্দ্ৰ লহকৰে। বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা শিক্ষক শংকৰ লহকৰে আঁতধৰা সভাত বিদায়ী শিক্ষকজনক ফুলাম গামোচা, জাপি, শৰাই, মানপত্ৰ, ধৰ্মগ্ৰন্থ, ছাতি, চেলেং চাদৰ, পোছাক আদি সামগ্ৰীৰে বিদায় সম্বৰ্ধনা জনায়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গোৱা প্ৰাৰ্থনা গীতৰে আৰম্ভ কৰা সভাত শিক্ষানুষ্ঠানখন অৱস্থিত গাঁও থানপাতকুছিৰ প্ৰায়ভাগ লোক, অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক হিতাকাংক্ষী আদিয়ে পৃথকে পৃথকে গামোচা, শৰাই আৰু কিতাপৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা সভাত বিদ্যালয়ৰ বৰ্তমানৰ প্ৰধান শিক্ষক অনিল চন্দ্ৰ দাসে বিদায়ী শিক্ষক শৰ্মাৰ গুণানুকীৰ্তন কৰি কয় যে শৰ্মাৰ নিচিনা আদৰ্শবান শিক্ষক পোৱাটো বহুত টান। সভাত কে'বাজনো আমন্ত্ৰিত লোকে শৰ্মাৰ কৰ্মময় জীৱনৰ শলাগ লৈ বক্তৃতা দিয়ে। তদুপৰি বিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীয়ে তেওঁৰ কৰ্মৰ শলাগ লয়। সভাত বিদায়ী শিক্ষক শৰ্মাই থোকা থুকি মাতৰে কয়, 'মই কি কৰিছো সেয়া ক'ব খোজা নাই, মাথোঁ ছাত্ৰ-ছাত্ৰীৰ হিতসাধন আৰু বিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশ উন্নত কৰাটো মোৰ লক্ষ্য আছিল।' ইয়াৰ আগতে বিদায়ী শিক্ষকজনক নিজবাসভৱন লৰমা বটাকুছিৰ পৰা ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী, অভিভাৱক তথা শিক্ষকসকলে বিদ্যালয়খনলৈ আদৰি আনে।

## বিলাসীপাৰা প্ৰেছ ক্লাবৰ নতুন সমিতি গঠন

বিশেষ সংবাদদাতা
**বিলাসীপাৰা, ৪ জুলাই ঃ** বিলাসীপাৰা প্ৰেছ ক্লাবৰ আজি নতুন সমিতি গঠন কৰা হয়। প্ৰেছ ক্লাবৰ সভাপতি মফিজুল হুছেইন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত পূৰ্বৰ সভাপতি মফিজুল হুছেইন আহমেদক সভাপতি, সঞ্জয় শৰ্মাক কাৰ্যকৰী সভাপতি, বিশ্বজিৎ শৰ্মাক উপ-সভাপতি, সমৰেশ শীল শৰ্মাক সাধাৰণ সম্পাদক, নীলকমল নাথক সহকাৰী সম্পাদক হিচাপে লৈ সৰ্ব সন্মতি ক্ৰমে ১১ জনীয়া সমিতি গঠন কৰা হয়। এই সভাত পূৰ্বৰ সাধাৰণ সম্পাদক অমিত চৌধুৰীয়ে হিচাপ নিকাচ লগতে দাখিল কৰা সম্পাদকীয় প্ৰতিবেদন সভাই অনুমোদন জনায়।

## খানামুখত ৰক্তদান শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা
**আজাৰা, ৪ জুলাই ঃ** খানামুখত থকা সন্ত নিৰংকাৰী কেন্দ্ৰত কালি এটি স্বেচ্ছা ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। সন্ত নিৰংকাৰী চেৰিটেবল ফাউণ্ডেছনৰ উদ্যোগত আয়োজিত শিবিৰটো মুকলি কৰে সমাজকৰ্মী যাদৱ চন্দ্ৰ কলিতাই। এই উপলক্ষে আয়োজিত চমু অনুষ্ঠানত মহানগৰ আৰক্ষী পশ্চিম জিলাৰ ডিচিপি নৱনীত মহন্ত, ধাৰাপুৰস্থিত আইটিবিপি কেম্পৰ কমাণ্ডেন্ট এছএছ সাউদ, সমাজকৰ্মী কিশোৰ বৈশ্য, জুবলি পোদ্দাৰ বৈশ্য, ৰুবুল বৈশ্য, সন্ত নিৰংকাৰীৰ গুৱাহাটী শাখাৰ ইনচাৰ্জ দীপজ্যোতি তালুকদাৰ, নাৰেংগী আৰু ডিগাৰু শাখাৰ ইনচাৰ্জ ক্ৰমে মুন্না মাঝী, প্ৰেম থাপাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শিবিৰত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা দুই শতাধিক স্বেচ্ছাসেৱকে ৰক্তদান কৰে।

## মৰিগাঁও লায়ন্স ক্লাবৰ দ্বাৰা তিনিজন বিশিষ্ট চিকিৎসকক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ৪ জুলাই ঃ** মৰিগাঁও লায়ন্স ক্লাবৰ দ্বাৰা তিনিজন বিশিষ্ট চিকিৎসকক যোৱা দুই জুলাইত সম্বৰ্ধনা জনোৱা হয়। ক'ভিড কালত নিজৰ জীৱনকো তুচ্ছ কৰি জনসাধাৰণৰ জীৱন ৰক্ষাৰ কামত নিয়োজিত হৈ চিকিৎসা সেৱা আগবঢ়োৱা মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ অধীক্ষক তথা জ্যেষ্ঠ চিকিৎসক ডাঃ অৰুণ কুমাৰ নাথ, ডাঃ ধনঞ্জয় ডেকা আৰু বঘৰা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ অমৰজ্যোতি ডেকাক পৃথকে পৃথকে এখন সম্বৰ্ধনা পত্ৰ, গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। মৰিগাঁও লায়ন্স ক্লাবৰ সভাপতি মাধৱ শৰ্মা আৰু সম্পাদক প্ৰণৱ দাসৰ লগতে, প্ৰাক্তন সভাপতি ডাঃ তুলেশ্বৰ নাথ, চিচি শৰ্মা, বাদল দে, নিৰেণ বৰা, ৰাজু কুণ্ডুকে আদি কৰি এক সঁজাতী দলে চিকিৎসক কেইজনক সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁলোকৰ কৰ্মৰাজিক প্ৰশংসা কৰে।

## গোৱালপাৰাত মীন বিভাগৰ মাছ কঢ়িওৱা ৰিফ্ৰিজাৰেটৰ ভেন বিতৰণ

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ৪ জুলাই ঃ** আৰআইডিএফ আঁচনিৰ অধীনত গোৱালপাৰা মীন বিভাগে হিতাধিকাৰীৰ মাজত তিনিখন চাৰিচকীয়া মাছ কঢ়িওৱা ৰিফ্ৰেৰীজেটৰ ভেন বিতৰণ কৰে। গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত যোৱা দুই জুলাই জিলাখনৰ খাৰিজা পাইকানৰ জব্বাৰ খান, কুৰুৱাভাষা ভালুকডুবিৰ মনোজ কুমাৰ ৰাভা আৰু মাটিয়াৰ নয়াপাৰা প্ৰথম খণ্ডৰ জব্বাৰ আলী নামৰ হিতাধিকাৰীক ভেন তিনিখন প্ৰদান কৰে জিলা উপায়ুক্ত মিনাক্ষী দাস নাথে। কাৰ্যসূচীত জিলা মীন উন্নয়ন বিষয়াই ভাষণ প্ৰসংগত কয় যে এই মাছ কঢ়িওৱা ভেনে এক মেট্ৰিক টন মাছ পাঁচৰ পৰা ২৫ চেলছিয়াচ উষ্ণতাত জিলাৰ ভিতৰত কঢ়িওৱাৰ বিপৰীতে জুলাইৰ পৰা ১৫ মেট্ৰিক টন মাছ চুবুৰীয়া ৰাজ্যসমূহলৈ প্ৰেৰণ কৰিব পাৰিব। উল্লেখ্য যে প্ৰতিগৰাকী হিতাধিকাৰীয়ে ২.৮৭৮ লাখ টকা জমা দি ১৪.৩৮৫৬ লাখ টকাৰ বাহন লাভ কৰিবলৈ সক্ষম হৈছে। ইপিনে মাছ কঢ়িওৱা ৰিফ্ৰেৰীজেটৰ ভেন বিতৰণ কৰি ইয়াৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনায় জিলা উপায়ুক্তই।

## কেইটামান শব্দৰ শৃংখলত সৃষ্ট ছন্দই কবিতা নহয়

### ■ সাংবাদিকৰ কবিতাৰে প্ৰকাশ কৰা 'গজালি'ৰ বিশেষ সংখ্যা উন্মোচন

অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ৪ জুলাই ঃ** 'কেইটামান শব্দৰ শৃংখলত সৃষ্ট ছন্দই কবিতা নহয়। কবিতা হৈছে ৰচয়িতাক প্ৰতিষ্ঠা কৰাৰ এটি অন্যতম সাহিত্যৰ ৰস। কবিতাৰ এটি ছন্দই কবিজনাক অমৰত্ব প্ৰদান কৰিব পাৰে। কবি ওমৰ খৈয়ামৰ পৰা বৰ্তমানলৈ এনেকুৱা বহুতো বিশ্ব বিশ্ৰুত কবিয়ে নিজক অমৰত্বৰ শাৰীত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। বৰ্তমান কবিতাৰ প্ৰতি মানুহৰ আকৰ্ষণ বাঢ়িছে। এই ক্ষেত্ৰত কিছুমান সঁচা কাব্যিক মনৰ মানুহৰ ভূমিকা প্ৰশংসা কৰিব লাগিব। বিশেষকৈ নলবাৰী জিলাৰ বগলচৰোডৰ পৰা গজালি নামৰ জেপ আলোচনীখনে কবিতা আৰু কবি সৃষ্টিত বিগত ১০ বছৰে যোগাত্মক ভূমিকা লৈ আহিছে। এই ক্ষেত্ৰত সম্পাদক শংকৰ শৰ্মাৰ লগতে প্ৰকাশন গোষ্ঠীটোৰ শলাগ ল'বই লাগিব।' এই মন্তব্য বিশিষ্ট কবি তথা নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি, সাংবাদিক নৰেন শৰ্মাৰ। কালি সন্ধিয়া নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত বগলচ ৰোড চ'কত জেপ আলোচনী



গজালিৰ 'সাংবাদিকৰ কবিতা বিশেষ সংখ্যা' উন্মোচন কৰি কবি-সাংবাদিকজনে এনেদৰে কয়। 'গজালি'ৰ সম্পাদক শংকৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত কবি প্ৰণৱ খাৰজাৰা, আজিজুৰ ৰহমান, অনুপ কলিতা, 'গজালি'ৰ কাৰ্যবাহী সম্পাদক কমল কলিতা উপস্থিত থাকে।

উল্লেখ্য যে 'গজালি'ৰ এই বিশেষ সংখ্যাটো সাংবাদিক যুগললোচন দাস, মনোৰঞ্জন বড়ি, ৰঞ্জিত পাটগিৰি, পংকজ পৰাণ, দণ্ডীৰাম দাস, ৰমেন কলিতা, অশ্বিনী কুমাৰ শৰ্মা, দীপক চক্ৰৱৰ্তী, নৰেন শৰ্মা, মানসজ্যোতি শৰ্মা, প্ৰদীপ কুমাৰ বৰ্মন, ওৱাহিদুজ জামান, মানসজ্যোতি, মমী নাথ, ৰাজু সমীৰণ, আজিজুৰ ৰহমান আৰু কাশ্যপ চৌধুৰীকে ধৰি ২০গৰাকী সাংবাদিকৰ কবিতাৰে সজোৱা হৈছে।






## কাৰ্বি আংলঙত ট্ৰাক-মটৰ চাইকেলৰ

*এক পৃষ্ঠাৰ পৰা* আন এজন আহত হয়। লাংহিন তিনিআলি নগৰৰ মাজমজিয়াৰ ৩৬ নম্বৰ ঘাইপথত এই ঘটনা সংঘটিত হয়। ট্ৰাকখনে নগাঁও দিশৰ পৰা ডিমাপুৰ অভিমুখে আৰু মটৰ চাইকেলখনে বিপৰীত দিশৰ পৰা অহাৰ পথত এই ঘটনা সংঘটিত হয়। পাছত ডকমকা আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃত যুৱক তিনিজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। যুৱককেইজন ডকমকা আৰক্ষী থানাৰ অন্তৰ্গত ধেন্টাঘাটৰ নয়ন দে, ৰিতিক বসুমতাৰী আৰু ৰাইডাউ মুছাহাৰী। আনহাতে, আহত যুৱকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে।

## মহানগৰীত ৰেল বিভাগৰ ৭০ হেক্টৰ

*এক পৃষ্ঠাৰ পৰা* মহানগৰীৰত ৰেল বিভাগৰ বহু ভূমিত বেদখল চলিছে। সময়ে সময়ে ইয়াৰ বিৰুদ্ধে অভিযান চলে যদিও সম্পূৰ্ণৰূপে উচ্ছেদ কৰিবলৈ এতিয়াও সক্ষম হোৱা নাই বুলি উল্লেখ কৰি ৰেল বিভাগৰ শীৰ্ষ সূত্ৰটোৱে পুনৰ কয়, ‘সম্প্ৰতি মহানগৰীৰ ৰেল লাইনৰ কাষত অৰ্থাৎ ৰেলৱে ভূমি দখল কৰি নিৰ্মাণ কাৰ্য চলোৱা বা বসবাস কৰা ৭১৪টা বাসগৃহ তথা দোকান-পোহাৰ আছে। এইসমূহ আমিনগাঁৱৰ পৰা নাৰেংগীলৈ ৰেল লাইনৰ কাষে কাষে বেদখল হৈ আছে। এই ৭১৪টা বাসগৃহ-দোকানে ২.৯৭৯৫ হেক্টৰ ৰেলৱেৰ ভূমি বেদখল কৰি আছে।’ উল্লেখ্য যে মহানগৰীত সৰ্বমুঠ ৭০.৪৪৯৫ হেক্টৰ ৰেলৱেৰ ভূমি বেদখলত থকা বুলি সূত্ৰটোৱে কয়।

ইফালে, ৰেল লাইনৰ কাষে কাষে হৈ থকা সংশ্লিষ্ট ভূমি সাধাৰণ নাগৰিকৰ দখলত থকা বুলি সূত্ৰটোৱে সদৰী কৰে যদিও ৰেলৱেৰ আৱাসিক অঞ্চলত থকা ঘৰ-কাৰ্যালয় কাৰ বেদখলত আছে তাৰ তথ্য সদৰী নকৰা বিষয়টোৱে বিশেষ ৰহস্যৰ সৃষ্টি কৰিছে। সমান্তৰালভাৱে এন এফ ৰেলৱেৰ মুখ্য কাৰ্যালয়ৰ আশে-পাশে থকা অঞ্চলত ব্যাপক হাৰত বেদখল হৈ থকাৰ পাছতো ইয়াৰ বিৰুদ্ধে বিভাগ তৎপৰ নোহোৱা বিষয়টোৱো ৰহস্য ঘণীভূত কৰিছে। উল্লেখ্য যে বেদখলৰ কৱলত থকা এনে একাংশ স্থানৰ পৰা ৰেল বিভাগৰ স্থানীয় কৰ্মচাৰী তথা বিষয়াই ধন সংগ্ৰহ কৰি থকাৰো অভিযোগ আছে। যাৰ ফলত এনে ব্যাপক হাৰত বেদখল হৈ থকাৰ পাছতো এইসকল বিষয়াৰ আশীৰ্বাদত উচ্ছেদ অভিযান বন্ধ হৈ পৰে বুলি অভিযোগ আছে।

## কাৰ্বি আংলঙত স্বতন্ত্ৰ ৰাজ্যৰ দাবীত

*এক পৃষ্ঠাৰ পৰা* ৰংহাং বিনাপ্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈছিল। নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ ফলাফল ঘোষণাৰ পাছত এতিয়া দলটোৱে পৰিষদৰ এই নিৰ্বাচন সম্পূৰ্ণৰূপে অসাংবিধানি বুলি আখ্যা দিছে। যাৰ পৰিপ্ৰেক্ষিতত ত্ৰয়োদশ কাৰ্বি পৰিষদ গঠন হোৱাৰ পাছতো জিলাখনৰ প্ৰধান বিৰোধী আঞ্চলিক ৰাজনৈতিক দল ‘অল পাৰ্টি হিলছ লিডাৰ্চ কনফাৰেন্স’ চমুকৈ এপিএইছএলচিৰ মাজত অব্যাহত আছে চৰম অসন্তুষ্টি। ডিফুৰ ৰাজপথত আজি এপিএইছএলচিৰ সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে পৰিৱেশ উত্তাল কৰি প্ৰতিবাদ সাব্যস্ত কৰে । এপিএইছএলচিৰ সমৰ্থকসকলে দলৰ সভাপতি অৱসৰপ্ৰাপ্ত আই এছ বিষয়া জে আই কাথাৰৰ নেতৃত্বত ডিফু চহৰৰ মাজেৰে সমদল উলিয়ায়। যিকোনো সময়ত উত্তৰ হ’ব পৰা সামগ্ৰিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমদলৰ সময়ছোৱাত ডিফু চহৰত বৃহৎ সংখ্যক আৰক্ষী, বেটেলিয়ান, কমাণ্ডো আৰু চিআৰপিএফৰ জোৱান নিয়োজিত কৰা হয়। প্ৰতিবাদকাৰীসকলে সদ্যসমাপ্ত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচনক অবৈধ আখ্যা দিয়াৰ লগতে ত্ৰয়োদশ কাৰ্বি পৰিষদৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ব্যাপক ৰিগিঙৰ অভিযোগ উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লে’ কাৰ্ড, বেনাৰ, ফেষ্টুন আদিলৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি ‘ন’ অট’নমাছ ষ্টেট, ন’ ৰেষ্ট, বংগ সেনা গ’ বেক, বিজেপি গ’ বেক, জে আই কাথাৰ জিন্দাবাদ, পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰক, ছিক্স সূচী লং লিভ, গণতন্ত্ৰ হত্যাকাৰী বিজেপি মুৰ্দাবাদ, আমাৰ ভৱিষ্যত বিক্ৰী কৰিলে, সত্যটো অপৰাধ নহয়’ শ্ল’গানেৰে ডিফু উত্তাল কৰে। ইপিনে, গণ বিক্ষোভ কাৰ্যসূচীৰ অন্তত সংবাদ মাধ্যমক এপিএইছএলচিৰ সভাপতি কাথাৰে কয়, ‘সদ্য সমাপ্ত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন সম্পূৰ্ণভাৱে অবৈধ আৰু পঞ্চায়তীৰাজ মতে অনুষ্ঠিত কৰা কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন ষষ্ঠ অনুসূচীৰ সম্পূৰ্ণপৰিপন্থী। আনহাতে, সদ্যসমাপ্ত পৰিষদৰ নিৰ্বাচনত বিজেপিয়ে ব্যাপক হাৰত ৰেগিং কৰি চৰকাৰী প্ৰশাসন যন্ত্ৰক ব্যৱহাৰ কৰিছে। সেয়ে পুনৰ কাৰ্বি পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰক।’ ইয়াৰ উপৰি এপিএইছএলচিৰ মুখপাত্ৰ আংটং ইংতি কাথাৰ’ক ২০২১ৰ এক জোৰ সমদলত অংশগ্ৰহণ কৰাক লৈ গ্ৰেপ্তাৰ কৰা কাণ্ডক এক অসাংবিধানিক বুলি অভিহিত কৰে আঞ্চলিক দলটোৰ সভাপতিজনে। লগতে সভাপতিজনে কয় যে উক্ত জোঁৰ সমদলত আংটং ইংতি কাথাৰ অংশগ্ৰহণ কৰা নাছিল। ই এক ষড়যন্ত্ৰ আৰু আৰক্ষীয়ে গছৰ মূঢ়াক পেলাব নোৱাৰি কল গছকহে পেলালে বুলি কটাক্ষ কৰে।

## পানী কমিলেও এতিয়াও আপোন ঘৰলৈ

*এক পৃষ্ঠাৰ পৰা* পৰিস্ফুট হৈছে এখন দুখ লগা ছবি। অঞ্চলটোৰ কোনো কোনো গাঁও বানমুক্ত হৈছে যদিও এতিয়াও বহু গাঁও এতিয়াও আংশিকভাৱে জলমগ্ন হৈ আছে। বৃহত্তৰ কামপুৰ অঞ্চলটোৰ বহু কেইখন গাঁও প্ৰলয়ংকৰী বানে মহটিয়াই নিয়াৰ ফলত সপোনৰ ঘৰ-বাৰী সা-সম্পত্তিৰ চিন চাপ নোহোৱা অৱস্থা হৈ পৰিছে। বিঘাই বিঘাই কৃষিভূমি কপিলী, নিশাৰী, বৰপানী নদীৰ বাঢ়নী পানীয়ে বিনষ্ট কৰে। এক অবৰ্ণনীয় পৰিৱেশ দেখা গৈছে বকুলগুৰি, গোসাইগাঁও, বুকলুং, মিনাৰপাম, দাপাৰা, মেধিগাঁও, আদৰ্শ গাঁও আদিত। এই ঠাইবোৰত চাৰিওফালে পৰি আছে বানে ভাঙি নিয়া ঘৰৰ সামগ্ৰীসমূহ। ঘৰচীয়া জীৱ-জন্তুৰ মৃতদেহ। যেনিয়েই চায় তেনিয়েই দেখা যায় ভাঙি যোৱা ঘৰ, ইটাৰ টুকুৰা, পানীয়ে উটুৱাই অনা গছ-গছনি আদি। উল্লেখ্য যে কামপুৰ ৰাজহ চক্ৰৰ বকুলগুৰি বালিটুপত নিশাৰ ভিতৰতে বাঢ়নী পানীয়ে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি ভয়ানক ৰূপ লোৱাত স্থানীয় ৰাইজে সকলো সা-সামগ্ৰী ঘৰৰ ভিতৰতে এৰি ঢাপলি মেলিছিল ওখ ঠাইলৈ। কিন্তু পানী কিছু শুকুৱাত বানাক্ৰান্তই ঘূৰি গৈ নেদেখিলে তেওঁলোকৰ সপোনৰ ঘৰখন। আনকি চিনিকে নোপোৱা হ’ল তেওঁলোকৰ ঘৰখন ক’ত আছিল। ঘৰ-মাটি খহাই নিলে কপিলী নৈয়ে। বহু লোকে চৰকাৰৰ প্ৰধানমন্ত্ৰী আৱাস গৃহৰ জৰিয়তে অনুদান লাভ কৰি কোনোমতে এটা ঘৰ নিৰ্মাণ কৰি লৈছিল যদিও বানপানীয়ে তেওঁলোকৰ ঘৰবোৰ ভাঙি নি গৃহহাৰা কৰিলে। ঠিক সেইদৰে ৰহা সমষ্টিৰ গাৰুখুন্দা পঞ্চায়তৰ গোসাইগাঁৱৰ প্ৰধানমন্ত্ৰী আৱাসগৃহৰ আঁচনিৰ জৰিয়তে লাভ কৰা পকী বাসগৃহ কপিলী নদীৰ বানে উটুৱাই নিয়াৰ ফলত কে’বাটাও পৰিয়াল গৃহহীন হোৱা পৰিলক্ষিত হৈছে।

এতিয়া এইসকল লোকে ক’ত যাব কি খাব তাক লৈ চিন্তিত হৈ পৰিছে। ইফালে, ভয়াৱহ বানৰ লগে লগে সৃষ্টি হৈছে ভয়ানক খহনীয়া। বকুলগুৰিত কপিলীৰ বানে খহাই নিলে কোটিটকীয়া জিঅ’ বেগৰ বান্ধ। আনহাতে, কামপুৰ অঞ্চলটোত কপিলী, নিশাৰী, বৰপানী নদীৰ খহনীয়া তথা বাঢ়নী পানীত জাহ গ’ল শ শ বিঘা কৃষি ভূমি। জাহ গ’ল বহুবিঘা কল-তামোলৰ বাগান। পলসে পুতি পেলোৱা ঘৰ-বাৰী, ৰাস্তা-ঘাটৰ বাবে আজিও কামপুৰৰ গৰুবাট, জৰাবাৰী মৌজাৰ শ শ বানাক্ৰান্ত কামপুৰ-বৈঠালাংছু গড়কাপ্তানী পথৰ ওপৰতে আশ্ৰয় লৈ থকা দেখা গৈছে। আপোন ঘৰখনৰ ভিতৰত নদীয়ে কঢ়িয়াই অনা বোকা-পলস একাঁঠু পৰ্যন্ত থকাত বানাক্ৰান্ত ৰাইজ ওভতিব পৰা নাই আপোন ঘৰখনলৈ। ইফালে, কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ পুঠিমাৰী অঞ্চলটো আজিও জলমগ্ন হৈ থকাত নাৱেই যাতায়াতৰ একমাত্ৰ সম্বল হৈ পৰিছে।

## ধৰ্ষণৰ গোচৰ গাপ দিয়াৰ বিনিময়ত বৃহৎ

*এক পৃষ্ঠাৰ পৰা* কনিষ্টবলজনৰ ফোনকলৰ অডিঅ’ ৰেকৰ্ডিং ভাইৰেল হোৱাৰ পাছতে নগাঁৱৰ আৰক্ষী মহলতেই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, নগাঁৱৰ ম’হখুলিৰ এটা গেৰেজত কাম কৰা জনৈক ৰাজু আলী নামৰ এজন যুৱকৰ বিৰুদ্ধে তেওঁৰ প্ৰেয়সীৰ পিতৃয়ে ধৰ্ষণৰ আৰু অপহৰণৰ গোচৰ ৰুজু কৰিছিল। এই ধৰ্ষণৰ গোচৰ পঞ্জীয়ন নকৰাৰ বাবদ নগাঁৱৰ টাউন ইটাচালী আৰক্ষী চকীৰ ইউ বি কনিষ্টবল ৰেৰ লস্কৰে ফোনৰ যোগেদি বৃহৎ পৰিমাণৰ ধন বিচাৰিছিল। অভিযুক্ত যুৱকজনক কনিষ্টবল লস্কৰে ফোনত কয়, ‘আপোনাৰ কেচটো নাইকিয়া কৰি দিব পাৰিম; কিন্তু পইচা অলপ বেছি হৈ যাব।’ ফোনত ভেটি বিচৰা ধনৰ পৰিমাণ ক’বলৈ অস্বীকাৰ কৰা আৰক্ষী কনিষ্টবলজনে যুৱকজনক দৰ-দাম কৰাৰ লগতে সকলো কথা বিস্তাৰিতভাৱে আলোচনা কৰিবৰ বাবে নগাঁও চহৰৰ পানীগাঁও চাৰিআলিলৈ অভিযুক্তক মাতি পঠায়। আৰক্ষী কনিষ্টবলজনে অভিযুক্ত যুৱকজনক গ্ৰেপ্তাৰ কৰা নিৰ্দেশ দিছে, গতিকে বিপদত পৰিবা বুলিও ভাবুকি দি দাবী কৰা ধন পাঁচ দিনৰ ভিতৰত আদায় দিবলৈকো চৰম সময়সীমা বান্ধি দিয়ে। আৰক্ষী কনিষ্টবলজনে ভেটি বিচৰা এই অডিঅ’ ভাইৰেল হোৱাৰ পাছত নগাঁৱৰ আৰক্ষী থানাসমূহত প্ৰকৃততে কি চলি আছে তাৰ নগ্ন ৰূপটো ওলাই পৰিছে। ইতিমধ্যে নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেৰ নিৰ্দেশ মৰ্মে কনিষ্টবল ৰেৰ লস্কৰক ৰিজাৰ্ভ ক্ল’জ কৰিছে। সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেই সাংবাদিকৰ আগত কয়, ‘ৰেৰ লস্কৰ নামৰ ইউ বি কনিষ্টবল এজনে ধৰ্ষণৰ এক গোচৰত অভিযুক্ত ৰাজু আলী নামৰ লোক এজনক গোচৰটো নিষ্পত্তি কৰিবলৈ টকা বিচৰা সন্দৰ্ভত দুয়োৰে কথোপকথনৰ ভাইৰেল হোৱা অডিঅ’টো পাইছো। কনিষ্টবলজনক ইতিমধ্যে ৰিজাৰ্ভ ক্ল’জ কৰা হৈছে। তেওঁ ৰিজাৰ্ভত আছে। ইপিনে, বিষয়টোৰ সন্দৰ্ভত এক তদন্তৰো নিৰ্দেশ দিয়া হৈছে। ইতিমধ্যে তদন্ত আৰম্ভ হৈছে। নগাঁও জিলাৰ উপ-আৰক্ষী অধীক্ষক (মুখ্য কাৰ্যালয়)-এ তদন্ত আৰম্ভ কৰিছে। তদন্তৰ প্ৰতিবেদন পোৱাৰ লগে লগে আমি তদন্তৰ পৰা পোৱা তথ্য প্ৰমাণৰ ভিত্তিত বিহিত ব্যৱস্থা গ্ৰহণ কৰিম।’

শেহতীয়াকৈ নগাঁও আৰক্ষীৰ ইজনৰ পাছত সিজনকৈ আৰক্ষী গ্ৰেপ্তাৰ হোৱা প্ৰসংগত সোধা সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, ‘আৰক্ষী বুলি তেনে কোনো কথা নাই। মানুহৰ মাজত ভাল-বেয়া সকলো থাকে। আমি অপৰাধীৰ শ্ৰেণী বিভাজন নকৰো। তেওঁ লাগিলে সাধাৰণ নাগৰিকেই হওঁক, চৰকাৰী চাকৰিয়ালেই হওঁক অথবা আৰক্ষীৰ লোকেই হওঁক। আমাৰ কাম অভিযুক্তক কৰায়ত্ত কৰা, অপৰাধ নিয়ন্ত্ৰণ কৰা। এই ক্ষেত্ৰত আমাৰ কোনো ভেদ ভাব নাথাকে। আমি চাও তেওঁ অপৰাধী হয় নে নহয় সেইটোহে।’

স্মৰ্তব্য যে বিগত কিছুদিনৰ পৰা নগাঁও আৰক্ষীৰ অথন্তৰ নুগুচা হৈছে। যোৱা জুন মাহটোৰ ভিতৰতে নগাঁৱৰ তিনিগৰাকীকৈ আৰক্ষী বিষয়া বিভিন্ন গোচৰত গ্ৰেপ্তাৰ হয়। এওঁলোক হ’ল ক্ৰমে কাৱৈমাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হাইদৰ হুছেইন, এছ আই জোনমণি ৰাভা আৰু সহকাৰী উপ-পৰিদৰ্শক আব্দুল মোতালিব।

## ৩০ হেজাৰ কোটি ব্যয়ৰ পাছতো নাই

*এক পৃষ্ঠাৰ পৰা* অৱস্থাত আছে। বাকী মথাউৰিবোৰৰ অৱস্থাও সম্পূৰ্ণৰূপে শক্তিশালী নহয়। একোটা মথাউৰিৰ ম্যাদ থাকে সৰ্বাধিক ২৫ বছৰলৈ। ম্যাদ উকলা আৰু ম্যাদ উকলিবলৈ এতিয়াও সময় থকা মথাউৰিবোৰৰ দুৰ্বল অংশ শক্তিশালীকৰণত পূৰ্বৰ প্ৰতিখন চৰকাৰে গা এৰা দিয়া ভূমিকা লৈ আহিছে। তাৰ পৰিণতিত যমৰ যাতনা ভুগিছে সাধাৰণ ৰাইজে। উদাহৰণ স্বৰূপে ভুটানৰ পৰা নামি অহা পানীৰ ধলে বজালী জিলাত বছৰৰ দ্বিতীয়টো বানত যি অভাৱনীয় ক্ষতি সাধন কৰে তাৰ মূলতে হ’ল পহুমৰা নদীত থকা মথাউৰিটো। দুৰ্বল হৈ পৰা মথাউৰিটো শক্তিশালী কৰাৰ বাবে বিগত ২০১৮তে পুঁজি ধাৰ্য কৰা হৈছিল; কিন্তু যোৱা চাৰি বছৰে সেই পুঁজি নানান পাকচক্ৰত মুকলি নহ’ল। ফলত এইবাৰ বানে মথাউৰিটো ছিঙি পেলোৱাত মেধিকুছি নামৰ গাঁওখনৰ বৃহৎ অংশ একপ্ৰকাৰ নিশ্চিহ্ন হয়। তদুপৰি ভঙা অংশৰে সোমোৱা পানীয়ে বজালীৰ উপৰি বৰপেটা জিলাতো তাণ্ডৱ চলায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সেই ভঙা অংশটো ইতিমধ্যে পৰিদৰ্শন কৰিছে। মথাউৰিটোৰ কাম সময় মতে নকৰাৰ ফলতে ভয়াবহ বান সৃষ্টি হোৱা বুলি মুখ্যমন্ত্ৰীক পৰিদৰ্শন কালত জলসম্পদ বিভাগৰ পৰা অৱগত কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমত মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত নতুন পদ্ধতি অৱলম্বনৰ পোষকতা কৰিছে। জলসম্পদ বিভাগৰ দায়িত্ব গ্ৰহণৰ পাছৰে পৰা যুৱ মন্ত্ৰী পীযুষ হাজৰিকাই ৰাজ্যৰ বিপজ্জনক মথাউৰিসমূহ শক্তিশালীকৰণৰ বাবে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণৰ বাবে সক্ৰিয় হৈ আহিছে। কিন্তু সমস্যা হৈছে—ছয় দশক ধৰি গুৰুতৰ হৈ পৰা মথাউৰিৰ সমস্যাটো সমাধানৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন।

জলসম্পদ বিভাগৰ তথ্য অনুসৰি, লখিমপুৰ জলসম্পদ সংমণ্ডলৰ অধীনৰ ২৮টা মথাউৰিৰ আটাইকেইটাৰে ম্যাদ উকলিছে। শিৱসাগৰ সংমণ্ডলৰ ৪৫ টা মথাউৰিৰ ৩১ টাৰে ম্যাদ উকলি গৈছে। ডিব্ৰুগড় সংমণ্ডলৰ অধীনত থকা ৩৮ টা মথাউৰিৰ ভিতৰৰ ম্যাদ উকলাৰ সংখ্যা হ’ল ৩০টা। বৰপেটা জলসম্পদ সংমণ্ডলৰ ৩৫টা মথাউৰিৰ ২৯টাৰ ম্যাদ উকলাৰ লগতে অতি স্পৰ্শকাতৰ অৱস্থাত আছে। এনেদৰে বিভাগটোৰ প্ৰতিটো সংমণ্ডলতে ম্যাদ উকলা উথাউৰিৰ ভিৰ লাগিছে। উদাহৰণ স্বৰূপে গুৱাহাটী পূব সংমণ্ডলৰ অধীনৰ ১৮টা মথাউৰিৰ আটাইকেইটাৰ ম্যাদ পাৰ হৈছে। তেনেদৰে মঙলদৈ সংমণ্ডলৰ আঠটা মথাউৰিৰ আঠটাৰে ম্যাদ উকলি গৈছে। যোৰহাট সংমণ্ডলৰ ২৩ টা মথাউৰিৰ ম্যাদ উকলিছে ১৪টাৰ। তেজপুৰ সংমণ্ডলৰ ১৩ টা মথাউৰিৰ ১২টাৰে ম্যাদ উকলিছে। একেদৰে নগাঁও সংমণ্ডলৰ ১৯টাৰ ভিতৰৰ ১৩টা, নলবাৰী সংমণ্ডলৰ ১২টাৰ ভিতৰত ১০টা, কোকৰাঝাৰ সংমণ্ডলৰ ১৫টাৰ ভিতৰত ১০টা, ধেমাজি সংমণ্ডলৰ ২২টাৰ ভিতৰত ১৪ টা, শিলচৰ সংমণ্ডলৰ ৪০টাৰ ভিতৰত সাতটা আৰু মাজুলী সংমণ্ডলৰ ১২টাৰ ভিতৰত আঠটা মথাউৰিৰ ম্যাদ ইতিমধ্যে উকলি গৈছে।

ৰাষ্ট্ৰীয় জল আয়োগৰ শেহতীয়া তথ্য অনুসৰি, অসমৰ ৪০ শতাংশ অঞ্চল বানপ্ৰৱণ। এই হাৰ হ’ল সমগ্ৰ দেশৰ বানপ্ৰৱণ অঞ্চলৰ ১০ শতাংশৰো অধিক। ইপিনে, ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰ’) তথ্য অনুসৰি ১৯৯৮ৰ পৰা ২০১৫লৈ অসমৰ প্ৰায় কমেও ৩০ শতাংশ অঞ্চল বানৰ কৱলত পৰে। বছৰ বাগৰাৰ লগে লগে বানৰ কৱলত পৰা অঞ্চলৰ পৰিমাণো বৃদ্ধি হৈ আছে বুলি ইছৰ’ৰ তথ্যত প্ৰকাশ।

## ন জুলাইত ডিব্ৰুগড়ত ৰাজ্যিক

*এক পৃষ্ঠাৰ পৰা* বুলি মুখপাত্ৰ সুভাষ দত্তই সদৰী কৰিছে। এই উপলক্ষে সভাখন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ বিজেপিৰ ৰাজ্যিক উপ-সভাপতি অজয় কোঁৱৰ আৰু সম্পাদক বিপুল ডেকাৰ নেতৃত্বত এখন সমিতি গঠন কৰা হৈছে।

## কংগ্ৰেছৰ বিপজ্জনক প্ৰতিবাদত

*এক পৃষ্ঠাৰ পৰা* বিৰোধী শ্ল’গান দি থকা দেখা গৈছিল। ইতিমধ্যে চাৰিজনক গ্ৰেপ্তাৰ কৰা হৈছে আৰু এজন সন্ধানহীন হৈ আছে।

আজি প্ৰধানমন্ত্ৰী মোদীয়ে অন্ধ্ৰ প্ৰদেশৰ ভীমাভৰমলৈ গৈছিল। আজি পুৱাৰে পৰা বিজয়ৱাৰাৰ বিমানকোঠত কংগ্ৰেছ কৰ্মীসকলে বিক্ষোভ প্ৰদৰ্শন কৰি আছিল। মোদী গ’ বেক ধ্বনিও দিছিল।

## মণিপুৰত উদ্ধাৰ হোৱা পাঁচ

*এক পৃষ্ঠাৰ পৰা* গৃহলৈ উভতি নিয়াৰ ব্যৱস্থা কৰিব। উদ্ধাৰ হোৱা লোককেইজন হ’ল মণিৰাম ফুকন, ৰমেন ফুকন, মহেশ্বৰ ফুকন, জোন বসুমতাৰী আৰু প্ৰহ্লাদ বসুমতাৰী। মন্ত্ৰী হাজৰিকাই সাংবাদিকক জনোৱা মতে, মণিপুৰৰ টুপুলত সংঘটিত ভূমিস্খলনস্থলীত অসমৰ মুঠ ২৬ জন লোক আছিল। ইয়াৰে ভিতৰত ২৪ জন নিৰ্মাণ কোম্পানীত কাম কৰিবলৈ গৈছিল। এই ২৪ জন শ্ৰমিকৰ বাহিৰে বজালীৰ এজন সেনা জোৱানো এই ঘটনাত মৃত্যু হৈছে আৰু ইতিমধ্যে তেওঁৰ মৃতদেহ অসমলৈ অনা হৈছে। আনহাতে, গোলকগঞ্জ নিবাসী তথা ৰেলৰ অভিযন্তাজন বৰ্তমানো সন্ধানহীন হৈ আছে। আজি উভতি অহা পাঁচজন লোক সংকটমুক্ত বুলি মন্ত্ৰীজনে কয়। তেওঁ জনোৱা মতে, এই পৰ্যন্ত অসমৰ নজন লোকৰ মৃতদেহ উদ্ধাৰ হৈছে। ইয়াৰে ভিতৰত সেনা জোৱানসহ আঠজনৰ মৃতদেহ অসম আহি পাইছে বুলিও কয়। তদুপৰি কালি আবেলি ঘটনাস্থলীত উদ্ধাৰ হোৱা আন এজন লোকৰ মৃতদেহ অসমলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰে মন্ত্ৰীজনে। তেওঁ জনোৱা মতে, বৰ্তমানেও ভূমিস্খলনস্থলীত উদ্ধাৰ অভিযান অব্যাহত আছে আৰু পৰৱৰ্তী সময়ত অসমৰ কোনো লোকৰ পাৰ্থিৱ শৰীৰ উদ্ধাৰ হ’লে তেওঁলোকক অসমলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰা হ’ব। মন্ত্ৰী হাজৰিকাই জনোৱা মতে, বৰ্তমানো অসমৰ ১২ জন লোক সন্ধানহীন হৈ আছে।

## আন্তঃগাঁথনি উন্নয়নৰ বাবে পত্ৰ

*এক পৃষ্ঠাৰ পৰা* ক্ষেত্ৰত সুৰবানা জুৰঙৰ থকা পাৰদৰ্শিতাই সেই লক্ষ্য পূৰণৰ দিশত অপৰিসীম অৱদান যোগাবলৈ সক্ষম হ’ব।

মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ এক ইষ্ট পলিচিয়ে অসমৰ উদ্যোগ ক্ষেত্ৰখনৰ সম্ভাৱনীয়তা বিকশাই তুলিছে আৰু ইয়াৰ ফলত বিশ্বৰ উদ্যোগসমূহক অসমে প্ৰদান কৰিব পৰা সুবিধাৰ ক্ষেত্ৰখনো সম্প্ৰসাৰিত হৈ উঠিছে। মুখ্যমন্ত্ৰীয়ে সুৰবানা জুৰঙৰ প্ৰতিনিধিসকলক অসমৰ আন্তঃগাঁথনি আৰু সংশ্লিষ্ট খণ্ডসমূহে আগবঢ়োৱা সুযোগসমূহৰ সৰ্বোত্তম ব্যৱহাৰ কৰিবলৈও আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে যোগান-শৃংখল আন্তঃগাঁথনি, শীতল ভঁৰাল, আধুনিক পৰিবহণ পদ্ধতিৰ দৰে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে শীতল ভঁৰালৰ দৰে আন্তঃগাঁথনিৰ অভাৱৰ বাবে অসমৰ বহু উৎপাদিত সামগ্ৰীয়ে সংৰক্ষণৰ জৰিয়তে উপযুক্ত বজাৰ লাভ কৰিব পৰা নাই। যাৰ ফলত উৎপাদিত সামগ্ৰীৰ এটা অংশ আহৰণ কৰিবলগীয়া মূল্যতকৈ কম দামত বিক্ৰী কৰিবলগীয়া হৈছে। এনে আন্তঃগাঁথনিৰ ওপৰত মনোনিৱেশ কৰিলে ৰাজ্যৰ কৃষকসকল বাৰুকৈয়ে উপকৃত হ’ব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ছিংগাপুৰৰ জ্যেষ্ঠ মন্ত্ৰী থাৰ্মান শ্বনমুগাৰত্নমে অসমৰ সামগ্ৰিক উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোৱা পদক্ষেপক প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীক দূৰদৰ্শী নেতা হিচাপে অভিহিত কৰি ছিংগাপুৰৰ মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে আগন্তুক দিনত তেওঁৰ দেশ আৰু অসমৰ মাজৰ সম্পৰ্কই এক নতুন উচ্চতাত উপনীত হ’বলৈ সক্ষম হ’ব। তেওঁ কয় যে ক’ভিড-১৯ অতিমাৰী সংক্ৰমণৰ ভয়াৱহ পৰিস্থিতি এতিয়া উপশম হৈছে আৰু বিশ্বই এতিয়া পুনৰ অৰ্থনৈতিক বিকাশৰ দিশত আগবাঢ়িছে। অসমে অৰ্থনৈতিক বিকাশৰ দিশত নিজৰ সম্ভাৱনাসমূহক সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰিব লাগিব বুলিও তেওঁ কয়।

ভাৰতস্থ ছিংগাপুৰৰ উচ্চায়ুক্ত ছাইমন ৰং উই কুৰেন, ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী বিমল বড়াও অনুষ্ঠানত উপস্থিত আছিল।

## গাঁৱে গাঁৱে চৰকাৰী বান সাহায্য

*এক পৃষ্ঠাৰ পৰা* কালত ক্ষতিগ্ৰস্ত ৰাইজৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বিভাগ আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ বহু কৰণীয় আছে বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয়,‘ৰাজ্যৰ বানাক্ৰান্তই ক্ষতিপূৰণ সময় মতে পাব লাগিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৫ আগষ্টৰ ভিতৰত সকলো বানাক্ৰান্তই ক্ষয়-ক্ষতিৰ ক্ষতিপূৰণ লাভ কৰিব বুলি কৈছে। ৰিজাৰ্ভ বেংকৰ পৰা মাহে মাহে হেজাৰ হেজাৰ কোটি ঋণ লৈ ৰাজ্য চলাই থকা মুখ্যমন্ত্ৰী ড° শৰ্মাই বান ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সাহায্য নালাগে বুলি ৰাজহুৱাকৈ ঘোষণা কৰিছে। গতিকে ১৫ আগষ্টৰ ভিতৰত কিদৰে আৰু কেনেকৈ বান ক্ষতিপূৰণ দিব তাত সন্দেহ আছে যদিও নিৰ্ধাৰিত দিনৰ ভিতৰত যাতে বানাক্ৰান্ত ৰাইজে ক্ষতিপূৰণ লাভ কৰে সেই দিনলৈ আমি অপেক্ষা কৰিম।’ উল্লেখ্য যে দুৰ্যোগ ব্যৱস্থাপনা আইন-২০০৫ৰ ধাৰা ৪৮(১)(ক)ৰ অধীনত ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি গঠন কৰা হৈছে আৰু এই পুঁজিৰ অধীনত বিভিন্ন শিতানত ক্ষতিগ্ৰস্ত ৰাইজে কিমান পৰিমাণে সাহায্য বা ক্ষতিপূৰণ লাভ কৰিব স্পষ্ট বিধিবদ্ধ আছে বুলি সভাপতি বৰাই মন্তব্য কৰি কয় যে শেহতীয়া বিধি অনুসৰি দুৰ্যোগত প্ৰাণহানি হোৱা ব্যক্তিৰ পৰিয়ালে এককালীনভাৱে চাৰি লাখ টকা লাভ কৰিব লাগে। ভৰি বা চকু ক্ষতি তথা এনে আহত ব্যক্তিয়ে ৫৯,১০০টকা এককালীন সাহায্য লাভ কৰিব লাগে বুলি তেওঁ মন্তব্য কৰি আঘাতৰ পৰিমাণ ৬০ শতাংশতকৈ বেছি হ’লে সংশ্লিষ্ট একোজন ব্যক্তিয়ে দুই লাখ টকা এককালীন ক্ষতিপূৰণ লাভ কৰিব লাগে বুলি কয়। লগতে প্ৰতি হেক্টৰ কৃষিভূমিত বানে পেলাই যোৱা গেঁদ আঁতৰাবলৈ কৃষকে ১২,২০০ টকা পাব লাগে বুলি সভাপতি বৰাই উল্লেখ কৰি পুনৰ কয়, ‘আশ্ৰয় শিবিৰত নথকা প্ৰতিজন প্ৰাপ্তবয়স্কক খোৱা-বোৱাৰ বাবদ দৈনিক ৬০ টকাকৈ আৰু কনিষ্ঠসকলক দৈনিক ৪৫ টকাকৈ দিব লাগে।’ এই বিধি অনুসৰি ক্ষতিপূৰণ প্ৰদান কৰা হয়নে বা আশ্ৰয় শিবিৰত থকা প্ৰাপ্তবয়স্কসকলে দৈনিক ৬০টকাৰ খাদ্য-সামগ্ৰী খাবলৈ পায় নে বুলি সভাপতি বৰাই প্ৰশ্ন উত্থাপন কৰি কৃষিখণ্ড, পশুপালক, মীনপালক, হস্ততাঁত আৰু হস্তশিল্পৰ লগত জড়িতসকল, গৃহহাৰা লোক আদি সকলোৰে বাবে বিধিত দুৰ্গতজনে পাবলগীয়া চৰকাৰী সাহায্য স্পষ্টভাৱে উল্লেখ আছে আৰু সেই অনুসৰি চৰকাৰে ক্ষতিপূৰণ আদায় দিয়া উচিত বুলি কয়। উল্লেখ্য যে প্ৰদেশ কংগ্ৰেছে গঠন কৰিবলগীয়া গাঁও সমিতিসমূহে ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত জনতাই বিভিন্ন শিতানত ক্ষতিপূৰণ বা সাহায্য লাভ কৰিছে নে নাই অৰ্থাৎ উল্লিখিত বিধি অনুসৰি প্ৰদান কৰা হৈছে নে নাই পৰ্যবেক্ষণ কৰি ৰাইজক সজাগ কৰিব বুলি সভাপতি বৰাই কয়।

## বান সাহায্যৰ দাবীত বৰপেটা

*এক পৃষ্ঠাৰ পৰা* অভিযোগ উত্থাপন কৰি বৰপেটা জিলা কৃষক সভাই আজি বৰপেটাত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বৰপেটা জিলা কৃষক সভাৰ উদ্যোগত গ্ৰহণ কৰা এই বিক্ষোভ কাৰ্যসূচীত উত্তাল হৈ পৰে বৰপেটা চহৰৰ ৰাজপথ। জিলাখনৰ বিভিন্ন স্থানৰ পৰা অহা বহুসংখ্যক কৃষকে উক্ত প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈ বিভিন্ন শ্ল’গান দিয়ে। ক্ষতিগ্ৰস্ত কৃষকক উপযুক্ত ক্ষতিপূৰণ দিয়ক, বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক অৰ্থ সাহায্য প্ৰদান কৰক, পৰ্যাপ্ত পৰিমাণৰ খাদ্য সামগ্ৰী যোগান ধৰক, পশু খাদ্য যোগান ধৰক আদিকে ধৰি বিভিন্ন শ্ল’গান দিয়ে। প্ৰতিবাদী লোকসকলে বৰপেটা চহৰৰ ৰাজপথেৰে সমদল কৰি উপায়ুক্তৰ কাৰ্যালয়ৰ সমীপত তথা আৱৰ্ত ভৱনৰ সন্মুখত উপস্থিত হয় আৰু উক্ত স্থানতো বিভিন্ন শ্ল’গানেৰে উত্তাল কৰি তোলে সমগ্ৰ পৰিৱেশ। বৰপেটা জিলা কৃষক সভাই গ্ৰহণ কৰা এই বিক্ষোভ কাৰ্যসূচীত সৰভোগৰ বিধায়ক তথা চি পি আই এমৰ নেতা মনোৰঞ্জন তালুকদাৰেও অংশগ্ৰহণ কৰে। চি পি আই এমৰ নেতাজনে সংবাদ মাধ্যমৰ আগত কয় যে বানত ক্ষতিগ্ৰস্তসকলক বান সাহায্য আৰু ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে । তেওঁ কয় যে বৰপেটা জিলাত এইবাৰ বানাক্ৰান্তসকলে অনাহাৰে-অৰ্ধাহাৰে দিন কটাবলগীয়া হৈছে। বানত বহু খাটিখোৱা মানুহে কৰ্মহীন হৈ পৰিছে বুলিএ তেওঁ উল্লেখ কৰে। বান পৰিস্থিতিৰ মুখামুখি হোৱাৰ কাৰণে চৰকাৰ তথা প্ৰশাসনৰ পূৰ্ব প্ৰস্তুতি নথকাৰ বাবেই এনে ধৰণৰ কৰুণ পৰিস্থিতি হয় বুলি তালুকদাৰে মন্তব্য কৰে। ভূটানৰ পানীয়ে নামনি অসম বিশেষকৈ বৰপেটা, বজালী আদি জিলা ভীষণভাৱে, ক্ষতিগ্ৰস্ত হোৱাৰ কথা উল্লেখ কৰি এইক্ষেত্ৰত ভূটানৰ স’তে চৰকাৰক আলোচনাৰ আহ্বান জনায় চি পি আই এমৰ নেতাজনে। বিক্ষোভ কাৰ্যসূচীৰ অন্ততঃ বৰপেটা জিলা কৃষক সভাই বৰপেটাৰ উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনৰ জৰিয়তে বানপানীত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক আৰ্থিক সাহায্য প্ৰদান কৰা, পৰ্যাপ্ত পৰিমাণে পশুখাদ্য যোগান ধৰা, কৃত্ৰিম নাটনি দেখুৱাই দ্ৰব্য মূল্য বৃদ্ধি কৰা অসাধু ব্যৱসায়ীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা, বানত বিধ্বস্ত বাট পথ, দলং, কালভাৰ্ট আদি পুনৰ নিৰ্মাণ কৰা, জবকাৰ্ডপ্ৰাপ্ত শ্ৰমিকৰ মজুৰি ৬০০ টকালৈকে ধাৰ্য কৰা আদিকে ধৰি ১১ টা দাবী উত্থাপন কৰে । আজিৰ এই কাৰ্যসূচীত বৰপেটা জিলা কৃষক সভাৰ সম্পাদক হাসিম আলী, বৰপেটা জিলা চি পি আই এমৰ সম্পাদক আজিজুৰ ৰহমান, পূৰ বৰপেটাৰ কৃষক নেতা দীপক দাস প্ৰমুখ্যে ভালেকেইজন বামপন্থী নেতা উপস্থিত থাকে।

## কুশতলিত পুনৰ জ্বলিল দুখনকৈ চিতা

*এক পৃষ্ঠাৰ পৰা* ইফালে আজি মন্ত্ৰী পীযুষ হাজৰিকাৰ তত্ত্বাৱধানত পাঁচজন চিকিৎসাধীন যুৱক কুশতলিৰ নিজ বাসগৃহত উপস্থিত হয়। মৃত্যুৰ দুৱাৰ দলিৰ পৰা উভতি অহা পাঁচ যুৱকে নিজৰ গাঁওখনত ভৰি দি সতীৰ্থ-আত্মীয়ক হেৰুৱাৰ বেদনাত উচুপি উঠে। শেহতীয়া তথ্য অনুসৰি জীৱিত, মৃত আৰু সন্ধানহীন লোকসকলৰ ভিতৰত চিকিৎসাধীন অৱস্থাত আছিল মণিৰাম ফুকন, ৰমেন ফুকন, মহেশ্বৰ ফুকন, প্ৰহ্লাদ বসুমতাৰী আৰু জুন বসুমতাৰী। এওঁলোক আজি গুৱাহাটীত উপস্থিত হয়। আনহাতে, সৎকাৰ হোৱা মৃতদেহসমূহ ক্ৰমে গোপাল ফুকন, পল্লৱ ফুকন, হৰমোহন ডেকা, দীপাংকৰ বৰদলৈ বগীয়ান্ত ফুকন আৰু মমিন ডেকাৰজাৰ। মন কৰিবলগীয়া যে দেৱজিৎ ফুকনৰ মৃতদেহ উদ্ধাৰ হৈছে যদিও এতিয়ালৈকে ঘৰলৈ অনা হোৱা নাই। বৰ্তমানেও সন্ধানহীন হৈ থকা আন নজন হৈছে স’নাল কোঁৱৰ, আকাশ লৰম, উৎপল ফুকন, ৰামু ফুকন, হনুমান কোঁৱৰ, টুপেন পাতৰ, জোনটি বৰদলৈ, উপেন্দ্ৰ কোঁৱৰ আৰু কল্পজ্যোতি বৰদলৈ। কুশতলিৰ খোৱাগোঁসাইবড়ী গাঁৱৰ ৰামু ফুকনৰ মৃতদেহ এতিয়াও সন্ধানহীন হৈ থকাত আজি পত্নীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৰকাৰক যেনে তেনে মৃতদেহটো উদ্ধাৰৰ বাবে আহ্বান জনায়। ৰামু ফুকনৰ পত্নীয়ে গাঁওখনৰ চূড়ান্ত আৰ্থিক দৈন্যতাৰ কথা বিৰৰি উচুপি উঠে। তিনি সন্তানক লৈ এতিয়া অন্ধকাৰ দেখিছে পত্নীয়ে। ৰামুৱে পুত্ৰৰ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ খবৰ পাই টকা লৈ অহাৰ কথা আছিল। কিন্তু পুত্ৰৰ নামভৰ্তিৰ বাবে টকা লৈ আহিবলৈ সাজু হওঁতেই এই মৰ্মান্তিক ঘটনা সংঘটিত হয়। ইপিনে, পুত্ৰৰ নামভৰ্তিৰ সামৰ্থ্যও নাই পত্নীৰ। আনহাতে, আকাশ নামৰ যুৱকজনৰ ঘৰতো শয্যাশায়ী হৈ আছে মাতৃ। সেনা বাহিনীৰ চাকৰি কৰাৰ হেঁপাহত সাক্ষাৎকাৰ দি উত্তীৰ্ণ হ’ব নোৱাৰি গৈছিল কাম কৰিবলৈ। কাম কৰি পোৱা টকাৰে আকাশে পুনৰ সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ সপোন দেখিছিল। আকাশৰ সপোনৰ কথা কৈ পৰিয়ালৰ সদস্যই. আজি শোকত উথলি উঠে। আজি মৃতকৰ ঘৰৰ পদুলিয়ে পদুলিয়ে জাতীয় নিয়ম অনুসৰি কলহ বা টিঙত পানী ভৰাই নিমপাত, আৰৈ চাউল দি শান্তি পানী ৰখা দৃশ্যই চকু সেমেকাই তুলে সকলোকে। ঘৰে ঘৰে শোকস্তব্ধ হৈ আজিও চিকিৎসাধীন ২৫জনৰো অধিক লোক। ৩০ টাতকৈ অধিক কণমানি শিশুক পিতৃহাৰা কৰিলে এই প্ৰাকৃতিক দুৰ্যোগে। সৰু কালতে বৈধব্যৰ বোজা মুৰপাতি বহু মাতৃয়ে লব লগা হল সন্তানৰ সম্পুন্ন দায়িত্ব। আজি চিকিৎসাধীন ৰমেন ফুকনে দুৰ্ঘটনা টোৰ ভয়াবহতাৰ কথা বৰ্ণনা কৰি আবেগিক হৈ আত্মীয়ক হেৰুৱা বেদনাত সংবাদ মাধ্যমৰ সন্মুখতে হুকহুকাই কান্দে।

## প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (৫)

*এক পৃষ্ঠাৰ পৰা* শিক্ষা-দীক্ষাহীন, অৰ্থ-কড়িহীন গঞা ৰাইজ। ৰজাৰ ইচ্ছা-অনিচ্ছাৰ ওপৰতে সিবিলাকৰ জীৱন নিৰ্বাহ হৈছিল। খেৰ-বাঁহৰ ঘৰ-সাধাৰণ গৰু-গাই দুটামান; পিন্ধিবলৈ কাপোৰ-কানিকে নাই! কেইটা হজুৰাই পাট-মুগাৰ কাপোৰ পিন্ধিব পাৰিছিল! কপাহ মহাৰ্ঘ্য আছিল। ভূটীয়া বেপাৰী বা বৌদ্ধ ভিক্ষু নহ’লে কপাহী সূতা ক’ত পাব! গাৰো পাহাৰ বা কাৰ্বি পাহাৰলৈ আমাৰ ভৈয়ামৰ কেইজন মানুহ যায়! এই একবিংশ শতিকাতেনো কেইজন ভৈয়ামৰ মানুহ গৈছে? যি গৈছে সমস্ত বাঙালী হিন্দু আৰু বাঙালী মুছলমানহে গৈছে, তামোল-পাণ-মুৰ্গী-মণিহাৰী সামগ্ৰী আদিৰ ব্যৱসায় কৰিবলৈ, বিয়া-বাৰু কৰাই গোঁজেই গজালি হ’বলৈ বা মাৰোৱাৰী ব্যৱসায়ীহে গৈছে গেলামাল, কাপোৰ, সূতা, টিন, লোহা বিকিবলৈ আৰু দক্ষিণ ভাৰতৰ কেৰালাৰ খ্ৰীষ্টান পাদ্ৰী গৈছে ধৰ্ম প্ৰচাৰ কৰিবলৈ।

গতিকে তেতিয়াৰ অসমত সুধী সমাজ সৃষ্টিয়েই হোৱা নাছিল বুলি ভাবিবলৈ সম্পূৰ্ণ অৱকাশ আছে।

শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ আলমত যেতিয়া এই হালোৱা-হজুৱা মানুহবিলাকে একেলগ হৈ ধৰ্মাচৰণৰ লগতে সুকুমাৰ কলা চৰ্চা কৰিবলৈ এটা সুবিধা পালে তেতিয়া সকলোৰে ‘অগোচৰে’ এখন সমাজ সৃষ্টি হ’ল। একোটা নামঘৰক কেন্দ্ৰ কৰি মানুহবিলাক গোট খোৱা এই ঠাইকণক তেতিয়া মানুহে ‘থান’ বুলিছিল। এই থানেই পৰৱৰ্তী সময়ত সত্ৰলৈ ৰূপান্তৰিত হ’ল।

শংকৰদেৱ বা মাধৱদেৱে কোনেও সত্ৰ প্ৰতিষ্ঠা কৰা নাছিল। ‘সত্ৰ’ আমাৰ গঞা সমাজৰহে অৱদান বুলি মই ভাবো। গঞা সমাজখনে সত্ৰখনক এক গণতান্ত্ৰিক অৱয়ব দিব পাৰিলে এই কাৰণেই যে সেই প্ৰতিষ্ঠানটো পৰিচালনাৰ ক্ষেত্ৰত তেওঁলোকে নিজেই জড়িত হৈ থকাটো বিচাৰিছিল। সেয়ে সত্ৰবিলাকত পাঁচনী, দেউৰী, ভৰালী, মহন্ত, গোস্বামী, মেধি, মজুমদাৰ, মুক্তিয়াৰ, পাঠক, ভাগৱতী, খাটনিয়াৰ, বায়ন, গায়ন, সূত্ৰধাৰ, খনিকৰ, লেখাৰু, কাকতি, ওজা আদি পদৰ সৃষ্টি হৈছিল কাম আৰু দায়িত্বৰ ভিত্তিত। সত্ৰসমূহত থকা এই গাঁথনিটোৱে জনসাধাৰণক স্বচ্ছভাৱে আৰু দায়িত্বশীলতাৰে ভবা-চিন্তা কৰিবলৈ উদ্বেলিত কৰিছিল। লগে লগে এখন শৃংখলাবদ্ধ সমাজ (structured society)ৰ সৃষ্টি হৈছিল। তেতিয়াৰ অসমৰ সকলোবোৰ মানুহ (মই ব্ৰহ্মপুত্ৰ উপত্যকাৰ কথাহে কৈছো) যে তাৰ আগলৈকে একেবাৰে ‘সমাজ’ নামৰ ধাৰণাটোৰ বাহিৰত আছিল তেনে নহয়। আচলতে একোখন গাঁৱৰ মানুহখিনিৰ মাজতে একোখন সমাজ আছিল। কিয়নো সমাজ হ’বলৈ হ’লে কিছুমান সমূহীয়া কাজ-কৰ্ম থাকে যেনে— বিয়া-বাৰু, শান্তি বিয়াৰ নীতি-নিয়মবোৰ, মৃতকৰ শ্ৰাদ্ধ বিধি বা ক্ৰিয়া-কাণ্ডবিলাক বা সমজুৱা উৎসৱ-পাৰ্বণ, ৰং-ধেমালি আদি। সেই অসমৰ বিভিন্ন সমাজৰ মাজত সেইবোৰ আছিল।

কিন্তু অসমৰ ইতিহাস এইবোৰ বিষয়ত নীৰৱ। কোনেও লিখাও নাছিল চাগে। কোনেও বিচৰাও নাই চাগে!

কিন্তু বহু প্ৰামাণ্য তথ্যৰ ভিত্তিত ক’ব পাৰি যে ব্ৰহ্মপুত্ৰ উপত্যকাত বহু ঠাইত এখন বৌদ্ধধৰ্মী সমাজ বৰ্তি আছিল। হিন্দু ধৰ্ম লোৱা আহোম ৰজাসকলৰ আগলৈকে প্ৰায় সকলোবোৰ মানুহ বৌদ্ধধৰ্মীয়েই আছিল। বৌদ্ধধৰ্মী সমাজত সংঘৰ শৰণ লোৱাটো এটা স্বতঃসিদ্ধ কথা। সংঘ মানে হ’ল একোটা উমৈহতীয়া প্ৰতিষ্ঠান।

গতিকে সংঘবদ্ধ জীৱন যাপন কৰা কথাটো ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহৰ কাৰণে একেবাৰে নাভূত-নাশ্ৰুত আছিল বুলি ভাবিবৰ মন নাযায়। অৰ্থাৎ বাহ্যিক কোনো প্ৰতিষ্ঠান বা অনুষ্ঠান, ‘শক্তিশালী কাৰক’ হিচাপে নথকাৰ কাৰণে হয়তো কিছু কাল ধৰি মানুহবিলাক কিছু দিশহাৰা হৈ আছিল।

সেয়ে যেতিয়াই বৈষ্ণৱ ধৰ্মই এটা নিউক্লিয়াছ হিচাপে কাম কৰিলে, তেতিয়াই লগে লগে বৌদ্ধ ধৰ্মৰ সিংহ আহি নামঘৰত উপস্থিত হ’লহি, বৌদ্ধ ভিক্ষুৰ পোছাক-পাগুৰিয়েও মোট সলাই সত্ৰত প্ৰৱেশ কৰিলেহি, বৌদ্ধধৰ্মৰ শৰাখনো আথে-বেথে মানুহে লৈ আহিল বা বৌদ্ধ ধৰ্মৰ অহিংসাৰ বাৰ্তাও আমাৰ নামঘৰীয়া হ’লহি।

এই নামঘৰীয়া বা ভকতীয়া সমাজখনেই সত্ৰ সৃষ্টি কৰিলে বা সত্ৰবিলাকেও সমাজখন সৃষ্টি কৰিলে। একোখন সত্ৰ একোখন সমাজৰ কাৰণে ‘মাধ্যাকৰ্ষণ কেন্দ্ৰ’ হৈ পৰিল। কেঁচুৱা এটা জন্ম হ’লে সত্ৰাধিকাৰে এটা আশীৰ্বাদ দি নাম এটা দিয়ে। ককাই-ভাইৰ মাজত মাটি-বাৰী লৈ কাজিয়া লাগিলেও সত্ৰাধিকাৰে বিচাৰ কৰি দিয়ে। প্ৰতিঘৰ মানুহে সত্ৰলৈ বুলি বছৰেকত ‘কিবা এটা’ আগবঢ়ায়। সত্ৰলৈ আগ কৰিহে গাঁৱৰ মানুহে কিবা এটা পাঙে। পুৰা-গধূলি সত্ৰাধিকাৰজনেই মানুহক দিহা-পৰামৰ্শও দিয়ে।

সত্ৰবিলাকেই শংকৰী সংস্কৃতিৰ সকলো উপাদান— বৰগীত, খোল, ভাওনা, মাটি আখৰা, সত্ৰীয়া নৃত্য, ব্ৰজাৱলী ভাষা, অংকীয়া নাট, ঝুমুৰা, তাল-ৰাগ-মাত্ৰা-চাল-মুদ্ৰা সকলোবোৰ আজি শ শ বছৰে ভৱিষ্যতলৈ বুলি ধৰি ৰাখিলে— সাঁচি ৰাখিলে।

কিন্তু সত্ৰ সমাজ ৰাজন্যবৰ্গৰ পৰা ফালৰি কাটি থকাৰ কাৰণেই হ’বলা ৰজাৰ ৰোষত পৰিল— হয়তো নিগৃহীতও হ’ল; কিন্তু ভেকুলী-কেঁচু-সাপ-চেঁচুক-এলান্ধু-মকৰাজাল-জেকা মাটিৰ পৰিৱেশত থাকিও সত্ৰবিলাকে আমাৰ শংকৰী সংস্কৃতি বা সত্ৰীয়া সংস্কৃতি বা মূলসুঁতিৰ অসমীয়া সমাজৰ ধৰ্মীয় তথা সাংস্কৃতিক উপাদানখিনি ধৰি ৰাখিলে— একপ্ৰকাৰ তীব্ৰ সংৰক্ষণশীল হৈ থাকিল।

গোড়ামি, জীৱনত কাম্য নহয়। অন্ধবিশ্বাসো জীৱনত কাম্য নহয়; কিন্তু সংস্কৃতি কিছু গোড়ামি আৰু কিছু অন্ধবিশ্বাস নহ’লে সংৰক্ষিতও নহয়।

কথাটো অবৈজ্ঞানিক যেন লাগিব পাৰে বা আধুনিকতাৰ পৰিপন্থী যেনো লাগিব পাৰে; কিন্তু ‘দীঘল কাপোৰৰ অসুবিধাজনক বিস্মন’টো তেনেকৈয়ে নিচিলালে জাপানী সংস্কৃতিৰ পৰিচয় নাথাকে!

খ্ৰীষ্টান বিয়া এখনত ‘এমাইলমান দীঘল’ কইনাৰ কাপোৰ সাজ নিপিন্ধিলেই নহয়; নহ’লে তেওঁলোকৰ পৰম্পৰা ৰক্ষা নহয়। দীঘল দাড়ি-বগা টুপী-ভৰিৰ সৰু গাঁঠিৰ ওপৰত পায়জামা নিপিন্ধিলে ইছলাম ধৰ্ম গুৰু হ’ব নোৱাৰে! ‘বাহী গাৰে’ গোসাঁই ঘৰত সোমালে, পূজা-পাৰ্বণ কৰিলে ধৰ্ম পালন নহয়! টিকনি নাৰাখিলে ব্ৰাহ্মণ পুৰোহিত হ’ব নোৱাৰে! লংপেন্ট বা হাফপেন্ট পিন্ধি বিয়া পাতিব নোৱাৰে!

এনেকুৱা বহুত কথা আছে। সত্ৰৰ মানুহবিলাকে আধা পেটে থাকিও, কচু-ঢেঁকীয়া খাই হ’লেও, ‘এলান্ধুকলীয়া’ গামোচা পিন্ধিও, কলেৰা-হাইজা, মাৰি-মৰকত ‘নপলাই’ হ’লেও, কোচ-কছাৰী-আহোমৰ যুদ্ধ-বিগ্ৰহতো নিজৰ মাটিতে খামোচ মাৰি থাকিও, ডজনে ডজনে মোগল-মুছলমানৰ আক্ৰমণৰ ধুমুহা গাৰ ওপৰেদি পাৰ হৈ যাবলৈ দিও, ইষ্ট ইণ্ডিয়া কোম্পানীৰ লুণ্ঠন সহ্য কৰিও, ডকাইত অধ্যুষিত ব্ৰিটিছ ৰাজৰ চাবুকৰ কোব খাইও সত্ৰবিলাকে যেনে-তেনে পেটে-বুকুৱে সামৰি-সুতৰি সত্ৰীয়া সংস্কৃতি ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে সংৰক্ষণ কৰি থৈ গ’ল।

এয়া ধেমালি কথা নহয়। বাট-পথ নোহোৱা ঠাইতো, বানপানী-দুৰ্ভিক্ষৰ মাজতো কিহে এই সত্ৰৰ মানুহবিলাকক ইমান দায়িত্বশীল কৰি ৰাখিলে বুজিবলৈকে টান! অকলশৰে, এন্ধাৰে-মুন্ধাৰে টিপ চাকিৰ পোহৰত সত্ৰবিলাকে, এক প্ৰকাৰে ক’বলৈ গ’লে অসমখনকে ৰক্ষা কৰি গ’ল। চন্দুক-পেৰাত সাঁচিপাতৰ পুথিৰ পৰা আৰম্ভ কৰি সকলোবিধ সামগ্ৰী তেওঁলোকে ৰখি থাকিল। যাতায়াত-যোগাযোগৰ সাংঘাতিক অসুবিধাৰ কাৰণেই মূলতঃ বিভিন্ন সত্ৰৰ মাজত শংকৰী বা সত্ৰীয়া সংস্কৃতিৰ বহুত কথাৰ গড়মিল ঘটিল। লিপিৱদ্ধ কৰা কথা বৰ কম আছিল। কেৱল শ্ৰুতি আৰু চৰ্চাৰ মাধ্যমেৰেই কথাবোৰ এচামৰ পৰা আন এটা চামলৈ বাগৰি আহিল।

সেয়ে আজিয়ে ফৎকৈ— এইবোৰ কথা উপেক্ষা কৰি— সত্ৰবিলাকক হেয় কৰা হৈছে, সেইটো উচিত কথা হোৱা নাই।

কিন্তু সত্ৰবিলাকৰো বহুত দোষ আছে, যাৰ বাবে সত্ৰবিলাকক মানুহে নমনা হৈছে। প্ৰথম কথা হৈছে সত্ৰবিলাকৰ যথেষ্ট মাটি-বাৰী থকা সত্ত্বেও প্ৰায়বোৰ সত্ৰৰেই অৱস্থা লাওলোৱা। ইয়াৰ কাৰণ হ’ল সত্ৰৰ মানুহবিলাকৰ কোনো কল্পদৃষ্টি (vision) আৰু কৰ্মোদ্যম বা কৰ্মস্পৃহা নাই। ইমান মাটি থকা মানুহ বা প্ৰতিষ্ঠান আচলতে কোটিপতি হ’ব পাৰিব লাগিছিল। প্ৰতি সত্ৰৰে পুখুৰীত মাছৰ উজান উঠিব লাগিছিল। প্ৰতি সত্ৰৰে বাম মাটিত মাটি কঁঠাল, নাচপতি, মধুৰিআম, নেমু, নাৰিকল আদিৰ উদ্যান গঢ়ি উঠিব লাগিছিল। প্ৰতিখন সত্ৰৰ চৌহদত নাৰ্জী, তগৰ, খৰিকাজাঁই, যুতি, ৰজনীগন্ধা, তুলসী, গোলাপ আদিৰ ভৰুণ বাগিচা হ’ব লাগিছিল। প্ৰতি সত্ৰই সৰ্বশিক্ষা মিছন, এইড্‌ছ সচেতনতা, নিচাযুক্ত দ্ৰব্যৰ বিৰোধিতা, পৰিয়াল পৰিকল্পনা, যৌন শিক্ষা আদি কামত নেতৃত্ব দিব পাৰিব লাগিছিল। সত্ৰৰ ভাওনাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সত্ৰই নিজে তৈয়াৰ কৰি ল’ব পাৰিব লাগিছিল।

কিন্তু সত্ৰবিলাকৰ সেইবিলাক একো নহ’ল। এসময়ৰ গুণৰূপে বিবেচিত হোৱা সত্ৰৰ সংৰক্ষণশীলতা (Conservatism) আজি আধুনিক সময়ত সত্ৰসমূহৰ ‘মৰণমুখী যাত্ৰা’ৰ কাৰক হৈ উঠিল। মাহ-চাউলে আজি মানুহক সত্ৰলৈ আকৰ্ষণ কৰিব নোৱাৰে। আজি সত্ৰত আধুনিক মানুহৰ কাৰণে একো নাই।

গতিকে যিখন ‘অসমীয়া সমাজ’ ‘সত্ৰ সমাজে’ বান্ধি ৰাখিছিল বা ধৰি ৰাখিছিল সেই অসমীয়া সমাজখন আজি থান-বান হৈ গ’ল। সেই কাৰণে আজিৰ সত্ৰাধিকাৰে বানপানীত ককবকাই থকা পীড়িত মানুহক আশ্ৰয় দি এসাঁজ খাদ্য দিয়াৰ সলনি ‘সিবিলাকে পূৰ্বজন্মৰ কৰ্মফল ভুগিছে’ বুলি কয়! (‘কাল বলুকাত খোজ’ত লক্ষ্মীনন্দন বৰাই লিখিছে এই কথা— তেওঁৰ চাক্ষুষ অভিজ্ঞতা বৰ্ণনা কৰি)

তদুপৰি ক’ৰ পৰা কেনেকৈনো সত্ৰাধিকাৰ আৰু ভকতবিলাকৰ মাজত মানুহক ঘিণ কৰাৰ ভাবটো সোমাল সেইটো মোৰ কাৰণে আজিলৈকে বোধগম্য নহ’ল। যি ভকতীয়া বৈষ্ণৱ সমাজে ৰজাৰ অত্যাচাৰী তথা শোষক চৰিত্ৰৰ বিদ্ৰোহাচৰণ কৰি ‘মায়ামৰা বিদ্ৰোহ’ কৰি আহোম ৰাজতন্ত্ৰ তচনচ কৰি পেলাইছিল, সেই বৈষ্ণৱ সমাজ কেনেকৈ নিজেই শোষক হৈ পৰিব পাৰে মই আজিলৈকে বুজি নাপালো। চাহ মজদুৰক লেই লেই চেই চেই— কৈৱৰ্ত-জনজাতিক, কাক নকৰে ঘিণ! কি কাৰণে বড়ো মানুহে (কালীচৰণ ব্ৰহ্ম) সত্ৰত দীক্ষা লোৱাৰ পৰা বঞ্চিত হৈ কলিকতীয়া ব্ৰাহ্ম সমাজত শৰণ ল’বলগীয়া হ’ল তাৰো কথা কোনেও নাপাতিলে। ‘প্ৰভু ঈশ্বৰ’ বুলি মানুহে সম্বোধন কৰিলেই তেৰাসৱৰ যেন স্বৰ্গত্ব প্ৰাপ্তি হয়— এনে ভাবতেই সত্ৰাধিকাৰসকলে জীৱন পাত কৰিলে আৰু অসমীয়া জাতিক নিপাত কৰিলে। গড়মূৰ সত্ৰৰ এসময়ৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ নিচিনা মানুহ বা ওদালগুৰিৰ দয়াল কৃষ্ণ মহন্তৰ নিচিনা মানুহ আৰু বহুত জন্ম নহ’ল।

টকা-পইচা আৰু সাংগঠনিক ভেঁটি নাথাকিলে কোনো প্ৰতিষ্ঠানে সমাজক একো দিব নোৱাৰে। ডনবস্ক’ৰ নিচিনা কোটি কোটি টকা খটুৱাই কলেজ-বিশ্ববিদ্যালয়-কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ আমাৰ সত্ৰই কেনেকৈ পাতিব? কোটি কোটি টকাৰে ইছলামীয় ধৰ্ম-সংস্কৃতি বিয়পোৱা কাৰ্যৰ সময়ত আমাৰ সত্ৰ কেনেকৈ থিয় হ’ব? কোটি কোটি টকাৰে কৰা উত্তৰ ভাৰতীয় হিন্দুত্বৰ আগ্ৰাসন আমাৰ সত্ৰই কেনেকৈ চম্ভালিব? কোটি কোটি টকীয়া ৰামকৃষ্ণ মিছনৰ নিচিনা প্ৰতিষ্ঠান আমাৰ সত্ৰ কেনেকৈ হ’ব?

আচলতে সত্ৰবিলাকৰ যথেষ্ট সংস্কাৰৰ প্ৰয়োজন আছিল। সত্ৰাধিকাৰবিলাকে মাতব্বৰিতা খটাই শ শ হেজাৰ হেজাৰ বিঘা মাটি পমুৱা মুছলমান আৰু অন্য মানুহক বেদখল কৰিবলৈ দিলে বা ‘এনেয়ে দি দিলে’ দুটামান টকাৰ বিনিময়ত। কথাবোৰ মনে মনে ৰাখিলে। কাকো নক’লে। এতিয়া সত্ৰৰ মাটি বেদখল হৈছে বুলি কৈছে। আচলতে কিজানি বেদখলতকৈ বেছি হ’ল সত্ৰাধিকাৰবিলাকে পমুৱা বা আনক মাটিবোৰ এনেয়ে দিয়াটোহে!

যি গণতান্ত্ৰিক প্ৰমূল্য আৰু কাৰকৰ কাৰণে সত্ৰ প্ৰতিষ্ঠা হৈছিল, সেই সকলোবোৰ সত্ৰাধিকাৰবিলাকে জলাঞ্জলি দিলে আৰু নিজে ‘একনায়ক’ (dictator) হৈ পৰিল আৰু সকলো একনায়কক ইতিহাসে সময়ৰ অন্ধকাৰলৈ নিক্ষেপ কৰাৰ দৰে আজি তেওঁলোক ঢাল নাই, তৰোৱাল নাই, নিধিৰাম চৰ্দাৰ! নিজৰ ভেঁটি-মাটি ৰক্ষা কৰিবলৈকো অপাৰগ। আনলৈ মুখ মেলি ৰৈ আছে কোনোবাই ৰক্ষা কৰি দিবহি বুলি; কিন্তু তেওঁলোক হ’ব পাৰিলেহেঁতেন অসমীয়া সমাজৰ নায়ক। অসমৰ নিজা সম্পদ-ঐশ্বৰ্যৰ স্খলনৰ এইটো এটা প্ৰকৃষ্ট উদাহৰণ। নিজৰ ভাল বস্তু ধ্বংস কৰাত অসমীয়াৰ সমকক্ষ কোনো নাই।

কি দুৰ্ভাগ্য অসমৰ! আমাৰ মানুহৰ কোৱালিটিয়েই বেয়া!

# গোৱালপাৰাত এমাহৰ ভিতৰত দুবাৰকৈ

৮ পৃষ্ঠাৰ পৰা বিপৰীতে সন্তুষ্ট কৰিব নিবিচৰা তথা নোবাবসকলে শান্তিমূলক বদলিৰ সন্মুখীন হ'বলগীয়া হোৱা বুলিও অভিযোগ উঠিছে। ইপিনে, বিগত প্ৰায় এবছৰ ধৰি লাট মণ্ডলৰ লগতে জিলা প্ৰশাসনৰ কৰ্মচাৰীসকলক বাৰে বাৰে বদলি কৰাৰ ব্যৱস্থা কৰি উক্ত প্ৰভাৱশালী চক্ৰটোৱে মুনাফা লুটি থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এইদৰে সঘনাই বদলিকৰণ চলি থকা বিষয়টোৰ ক্ষেত্ৰত নিৰপেক্ষ তদন্তৰ দাবীও উত্থাপন কৰিছে নাম প্ৰকাশক অনিচ্ছুক একাংশ কৰ্মচাৰীয়ে।

# জয়পুৰ জ্ঞানোদয় একাডেমীৰ প্ৰতিষ্ঠা

৮ পৃষ্ঠাৰ পৰা মহাবিদ্যালয়খনৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীসকলকো উপহাৰ প্ৰদান কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন নৃত্য-গীত-কবিতা পাঠ-নাটক আদি পৰিবেশন কৰে। উপস্থিত থকা অভিভাৱক, ছাত্ৰ-ছাত্ৰীসকলে বক্তব্য আগবঢ়ায়। উল্লেখ্য যে ২০১৪ত স্থাপন হোৱা মহাবিদ্যালয়খনে বৃহত্তৰ অঞ্চলটোৰ বিদ্যায়তনিক ক্ষেত্ৰত ইতিমধ্যে একক আৰু অনন্য অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু যথেষ্ট সংখ্যক শুভাকাংক্ষী উপস্থিত থাকে।

# বেলশৰ কেন্দ্ৰীয় সমাজ কল্যাণ সমিতিৰ

৮ পৃষ্ঠাৰ পৰা বৰ্মন আৰু চামতাৰ বিষ্ণুজ্যোতি একাডেমীৰ স্বত্বাধিকাৰ অনন্ত বৰ্মনে আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। বেলশৰ কেন্দ্ৰীয় সমাজ কল্যাণ সমিতিৰ সম্পাদক গগন বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানত কৃতী শিক্ষাৰ্থীসকলক উদ্যোক্তাসকলে ফুলাম গামোচা, গ্ৰন্থ, অভিনন্দন পত্ৰ আদিৰে অভিনন্দন জনায়। অনুষ্ঠানত বাণী বৰ্মনৰ সামগ্ৰিক পৰিকল্পনাত ধৃতিমা বৰ্মন, তৰিবৰ ৰহমান, নিশিতা মেনা, টাবনি চুলতানাই একক সংগীত আৰু বিচা বৰ্মন, টানিয়া বৰ্মন, প্ৰাচী ঠাকুৰীয়া, বিংকি মেধি, অংকিতা বৰ্মন, পৰিস্মিতা বৰ্মন, সংগীতা ঠাকুৰীয়া, ৰাতুল ঠাকুৰীয়াই সমূহীয়া সংগীত পৰিবেশন কৰি অনুষ্ঠানটি উপভোগ্য কৰি তোলে। স্মৰ্তব্য যে বেলশৰ কেন্দ্ৰীয় সমাজ কল্যাণ সমিতিয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ অঞ্চলটোৰ শিক্ষাৰ্থীসকলক প্ৰতিবছৰে এনেদৰে বিশেষভাৱে অভিনন্দন জনাই আহিছে।

# ঢেকিয়াজুলিত 'আধুনিক নেপালী

৮ পৃষ্ঠাৰ পৰা গৱেষণাপত্ৰ পাঠ কৰে। ইয়াৰ পাছত ২০২১ৰ সাহিত্য একাডেমীৰ পুৰস্কাৰ বিজেতা বিশিষ্ট কবি-সাহিত্যিক ছবিলাল উপাধ্যায়ৰ লগত উপস্থিত সাহিত্যানুৰাগী ব্যক্তিৰ সাহিত্যালাপ আৰু সম্বৰ্দ্ধনা অনুষ্ঠান হয়। এই সমস্ত অনুষ্ঠান পৰিচালনাৰ ক্ষেত্ৰত দেবৰাজ উপাধ্যায়, ৰঞ্জন দাহাল আদিয়ে সহযোগ কৰে। উক্ত আলোচনাচক্ৰত সাহিত্য একাডেমীৰ সদস্য বিশ্বজিত ৰয়, বিশিষ্ট সাহিত্যিক টিকাৰাম উপাধ্যায়, বিদ্যাপতি দাহাল, অৱসৰপ্ৰাপ্ত অধ্যাপক কুল প্ৰসাদ শৰ্মা, চন্দ্ৰ শেখৰ উপাধ্যায়, মিত্ৰদেৱ শৰ্মা, হিমসাগৰ উপাধ্যায়, দেৱী প্ৰসাদ অধিকাৰী, ৰমাকান্ত ছিমখড়া, বলভদ্ৰ ভণ্ডাৰী, ড° দেৰেন চাপকোটা, হেমন্ত কুমাৰ ছামলাগাই, নব বাহাদুৰ দৰ্জী, মহীম আচাৰ্যৰ লগতে শতাধিক লোক উপস্থিত থাকে। এই অনুষ্ঠানত সাহিত্য একাডেমীৰ সদস্যসকলৰ লগতে নেপালী সাহিত্য সভা, হামৰো স্বাভিমান, ঢেকিয়াজুলিৰ গোৰ্খা সন্মিলন, মহিলা সাংস্কৃতিক গোষ্ঠীৰ বিষয়ববীয়া আৰু সদস্যসকলে ২০২১ ৰ সাহিত্য একাডেমীৰ পুৰস্কাৰ বিজেতা বিশিষ্ট কবি-সাহিত্যিক ছবিলাল উপাধ্যায়ক সম্বৰ্দ্ধনা জনায়।

# টিংখাঙত নাট্যচৰ্চাৰ উদ্দেশ্যে ৰাজহুৱা

৮ পৃষ্ঠাৰ পৰা নাট প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল বুলি উল্লেখ কৰে। পূৰ্বৰ সন্মিলনৰ শাখা সমিতিখন নিষ্ক্ৰিয় হৈ যোৱাৰ পৰাই টিংখাঙত নাট্য চৰ্চা প্ৰায় নাইকিয়া হৈ যোৱা যেন হৈছে। সেয়েহে প্ৰচুৰ সম্ভাৱনাময় টিংখাঙত এখনি বলিষ্ঠ শাখা সমিতি গঠন কৰি নাট্য চৰ্চা পুনৰ অব্যাহত ৰখাৰ উদ্দেশ্যে ৰাজহুৱা সভা আয়োজন কৰা বুলি উল্লেখ কৰে। সভাত বিশিষ্ট অতিথিৰূপে যোগদান কৰি অসম নাট্য সন্মিলনৰ ইতিহাস, লক্ষ্য, উদ্দেশ্য, সমাজৰ লাভালাভ, ভৱিষ্যৎ কৰ্মপন্থাৰ সম্পৰ্কে বিশদ বিৱৰণী দাঙি ধৰি বক্তব্য আগবঢ়াই অসম নাট্য সন্মিলনৰ সৌমাৰপীঠ মণ্ডলৰ সভাপতি টুটু বৰুৱা, অসম নাট্য সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বসন্ত খনিকৰ, সম্পাদক সুনীল দত্ত আদি বিশিষ্ট ব্যক্তিসকলে। সমজুৱাৰ দুআষাৰত ক্ৰমে নাট্যকৰ্মী দুলাল গগৈ, ভোলা গগৈ, শিক্ষক ভৱ গগৈ, সমাজসেৱক অঞ্জন সভাপণ্ডিত নাট্যকৰ্মী দিগন্ত গগৈ, যোগেশ শইকীয়া, সমাজসেৱক সুবোধ গগৈ, মনীষা কাকতি, যোগেশ বিকাশ চেতিয়া আদিয়ে বক্তব্য ৰাখে। টিংখাং সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী বিমল বড়াক মুখ্য উপদেষ্টা, যোগেশ বিকাশ চেতিয়া, সুবোধ গগৈ, অৰুণ দেউৰীয়া, বিনন্দ গগৈ আৰু ভৱকান্ত গগৈক উপদেষ্টাৰূপে লৈ সভাৰ সৰ্বসন্মতিক্ৰমে অজিত গগৈক সভাপতি, দিগন্ত গগৈক কাৰ্যকৰী সভাপতি, অঞ্জন সভাপণ্ডিত, দুলাল গগৈ আৰু ভোলা গগৈক উপ-সভাপতি, যোগেশ শইকীয়াক মুখ্য সম্পাদক, মনীষা কাকতিক সম্পাদকৰূপে লৈ শাখাৰ মূল সমিতিখন গঠন কৰা হয়।

# আইনসংগত সুবিধাৰ পৰা বঞ্চিত

৮ পৃষ্ঠাৰ পৰা পদোন্নতিৰ ব্যৱস্থা কৰা, স্থানীয় নিগন, নিকায়সমূহত অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা, ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহত সংৰক্ষণৰ ব্যৱস্থা বাধ্যতামূলক কৰা, ১৯৪৭ৰ ১২ ফেব্ৰুৱাৰীত গোপীনাথ বৰদলৈৰ নেতৃত্বত গঠন হোৱা চৰকাৰে নতুনকৈ ১৮৮৬ৰ ভূমি সুৰক্ষা আইনত সংলগ্ন কৰা 'অসমৰ পিছপৰা শ্ৰেণীসমূহৰ ভূমি সুৰক্ষাৰ ব্যৱস্থা' কাৰ্যকৰীকৰণেৰে এই আইন বলৱৎ কৰি অসমীয়াৰ ৰক্ষা কৱচ সুৰক্ষিত কৰা আদি বিষয়সমূহ উল্লেখ কৰি অসম পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ শান্তনু গগৈৰ হাতত স্মাৰকপত্ৰ প্ৰদান কৰে। অসম ৰাজ্যিক অ'বিচি সংঘৰ সাধাৰণ সম্পাদক ৰেৱ সন্দিকৈৰ নেতৃত্বত যোৱা সঁজাতী দলটোৱে অসম পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ শান্তনু গগৈৰ স'তে আয়োগৰ গুৱাহাটীৰ কাৰ্যালয়ত এক সৌহাৰ্দ্যমূলক আলোচনাত মিলিত হৈ অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ ন্যায্য প্ৰাপ্যৰ স্বাৰ্থত কাম কৰি যাব বুলি সংঘৰ বিষয়ববীয়াসকলক প্ৰতিশ্ৰুতি প্ৰদান কৰে। উল্লেখ যে, ইতিমধ্যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁইক মুখ্য উপদেষ্টা, সাহিত্যিক প্ৰহ্লাদ চন্দ্ৰ তাচা আৰু গুৱাহাটীৰ জ্যেষ্ঠ সাংবাদিক চন্দ্ৰকান্ত বৰুৱাক উপদেষ্টা, বৰহোলাৰ অৱসৰপ্ৰাপ্ত শিক্ষক হেমেন শইকীয়াক সভাপতি, ডিমা হাছাওৰ নৃপেন ভূঞাক কাৰ্যকৰী সভাপতি, ডিব্ৰুগড়ৰ টিংখাঙৰ অন্যান্য পিছপৰা শ্ৰেণীৰ সংগঠক দিগন্ত দানহ, ৰহাৰ ঘনশ্যাম নাথক উপ-সভাপতি, গুৱাহাটীৰ বিশিষ্ট চিন্তাবিদ তথা অন্যান্য পিছপৰা শ্ৰেণীৰ অগ্ৰণী সংগঠক ৰেৱ সন্দিকৈক সাধাৰণ সম্পাদক, তিতাবৰৰ সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱা আৰু তিনিচুকীয়াৰ অন্যান্য পিছপৰা শ্ৰেণীৰ সংগঠক পুষ্প গগৈক সম্পাদক, নামৰূপৰ মাৰ্ফী গগৈক সহ-সম্পাদিকা, গুৱাহাটীৰ জ্যোতিপ্ৰকাশ ফুকনক কোষাধ্যক্ষ, টীয়কৰ সাংবাদিক দীপজ্যোতি শইকীয়াক মুখ্য প্ৰচাৰ সম্পাদক, নগাঁৱৰ প্ৰমোদ বৰাক সহকাৰী প্ৰচাৰ সম্পাদক, গুৱাহাটীৰ নীলম হাজৰিকাক মুখ্য সাংগঠনিক সম্পাদক, ধেমাজিৰ ডাঃ বাবুল বৰগোহাঁই, নগাঁৱৰ ৰাজীৱ হাজৰিকাক ক্ৰমে উত্তৰ অসম আৰু মধ্য অসমৰ মাণ্ডলিক সাংগঠনিক সম্পাদক, ডিব্ৰুগড়ৰ জুনু দিহিঙীয়াক উজনি অসমৰ মাণ্ডলিক সহকাৰী সাংগঠনিক সম্পাদিকা হিচাপে লৈ অল ইণ্ডিয়া অ'বিচি ফেডাৰেছনৰ অধীনত গঠিত হোৱা 'অসম ৰাজ্যিক অ'বিচি সংঘ (আসাম ষ্টেট অবিচি ফেডাৰেছন)ৰ ২৭ জনীয়া কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ বাবে বিভিন্ন উন্নয়নমূলক আঁচনিসমূহ প্ৰচাৰ আৰু প্ৰসাৰৰ হেতুকে সজাগ কৰি তুলিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। আনহাতে, মণ্ডল আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা বিভিন্ন সুবিধা ৰাইজৰ মাজলৈ আগবঢ়াই দিয়া, অন্যান্য পিছপৰা শ্ৰেণীৰ সংগঠনসমূহ অসম ৰাজ্যিক অ'বিচি সংঘৰ স'তে অন্তৰ্ভুক্তকৰণেৰে অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰাৰ উপৰি প্ৰতিটো বিভাগৰ কৰ্মচাৰীসকলৰ স্বাৰ্থত এশ পইণ্ট ৰোষ্টাৰ শুদ্ধভাৱে ৰূপায়ণ কৰি কম্পিটেণ্ট অথ'ৰিটিৰ দ্বাৰা পৰ্যবেক্ষণৰ ব্যৱস্থা কৰা, একেটা পদতে ১০ বছৰ সম্পূৰ্ণ হোৱা কৰ্মচাৰীক পদোন্নতিৰ ক্ষেত্ৰত সংগঠনটোৱে ইতিমধ্যে যাৱতীয় ব্যৱস্থাও গ্ৰহণ কৰিছে। এনে পৰিপ্ৰেক্ষিতত অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণে আইনসংগতভাৱে ন্যায্য প্ৰাপ্য আদায়ৰ বাবে প্ৰতিখন জিলাতে অসম ৰাজ্যিক অ'বিচি সংঘৰ আঞ্চলিক আৰু জিলা সমিতি গঠনৰ ক্ষেত্ৰত সংঘৰ নেতৃবৃন্দই অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ সহযোগিতা কামনা কৰাৰ লগতে 'অসম ৰাজ্যিক অ'বিচি সংঘ', মুখ্য কাৰ্যালয় ঃ হাউছ নম্বৰ-১২, প্ৰগতি পথ, ঊষা নগৰ, বৰবাৰী চাৰিআলি, গুৱাহাটী-৭৮১০৩৬, ই-মেইন ঃ assamsobcf@gmail.com, ফোন ঃ ৯৪৩৫১৯৩৮১০ (সাধাৰণ সম্পাদক), ৯৬৭৮২০৪৫২৪ (সভাপতি) এই ঠিকনাত যোগাযোগ কৰিবৰ বাবে 'অসম ৰাজ্যিক অ'বিচি সংঘ'ৰ হৈ সম্পাদকদ্বয় ক্ৰমে প্ৰসেনজিৎ ৰাজখোৱা আৰু পুষ্প গগৈয়ে এক বিবৃতিযোগে আহ্বান জনাইছে।

# বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰকৃততেই

৮ পৃষ্ঠাৰ পৰা উপন্যাসসমূহ ৰচনা কৰাৰ সমান্তৰালভাৱে লোকসংস্কৃতিৰ গৱেষণাত আত্মনিয়োগ কৰিছিল। অসমত উত্তৰ আধুনিকতাবাদী চেতনাৰ প্ৰস্ফুৰণৰ বাবে স্বাধীনতাৰ ১৯৪৭ চনটোলৈ বাট চাবলগীয়া হোৱা নাছিল। অসমত উত্তৰ আধুনিকতাৰ চেতনা বিৰিঞ্চি বৰুৱাৰ কলমৰ মাজেৰেই নিগৰি আহিছিল বুলিও কয়। তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বৰুৱাই আঁত ধৰা আৰু তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভুপেন শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত মনোজ্ঞ অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা আন এজন বিশিষ্ট চিন্তাবিদ, সাহিত্য সমালোচক, লেখক তথা ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° কমল চন্দ্ৰ শইকীয়াই ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সৃষ্টি ৰাজিৰ নিৰ্মোহ বিশ্লেষণ কৰাৰ সমান্তৰালভাৱে বৰেণ্য সাহিত্যিকজনৰ আন কেতবোৰ সমাজ হিতৈষী গুণৰ ওপৰত সাৱলীলভাৱে আলোকপাত কৰে। এই ক্ষেত্ৰত ড° কমল চন্দ্ৰ শইকীয়াই অসমীয়া জাতি সত্তাক গতিশীল কৰি ৰখাত বিৰিঞ্চি কুমাৰ বৰুৱাৰ যি অবদান সেয়া অবিস্মৰণীয় হৈ থাকিব বুলি মন্তব্য কৰি মাত্ৰ ৫৬ বছৰ জীৱন কাল লাভ কৰা ক্ষণজন্মা বৰুৱাই অসমীয়া সাহিত্য সংস্কৃতিক সঞ্জীৱনী সুধা প্ৰদান কৰিছিল আৰু অসমীয়া জাতীয় সত্তা ভেটি নিৰ্মাণ কৰিছিল বুলি মন্তব্য কৰি এতিয়াও বিৰিঞ্চি বৰুৱাৰ জীৱন আৰু কৰ্মৰাজিৰ কে'বাটাও দিশ উন্মোচিত নোহাৱাকৈ ৰৈছে বুলি কয়। ড° শইকীয়াই আৰু কয়, 'আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ বিষয়টোত গণতান্ত্ৰিক তথা সাধাৰণ শ্ৰেণীৰ মানুহৰ দৃষ্টিৰে লক্ষ্য কৰিলেহে প্ৰকৃত আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ স্বৰূপ চিনিব পৰা যাব সেই কথা বিৰিঞ্চি কুমাৰ বৰুৱাই তাহানিতে অনুধাৱন কৰিব পাৰিছিল। বৰুৱাৰ মাজত কেৱল এজন সাহিত্যিক বা কালজয়ী ঔপন্যাসিকৰ সন্ধান কৰি থাকিলে সমীচীন নহ'ব। অসমীয়া সাহিত্যৰ বিদ্যায়তনিক দিশ, শিক্ষাৰ সাংগঠনিক দিশ, অসমীয়া লোকসংস্কৃতি চৰ্চা, ইতিহাস অধ্যয়ন, অসমৰ মঠ-মন্দিৰ অধ্যয়ন-চৰ্চা, বিষ্ণুপ্ৰসাদ ৰাভাৰ সাম্যবাদী চিন্তা-চৰ্চাৰ স'তে বিৰিঞ্চি কুমাৰ বৰুৱাৰ চিন্তাৰ ঐক্যসূত্ৰৰ মাজতো ড° বৰুৱাক বিজ্ঞানসন্মতভাৱে আমি সন্ধান কৰাৰ প্ৰয়োজন আছে বুলি গুৰুত্বসহকাৰে উল্লেখ কৰে। নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যাপক, বিশিষ্ট লেখক বিজিত বৰঠাকুৰ, বিশিষ্ট শিক্ষাবিদ ড° ভুবনেশ্বৰ চহৰীয়া, ড° অৱনী কুমাৰ শৰ্মা, তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা প্ৰাপক বেণুধৰ কাকতি, সাহিত্যিক পেঞ্চনাৰ ৰাম চন্দ্ৰ চুতীয়া, সুশীল কুৰ্মী, বিশিষ্ট লেখিকা ৰাজু বৰুৱা, বিশিষ্ট আলোকচিত্ৰ শিল্পী নলিনী বৰুৱা, প্ৰবীণ অধিবক্তা বিপিন কটকী, অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ সভাপতি পুলিন ভট্টাচাৰ্যকে ধৰি তেজপুৰৰ বিদ্বৎ সমাজৰ উপস্থিতিত তেজপুৰ সাহিত্য সভাৰ সহকাৰী সম্পাদক, অধ্যাপক পল্লৱ ভট্টাচাৰ্যই আদৰণী ভাষণ দাঙি ধৰা আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মহেন্দ্ৰ কুমাৰ নাথে তিনিও গৰাকী অতিথিৰ জীৱন পৰিচিতি দাঙি ধৰা অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰ্ণেশ্বৰ নাথে। পূৰ্ণেশ্বৰ নাথেও ড° বৰুৱাৰ সাহিত্যিক মূল্যায়ন কৰি ভাষণ প্ৰসংগত কয়, 'অসমীয়া সাহিত্য-সংস্কৃতি, জাতিসত্তাৰ যুগ নিৰ্মাণকৰ্তা হৈছে ড° বিৰিঞ্চি কুমাৰ বৰুৱা। নিম্নবৰ্গীয় চিন্তা-চেতনাৰ বাটকটীয়া ঔপন্যাসিক লোককৃষ্টিৰ গৱেষক বিৰিঞ্চি কুমাৰ বৰুৱাক ন-দৃষ্টিৰ আলোকপাত কৰা আলোচক প্ৰভাত বৰা আৰু কমলচন্দ্ৰ শইকীয়াই এটি নৱচিন্তাৰ পাতনি তৰিলে বুলি মন্তব্য কৰি বিৰিঞ্চি কুমাৰ বৰুৱাৰ দৰে অসমীয়া জাতিসত্তাৰ ভেটি গঢ়োতা মহীৰূঢ়জনৰ সম্পৰ্কত জীৱন ভিত্তিক উপন্যাস লিখিবলৈ আগবাঢ়ি অহাটো এক দুঃসাহস বুলি উল্লেখ কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক নাথে ড° ভূপেন শইকীয়াৰ এই প্ৰয়াসক ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে অনুষ্ঠানৰ আৰম্ভণিতে ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সাহিত্য সমালোচক প্ৰভাত বৰাই আৰম্ভণি কৰে।

# ধিং বিদ্যুৎ পৰিষদৰ চূড়ান্ত অকৰ্মণ্যতাৰ বাবে দুৰ্ভোগ ভুগিছে গ্ৰাহকে

## ■ ধিঙত ৩৩ কেভি লাইন ছিগি পৰিল বিয়া ঘৰত ■ কথমপি ভয়ংকৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিল আৱাসিক অঞ্চল

**অগ্ৰদূত বাৰ্তা**

**ধিং, ৪ জুলাই ঃ** অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ধিং বিদ্যুৎ বিভাগৰ চূড়ান্ত অকৰ্মণ্যতা আৰু অদক্ষতাৰ বাবেই এতিয়া জ্বলা-কলা খাব লগাত পৰিছে বিদ্যুৎ গ্ৰাহকে। যিকোনো বিপদ-আপদৰ ক্ষেত্ৰত বাৰম্বাৰ ফোন কৰি থাকিলেও ফোন ৰিচিভ নকৰে নিয়ন্ত্ৰণ কক্ষত থকা কৰ্মচাৰীয়ে। যাৰ বাবে যোৱা নিশা এক ভয়ংকৰ বিপদৰ পৰা ৰক্ষা পৰিল ধিং নেপালী গাঁও। নিশা ধিং নেপালী গাঁৱত ৩৩ কেভি বিদ্যুতৰ তাঁৰ ছিগি পৰিল বিয়া ঘৰত। মুহূৰ্ততে লাগিল হুৱাদুৱা। বিদ্যুতৰ সংস্পৰ্শত জ্বলি উঠিল বিয়া ঘৰৰ বিভিন্ন আচবাব। এই ঘটনা সংঘটিত হৈছে ধিঙৰ নেপালী গাঁৱৰ সমীপৰ এটা গলিত। উল্লেখ্য যে প্ৰতিমা দাস নামৰ মহিলাগৰাকীৰ পুত্ৰৰ বিয়া আছিল যদিও বৰযাত্ৰী কন্যাৰ ঘৰলৈ যোৱাৰ বাবে বিয়া ঘৰত কিছুসংখ্যক লোকহে উপস্থিত আছিল। এই ঘটনা সন্দৰ্ভত ধিং বিদ্যুৎ উপ-সংমণ্ডলক অৱগত কৰা হয় যদিও সময়মতে ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগীয়ে। উল্লেখ্য যে ৩৩ কেভি ভল্টৰ তাঁৰ আৱাসিক অঞ্চলৰ ঘৰৰ



ওপৰেৰে লৈ যোৱা হৈছে যদিও তাত কোনো ধৰণৰ সুৰক্ষামূলক ব্যৱস্থা কৰা নাই বিদ্যুৎ বিভাগে। যাৰ পৰিপ্ৰেক্ষিতত যিকোনো মুহূৰ্ততে সেই অঞ্চলত সংঘটিত হ'ব পাৰে ভয়ংকৰ অঘটন। ইতিমধ্যে ভুক্তভোগী পৰিয়ালটোৱে আৰক্ষী প্ৰশাসনকো অৱগত কৰিছে সমস্ত ঘটনা। বিদ্যুৎ বিভাগে এই ক্ষেত্ৰত যদি ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে অদূৰ ভৱিষ্যতে যে ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হ'ব সেয়া একপ্ৰকাৰ নিশ্চিত। ইফালে, অকৰ্মণ্য আৰু অদক্ষ ধিং উপ-সংমণ্ডল বিষয়াক তদন্তক্ৰমে শাস্তিমূলক ব্যৱস্থাৰ দাবী জনাইছে ভুক্তভোগী গ্ৰাহকে।

# বিশ্বনাথৰ পঞ্চমুখী হনুমান মন্দিৰত চুৰি কাণ্ড

## ■ চোৰক ৰাইজে কৰায়ত্ত কৰি গতালে আৰক্ষীক

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৪ জুলাই ঃ** পুনৰ বিশ্বনাথৰ ধৰ্মীয় অনুষ্ঠানত চুৰিৰ চেষ্টা। নিশা দুই বজাত খেদি খেদি স্থানীয় ৰাইজে কৰায়ত্ত কৰিলে চোৰক। ঘিলাধাৰীৰ পাৰৰ পঞ্চমুখী হনুমান মন্দিৰত পূজাৰীক এটা কোঠাত আৱদ্ধ কৰি চোৰৰ দলে মন্দিৰৰ সা-সামগ্ৰী লৈ উধাও হ'বলৈ ধৰোতেই পূজাৰীয়ে ফোন কৰি সহায় বিচৰাৰ বাবে ঘটনাস্থলীত উপস্থিত হয় স্থানীয় ৰাইজ। ৰাইজক দেখি চোৰে পলায়নৰ চেষ্টা কৰে যদিও এটা চোৰক ৰাইজে কৰায়ত্ত কৰি আৰক্ষীক চমজাই দিয়ে। ধৃত চোৰজনৰ ঘৰ নগাঁও জিলাত। উল্লেখ্য যে বিশ্বনাথৰ কুমলীয়া মন্দিৰ, ওপৰবাঘমৰাৰ নামঘৰ আদিত চোৰে লুটপাট চলাই চোৰৰ উপদ্ৰৱ অব্যাহত আছে।

# সিদ্ধাৰ্থ শৰ্মা ফেন ক্লাবৰ বানাক্ৰান্তৰ মাজত সাহায্য



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৪ জুলাই ঃ** বানবিধ্বস্ত মৰিগাঁও জিলাত বানাক্ৰান্ত ৰাইজক বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিভিন্ন ব্যক্তিয়ে নিজা প্ৰচেষ্টাৰে বান সাহায্য প্ৰদান কৰি অহাৰ সমান্তৰালকৈ সিদ্ধাৰ্থ শৰ্মা ফেন ক্লাব অসমৰ উদ্যোগত আৰু মৰিগাঁও জিলা ফেন ক্লাবৰ সহযোগত মৰিগাঁও জিলাৰ বানবিধ্বস্ত বিভিন্ন অঞ্চলৰ বানাক্ৰান্ত ৰাইজক আজি বান সাহায্য প্ৰদান কৰে। বান সাহায্য প্ৰদান কাৰ্যসূচীত ফেন ক্লাবৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা তথা অসমৰ জনপ্ৰিয় অভিনেতা সিদ্ধাৰ্থ শৰ্মাৰ উপস্থিতিত বানাক্ৰান্ত অঞ্চল দ'মাল, তেলাহী, নাৰমাৰী, শ'লমাৰী অঞ্চল পৰিদৰ্শন কৰাৰ লগতে বানাক্ৰান্ত পৰিয়ালক ফেন ক্লাবৰ সহযোগত বানসাহায্য বিতৰণ কৰাৰ লগতে বানাক্ৰান্ত ৰাইজৰ লগত কিছু মত বিনিময় কৰে। কাৰ্যসূচীত সিদ্ধাৰ্থ শৰ্মা ফেন ক্লাব অসমৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক অঞ্জন সিদ্ধাৰ্থ শৰ্মা, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি অৰূপ কুমাৰ নাথ, মৰিগাঁও জিলা ফেন ক্লাবৰ সভাপতি পংকজ শইকীয়া, সদস্য বিমল ডেকাকে ধৰি ফেন ক্লাবৰ ভালেকেইজন সদস্য উপস্থিত থাকে। কাৰ্যসূচীত দুশটা বানপীড়িত পৰিয়ালক সাহায্য প্ৰদান কৰা হয়।

# তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিকিৎসকৰ বিৰুদ্ধে মহিলাক অশালীন আচৰণৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৪ জুলাই ঃ** তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত আজি এগৰাকী মহিলা ৰোগীৰ এম আৰ আই পৰীক্ষাৰ নামত ৰোগী গৰাকীৰ সন্মতি অবিহনে এগৰাকী কনিষ্ঠ চিকিৎসকে মহিলাগৰাকীৰ বস্ত্ৰ বলপূৰ্বকভাৱে খোলা তথা অশালীন ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ লগতে ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰা হৈছে। ইয়াৰ বিপৰীতে চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অভিযুক্ত চিকিৎসকজনৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগ খণ্ডন কৰিছে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষই। ঘটনা সন্দৰ্ভত উত্থাপিত অভিযোগ অনুসৰি, স্তনৰ এক সমস্যাত ভোগা মহিলাগৰাকীয়ে আজি পুৱা প্ৰায় ন বজাত চিকিৎসা মহাবিদ্যালয় হাস্পতালত স্বামীৰ স'তে এম আৰ আই কৰিবলৈ গৈছিল আৰু ইয়াতে উপযাচি আগবাঢ়ি অহা কনিষ্ঠ চিকিৎসক মনীষ ৰাৰিয়ৰে এম আৰ আই কক্ষত আন ৰোগীৰ সন্মুখতে তথা কোনো মহিলাৰ অনুপস্থিতিত অভিযোগ উত্থাপন কৰা মহিলাগৰাকীৰ বুকুৰ ওপৰৰ সকলো বস্ত্ৰ তেওঁৰ বাধা সত্ত্বেও নিজেই খোলাৰ বাবে চেষ্টা কৰে। সেই সময়ত মহিলাগৰাকীৰ স্বামীও উপস্থিত আছিল। এই ঘটনাত ক্ষুণ্ণ মহিলাগৰাকীয়ে পাছত চিকিৎসকজনৰ বিৰুদ্ধে চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত থকা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। ইপিনে, ঘটনা সন্দৰ্ভত তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক চিকিৎসক মাধৱ ৰাজবংশীয়ে কয় যে চিকিৎসা মহাবিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰজনৰ বিৰুদ্ধে যি অভিযোগ উত্থাপিত হৈছে সেয়া প্ৰকৃততে তেনে নহয় যদিও মহিলাগৰাকীৰ সন্মতি অবিহনে তেওঁৰ বস্ত্ৰ তেনেদৰে খোলাটো ভুল। আনহাতে,অভিযোগকাৰীয়ে এই বিষয়ে চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক কোনো অভিযোগ দিয়াৰ সলনি আৰক্ষীকহে এজাহাৰ দাখিল কৰা বুলি প্ৰকাশ কৰি ৰাজবংশীয়ে লগতে কয় যে এই সন্দৰ্ভত অভিযোগ পালে চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষয়ো তদন্তৰ ব্যৱস্থা কৰিব। ইপিনে, এজাহাৰ লাভৰ পাছত আৰক্ষীয়ে অভিযুক্ত চিকিৎসকজনক বিচাৰি পোৱা নাই বুলি প্ৰকাশ কৰাৰ বিপৰীতে অধীক্ষক ৰাজবংশীয়ে অভিযুক্ত চিকিৎসকজন চিকিৎসা মহাবিদ্যালয় হাস্পতালতে থকা বুলিও কয়।

# টিংৰাই চাৰিআলিত স্ক'ৰপিঅ' বাহন চুৰি

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ৪ জুলাই ঃ** দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত টিংৰাই আৰক্ষী চকীৰ অধীনস্থ আৰক্ষী চকীৰ প্ৰায় এশ মিটাৰ নিলগৰ জোন গগৈ কমাৰ্চিয়েল কমপ্লেক্সৰ পৰা যোৱা নিশা এখন বগা ৰঙৰ মহেন্দ্ৰ স্ক'ৰপিঅ' বাহন চুৰি হয়। চুৰি হোৱা বাহনখনৰ পঞ্জীয়ন নম্বৰ হৈছে এ এছ-০৬ ডব্লিউ-১২১১। বাহনৰ গৰাকী জোন গগৈয়ে আজি পুৱা ঘটনাৰ সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে। তথ্য মতে, নিশা বৰষুণ হোৱাৰ ফলত চোৰে বৰষুণৰ সুযোগ গ্ৰহণ কৰি চুৰি কাৰ্য সম্পন্ন কৰে। বাহনৰ গৰাকীৰ এজাহাৰৰ ভিত্তিত আজি দিনৰে পৰা টেঙাখাত আৰু দুলীয়াজান আৰক্ষী থানাৰ আৰক্ষীয়ে পৃথকে পৃথকে বাহনখনৰ সন্ধানত তীব্ৰ অভিযান আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই।

# কাইলৈ পশ্চিম বড়িগোগ দুৰ্গা

৮ পৃষ্ঠাৰ পৰা প্ৰয়াত বশিষ্ঠ নাথ শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব ক্ৰমে সমাজকৰ্মী অতুল চন্দ্ৰ শইকীয়া আৰু বাসুদেৱ শৰ্মাই। বৃক্ষৰোপণ কৰিব ক্ৰমে কেশৱ চন্দ্ৰ শৰ্মা আৰু প্ৰণৱ শৰ্মাই। পাছত নৱনিৰ্মিত মন্দিৰ উদ্বোধনৰ বৈদিক কাৰ্যৰ আৰম্ভ দুপৰীয়া আয়তীৰ নাম-প্ৰসংগ, সমূহীয়া শান্তি প্ৰদান, প্ৰসাদ আৰু ভোগগ্ৰহণ, আবেলি নাগাৰা নাম প্ৰদৰ্শন, পাঠক ক্ৰমে ৰামচৰণ ভৰালী আৰু চণ্ডীচৰণ পাটোৱাৰীয়ে অংশগ্ৰহণ কৰা নাগাৰা নাম উদ্বোধন কৰিব সমাজকৰ্মী বাবুল কলিতাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব ক্ৰমে অনিমা দেৱী, লীলা দেৱী, ৰাজকুমাৰী ডেকা আৰু চম্পাৱতী চৌধুৰীয়ে। টোপধ্বনি প্ৰজ্বলন কৰিব দীনেশ দত্ত লহকৰে। অনুষ্ঠানত সমূহ ধৰ্মপ্ৰাণ ৰাইজৰে উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে মণ্ডপ পৰিচালনা সমিতিয়ে।

# অসম মৰাণ সভা, মহিলা

৮ পৃষ্ঠাৰ পৰা পৰিষদৰ সভানেত্ৰী শেৱালী দহোতীয়া কাকতিৰ যৌথ সভাপতিত্বত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভা উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা আঞ্চলিক সমিতিৰ উপদেষ্টা ফটিক মৰাণে। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাৰ প্ৰাক্তন সভাপতি প্ৰদীপ মৰাণে। প্ৰণৱ মৰাণৰ সম্পাদনাত প্ৰকাশিত তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাৰ মুখপত্ৰ 'থলগিৰি' আৰু প্ৰলাক্ষী মৰাণৰ সম্পাদনাত প্ৰকাশিত তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ জাতীয় মহিলা পৰিষদৰ মুখপাত্ৰ 'ভূঁই' উন্মোচন কৰে ক্ৰমে ডাঙৰী অঞ্চলৰ সমাজ সেৱক প্ৰিতম সোণোৱাল, প্ৰাক্তন বিধায়ক দিলীপ মৰাণে। সভাত বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# তেজপুৰৰ নপাম আইটিচি

৮ পৃষ্ঠাৰ পৰা কেন্দ্ৰৰ পৰিচালক মাহবুল হোছেইন আনচাৰীয়ে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক ৰিয়াজ উদ্দিন আকন্দ, মনবাহাদুৰ চুব্বা, শ্বেখ চাহাবউদ্দিন, সাহিদ আনচাৰী, আৰতী দেৱী, শিক্ষক ইমৰান হুছেইন আহমেদ আৰু অসম সাহিত্য সভাৰ প্ৰজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ উপ-সভাপতি চিৰাজ খান আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ বিভিন্ন দিশ সামৰি উৎসাহ যোগাই বক্তব্য আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলক শিপাৰ কথা পাহৰি নগৈ উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ উপৰি ভাল মানুহ হোৱাৰ আহ্বান জনায় বক্তাসকলে। অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা আৰু তথ্য সম্বলিত হাত পুথিৰে অভিনন্দন জনায়। কেন্দ্ৰটোৰ আইনী উপদেষ্টা তথা অধিবক্তা ৰেবিনা বেগম আৰু দিলদাৰ হুছেইন উপস্থিত থকা অনুষ্ঠানত ভালেমান অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# মাটিয়াত সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ প্ৰতিবাদী সমদল

## ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ স্মাৰক প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৪ জুলাই ঃ** সদৌ ভাৰত সুলভ মূল্যৰ ব্যৱসায়ী ফেডাৰেছনৰ আহ্বানক্ৰমে সমগ্ৰ দেশৰ সুলভ মূল্যৰ দোকানীসকলৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ দাবীত আজি গোৱালপাৰা জিলা সুলভ মূল্যৰ ব্যৱসায়ী সন্থাই জিলাখনৰ আটাইকেইটা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। ইপিনে, মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত সূৰ্যগিৰি, কৃষ্ণাই, দলগোমা আৰু সিধাবাৰী সমবায় সমিতিৰ সুলভ মূল্যৰ ব্যৱসায়ীসকলে আজি এক প্ৰতিবাদী সমদল উলিয়াই মাটিয়া ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে ১৪দফীয়া দাবীৰে প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। গোৱালপাৰা জিলা সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ সভাপতি সুপ্ৰভাত ৰাভা আৰু সম্পাদক মকবুল হুছেইন স্বাক্ষৰিত স্মাৰকপত্ৰৰ উল্লেখযোগ্য দাবীসমূহ হ'ল সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ বাবে প্ৰতি



কুইণ্টলত নিম্নতম ৪৪০ টকা মাৰ্জিন নিশ্চিত, চাউল, ঘেঁহু আৰু চেনিৰ বাবে হেণ্ডুলিং লছ ৰখাৰ অনুমতি প্ৰতি কুইণ্টলত এক কিলোগ্ৰাম এলপিজি গেছৰ ১৪ কিলোগ্ৰাম চিলিণ্ডাৰবোৰ সুলভ মূল্যৰ দোকানীৰ জৰিয়তে যোগান ধৰাৰ ব্যৱস্থা, সৰ্বভাৰতীয় পৰ্যায়ত সকলো নাগৰিকক বিনামূলীয়া ৰেছন বিতৰণ ব্যৱস্থা পশ্চিমবংগৰ ৰেছন মডেল কাৰ্যকৰী, সুলভ মূল্যৰ দোকানীসকলৰ সমস্যা ভাৰতীয় খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ জৰিয়তে স্থায়ী সমাধানৰ ব্যৱস্থা আৰু কৰ'না ভাইৰাছত আক্ৰান্ত হোৱা সুলভ মূল্যৰ দোকানীক ৰাজস্থান চৰকাৰৰ লেখীয়াকৈ শীঘ্ৰে ৫০ লাখ টকা ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা অন্যতম। উল্লেখ্য যে বেনাৰৰ লগতে হাতে হাতে প্লেকাৰ্ড লৈ সুলভ মূল্যৰ ব্যৱসায়ীসকলে মাটিয়া উন্নয়ন খণ্ড কাৰ্যালয়ৰ সন্মুখৰ পৰা মাটিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ সমদল উলিয়াই তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে।


# প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ আধাৰ, ই-কেৱাইচি সংযুক্তকৰণৰ সময়সীমা বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৪ জুলাই ঃ** ৰাজ্য চৰকাৰৰ দ্বাৰা ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় চৰকাৰৰ 'প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি' (পিএমকিষাণ)ৰ অন্তৰ্গত যোগ্য হিতাধিকাৰীসকলে বাধ্যতামূলকভাৱে কৰিবলগীয়া আধাৰ আৰু ই-কেৱাইচি সংযুক্তকৰণৰ অন্তিম তাৰিখ বৃদ্ধি কৰা হৈছে। অহা ১০ জুলাইৰ ভিতৰত পিএমকিষাণৰ অধীনৰ যোগ্য হিতাধিকাৰীয়ে সংযোজন-৩ (এনেক্সাৰ-৩) সহ ওচৰৰ সামূহিক সেৱা কেন্দ্ৰ অথবা জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত আধাৰ সংযুক্তকৰণ সম্পন্ন কৰিব পাৰিব। সফল আধাৰ সংযুক্তকৰণৰ পাছত যোগ্য হিতাধিকাৰীয়ে ২০ জুলাইৰ ভিতৰত পুনৰ সামূহিক সেৱা কেন্দ্ৰত বায়'মেট্ৰিক অথবা অ'টিপি পদ্ধতিৰে নিজৰ ই-কেৱাইচি সম্পন্ন কৰাব লাগিব। আনহাতে, যোগ্য হিতাধিকাৰীয়ে নিজৰ বেংক একাউণ্টৰ লগত আধাৰ নম্বৰ সংযুক্ত কৰাটো বাধ্যতামূলক। আধাৰ আৰু ই-কেৱাইচি কৰা কৃষকেহে এক আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ পিএমকিষাণৰ সুবিধা লাভ কৰিব পাৰিব। এই বিষয়ে সবিশেষ জানিবলৈ কৃষকসকলে গাঁও প্ৰধান, পঞ্চায়তৰ সদস্য, কৃষি সম্প্ৰসাৰণ সহায়ক আৰু কৃষি উন্নয়ন বিষয়াৰ লগত যোগাযোগ কৰিব লাগিব অথবা নিজে জিলা কৃষি বিষয়াৰ কাৰ্যালয়লৈ গৈ আধাৰ সংযুক্তকৰণ কৰিব পাৰিব। যোৰহাট জিলা কৃষকসকলক প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ সুবিধা লাভ কৰিবলৈ যোৰহাট জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱা, মহকুমা কৃষি বিষয়া ড° নিতুমণি গগৈ আৰু ন'ডেল বিষয়া ড° পৰাগজ্যোতি শইকীয়াই অনুৰোধ জনাইছে।

# জাবৰ-জোঁথৰেৰে ভৰি পৰিছে কাঁহিকুছি বজাৰ

## পৰিত্যক্ত অৱস্থাত থাকিল বজাৰগৃহ



অগ্ৰদূত বাৰ্তা

**আজাৰা, ৪ জুলাই ঃ** আজাৰা ৰাজহ চক্ৰৰ ঐতিহ্যমণ্ডিত কাঁহিকুছি বজাৰৰ বৰ্তমানৰ দুৰৱস্থাই বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণক চিন্তিত কৰি তুলিছে। বজাৰখনৰ মাজতে থকা জাবৰ- জোঁথৰৰ দ'ম আৰু মাছ-মাংসৰ বাবে নিৰ্মিত বজাৰগৃহৰ পৰিত্যক্ত অৱস্থাই সমগ্ৰ বজাৰখনতে এক অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। তৎসত্ত্বেও সংশ্লিষ্ট ঊৰ্ধ্বতন কৰ্তৃপক্ষই বজাৰখনৰ উন্নয়নৰ বাবে কোনো সুপৰিকল্পিত ব্যৱস্থা নোলোৱাত সৰ্বসাধাৰণ ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে।

আজাৰা ৰাজহ চক্ৰৰ কাঁহিকুছি পঞ্চায়তৰ কাঁহিকুছিত থকা কাঁহিকুছি বজাৰখন ৰাজহ চক্ৰৰ ভিতৰতে অতি পুৰণি বজাৰেই নহয় এখন গুৰুত্বপূৰ্ণ বজাৰ। ৰাণী উন্নয়ন খণ্ডৰ অধীনত চলা উক্ত বজাৰখন পৰিচালনাৰ বাবে নিবিদা আহ্বান কৰি মহলদাৰক আবণ্টন দিয়া হয়। অথচ বজাৰখনৰ উন্নয়নৰ বাবে ৰাণী উন্নয়ন খণ্ডৰ জৰিয়তে কোনো ব্যৱস্থা নলয় বুলি অভিযোগ উঠিছে। ফলত অতি গুৰুত্বপূৰ্ণ বজাৰ হিচাপে চিহ্নিত হোৱা পাছতো বজাৰখন অদ্যাপি অত্যাধুনিক বজাৰলৈ উন্নীত নহ'ল।

কাঁহিকুছি বজাৰখন স্থায়ী বজাৰ হিচাপে নিতৌ বহে যদিও সপ্তাহত দুদিনকৈ বিশেষভাৱে বজাৰ বহে। দেওবাৰ আৰু বুধবাৰে বহা বজাৰখনলৈ ওচৰ-পাঁজৰৰ লোকসকলে অহা যোৱা কৰে। বিশেষকৈ দাঁতিতে থকা বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠৰ চৌহদৰ বিএছএফৰ লগতে আজাৰা, ধাৰাপুৰ, গড়ল, কুহাবৰী, ভক্তোবৰী, ৰাইবৰী, মাটিয়া আদিৰ অঞ্চলৰ কৃষকসকলৰ উৎপাদিত শস্য বিক্ৰী কৰিবলৈ উক্ত বজাৰখন লৈ আহে। এনে অৱস্থাত উক্ত বজাৰখনৰ গুৰুত্ব যথেষ্ট আছে যদিও আজিলৈকে ইয়াৰ বিশেষ উন্নয়ন নহ'ল। বজাৰখনত কোনো ডাষ্টবিনৰ ব্যৱস্থা নথকাত যেনি-তেনিয়ে জাবৰৰ দ'ম সৃষ্টি হৈছে। আনকি বজাৰখনৰ ভিতৰত মাছ-মাংস বিক্ৰীৰ বাবে নিৰ্মাণ কৰা কে'বালাখটকীয়া বজাৰ গৃহ পৰিত্যক্ত অৱস্থাত আছে। যাৰ ফলত উক্ত বজাৰগৃহ এতিয়া গৰু-ছাগলীৰ জিৰণি কোঠালৈ ৰূপান্তৰিত হৈছে। বজাৰখনৰ ভিতৰ ভাগৰ অতিৰিক্ত পানীভাগ ওলাই যোৱাৰ কোনো ব্যৱস্থা নথকাত সাধাৰণ এজাক বৰষুণতে বোকা-পানীৰে উপচি পৰে। এই ক্ষেত্ৰত সংশ্লিষ্ট ঊৰ্ধ্বতন কৰ্তৃপক্ষক শীঘ্ৰে বজাৰখনক অত্যাধুনিক বজাৰলৈ উন্নীত কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# বাঘবৰৰ পশ্চিম নিচানৰচৰ-বাঘমাৰাচৰত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ তাণ্ডৱ

## জাহ গ'ল দুখন চৰকাৰী বিদ্যালয়



**আলোপতি, ৪ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ দক্ষিণ প্ৰান্তৰ পশ্চিম নিচানৰচৰ আৰু এক নম্বৰ বাঘমাৰাচৰ অঞ্চল সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ সুঁতি নৈৰ তীব্ৰ খহনীয়াৰ কবলত পৰাত অঞ্চলটোৰ ৰাইজ শংকিত হৈ পৰিছে। সুদীৰ্ঘ প্ৰায় ২০ বছৰ ধৰি খহনীয়াই তাণ্ডৱ চলাই চৰ গাঁও দুখনৰ শ শ বিঘা কৃষি ভূমিৰ লগতে কে'বা শতাধিক ঘৰ-বাৰী নৈৰ বুকুত জাহ গৈছে। চলিত বছৰত যোৱা প্ৰায় ডেৰ মাহৰ ভিতৰতে অঞ্চলটোৰ প্ৰায় ২০ টা পৰিয়ালৰ ঘৰ-দুৱাৰ আৰু বিস্তীৰ্ণ কৃষি ভূমিৰ লগতে বাঘমাৰা নিচানৰচৰ এমই মাদ্ৰাছা আৰু বাঘমাৰা নিচানৰচৰ প্ৰাথমিক বিদ্যালয় দুখনৰ গৃহ প্ৰবল খহনীয়াত জাহ যায়। ফলত দুয়োখন বিদ্যালয়ৰ প্ৰায় ডেৰ শতাধিক শিক্ষাৰ্থীৰ শৈক্ষিক জীৱনলৈ গভীৰ অনিশ্চয়তা আহি পৰাত উদ্বিগ্ন হৈ পৰিছে অভিভাৱকসকল। ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়া অব্যাহত থকা নৈপৰীয়া পশ্চিম নিচানৰচৰ আৰু এক নম্বৰ বাঘমাৰাচৰলৈ তীব্ৰ ভাবুকি কঢ়িয়াই আনি এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। ইমানৰ পাছতো খহনীয়া প্ৰতিৰোধৰ বাবে স্থানীয় বিধায়কৰ লগতে বিভাগীয় কৰ্তৃপক্ষই ন্যূনতম গুৰুত্বাৰোপ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। শীঘ্ৰে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ যাৱতীয় পদক্ষেপ হাতত ল'বলৈ চৰকাৰ আৰু বৰপেটা জিলা প্ৰশাসনক ৰাইজে দাবী জনাইছে।

# জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত এজন যুৱক বৰপেটাত

বিশেষ সংবাদদাতা

**বৰপেটা, ৪ জুলাই ঃ** বিগত কিছুদিন বানৰ আতংকত ককবকাই থকাৰ পাছত বৰপেটাবাসীয়ে বান পৰিস্থিতিৰ পৰা কিছু সকাহ পাইছিল যদিও এইবাৰ জাপানী এনকেফেলাইটিছ ৰোগে জিলাৰ সদৰ বৰপেটা চহৰত অন্য এক শংকাৰ সৃষ্টি কৰিছে। জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে বৰপেটা চহৰৰ মাজৰহাটী (শংকৰ হলৰ সন্মুখ) নিবাসী প্ৰদীপ দাসৰ পুত্ৰ পলাশজ্যোতি দাস (২৭)। বিগত চাৰিদিন ধৰি অতিমাত্ৰা জ্বৰ হৈ থকাৰ পাছত আজি বিয়লি তিনি বজাত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত পৰীক্ষা কৰোতে চিকিৎসকে জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হোৱা বুলি ঘোষণা কৰে। সম্প্ৰতি যুৱকজন সংকটজনক অৱস্থাত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত আই চি ইউত চিকিৎসাধীন হৈ আছে। উল্লেখ্য যে বৰপেটা চহৰত বান পৰিস্থিতিৰ কিছু উপশম হৈছে যদিও আবদ্ধ হৈ থকা পানীৰ পুতিগন্ধময় অৱস্থাই চহৰবাসীক আন এক সমস্যাৰ সৃষ্টি কৰিছে।



*মুছলপুৰত খেতি পথাৰত ব্যস্ত খেতিয়ক।*

# বৰপেটাৰোডত আৰক্ষীৰ জালত ড্ৰাগছ ব্যৱসায়ত জড়িত ১৮ বছৰীয়া যুৱক

## ধৃতৰ পৰা জব্দ ড্ৰাগছ, নগদ ধন

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ৪ জুলাই ঃ** আৰক্ষীৰ ব্যাপক ড্ৰাগছ বিৰোধী অভিযানৰ মাজতো অব্যাহত ড্ৰাগছৰ অবাধ ব্যৱসায়। এইবাৰ ড্ৰাগছ ব্যৱসায়ত নামিল ১৮ বছৰীয়া যুৱক। বৰপেটাৰোড আৰক্ষীয়ে খেদি খেদি আজি চহৰখনৰ আলামিন নগৰৰ পৰা কৰায়ত্ত কৰা এই ড্ৰাগছ বিক্ৰেতাজন বৰপেটাৰোড চহৰৰ ন নম্বৰ ৱাৰ্ডৰ আজাহাৰ মণ্ডলৰ পুত্ৰ ছানিদুল মণ্ডল (১৮)। জানিব পৰা মতে বৰপেটাৰোডত দীৰ্ঘদিন ধৰি ড্ৰাগছৰ বেহা কৰি অহা ছানিদুলে আৰক্ষীৰ চকুত ধূলি দি ড্ৰাগছ বিক্ৰী কৰি যুৱ প্ৰজন্মক বিপথে পৰিচালিত কৰি আহিছিল। কিন্তু আজি আৰক্ষীয়ে গোপন সূত্ৰৰ পৰা পোৱা খবৰৰ ভিত্তিত বৰপেটাৰোডৰ আলামিন নগৰ অঞ্চলত উপস্থিত হয়। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিপুল কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অসামৰিক পোছাকত খাপ পিটি থকাৰ সময়তে ছানিদুলে সেই স্থানত নিৰ্ধাৰিত গ্ৰাহকৰ বাবে ড্ৰাগছ যোগান দিব ওলাইছিল। কিন্তু অসামৰিক পোছাকত থকা আৰক্ষীৰ দলটোৱে ছানিদুলক ঘেৰি ল'ব খোজোতে ছানিদুলে পলাবলৈ দৌৰ মাৰে। কিন্তু আৰক্ষীৰ দলটোৱে খেদি খেদি গৈ ছানিদুলক আটক কৰে। পাছত ধৃত ছানিদুলৰ মোনাত তালাচী চলোৱাত আৰক্ষীয়ে ২৩ টা কণ্টেইনাৰত ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সক্ষম হয়। আনহাতে, ছানিদুলৰ পৰা আৰক্ষীয়ে নগদ ১৫ হেজাৰ টকা, এটা ম'বাইল জব্দ কৰে। ইয়াৰ পাছত ধৃত ছানিদুলক বৰপেটাৰোড থানালৈ অনা হয় আৰু সোধ-পোছৰ অন্তত নিচাযুক্ত সামগ্ৰী বিক্ৰী, অপৰাধমূলক কাৰ্যত লিপ্তৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হয়।

# পলাশবাৰীৰ গুইমাৰাত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ৪ জুলাই ঃ** পলাশবাৰী সমষ্টিৰ বিজয়নগৰ আৰক্ষী চকীৰ অন্তৰ্গত নহিৰা গুইমাৰাৰ দ' খাৰৈত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাকলৈ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি বিয়লি ভাগত গুইমাৰাৰ দ' খাৰৈত এজন যুৱকৰ মৃতদেহ উপঙি থকা অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত বিজয়নগৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। মৃত যুৱকজন গুইমাৰা গাঁৱৰে ৰাহুল দাস (২৫) বুলি চিনাক্ত কৰা হয়। অৱশ্যে এয়া হত্যা নে আত্মহত্যা সেয়া জানিব পৰা হোৱা নাই। আৰক্ষীৰ তদন্তৰ পাছতহে পোহৰলৈ আহিব।

# ফাঁচিৰোডৰ পৰা ড্ৰাগছসহ সৰবৰাহকাৰীক আটক

বিশেষ সংবাদদাতা

**নগাঁও, ৪ জুলাই ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁৱতো আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে আজি গোপন সূত্ৰৰ পমখেদি নগাঁৱৰ হয়বৰগাঁও নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰী আৰু উপ-পৰিদৰ্শক পিংকু ফুকনৰ নেতৃত্বত আৰক্ষীয়ে নগাঁৱৰ ফাঁচিৰোডত অভিযান চলাই ইক্ৰামুল আলী নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা ১৬ টা হেৰ'ইনভৰ্তি কণ্টেইনাৰ জব্দ কৰাৰ উপৰি ২০ টা খালী কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। ধৃত ইক্ৰামুল আলীৰ ঘৰ নগাঁৱৰ দক্ষিণ শিয়ালমাৰীত। হয়বৰগাঁও নগৰ আৰক্ষীয়ে বৰ্তমান ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনক জেৰা কৰি আছে। ইপিনে, বটদ্ৰৱা আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি স্থানীয় আমছু কৰ্মীৰ সহযোগত বটদ্ৰৱাৰ জামতলৰ পৰা নুৰজামাল হক নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰে। বটদ্ৰৱাৰ বাটমাৰী গাঁৱৰ ড্ৰাগছ সৰবৰাহকাৰীজনে এ এছ-০২ এ ই-৩০৯৮ নম্বৰৰ গ্লেমাৰ বাইকেৰে ড্ৰাগছ লৈ গৈ থকাৰ উমান পাই আৰক্ষীয়ে অভিযান চলাইছিল। অভিযানত ড্ৰাগছ সৰবৰাহকাৰীজনে আমছু কৰ্মীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা কৰে যদিও আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা আৰক্ষীয়ে এটা চাবোনৰ বাকচ ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বৰ্তমান বটদ্ৰৱা আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## চোকা অস্ত্ৰ, লাঠীৰে মৰিয়াই এজনক আহত

# মৰঙিৰ ধলাগুৰী চাহ বাগিচাত গছ কাটি দুৰ্বৃত্তৰ তাণ্ডৱ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ৪ জুলাই ঃ** নুমলীগড় আৰক্ষী চকীৰ অন্তৰ্গত মৰঙিৰ ধালাগুৰী চাহ বাগিচাত এক অপ্ৰত্যাশিত ঘটনা সংঘটিত হয়। ঘটনাত চুবীলাল কৰ্মকাৰ নামৰ লোকজন গুৰুতৰভাৱে আহত হয়। ঘটনা সংঘটিত কৰা দুই দুৰ্বৃত্ত দিপুল ৰজক আৰু চমাৰু ক'লয়ে চুবীলালৰ ঘৰৰ চৌহদত অনধিকাৰ প্ৰৱেশ কৰি ঘৰত কোনো নথকাৰ সুযোগ লৈ চৌহদত থকা এজোপা গছ কাটি নিয়ে। চুবীলাল ঘৰলৈ আহি গছ কাটি লৈ যোৱা বাবে কোনে এনে কাণ্ড সংঘটিত কৰিলে বুলি কাষৰীয়া দুই-এজনক সোধ-পোছ কৰাত দুই দুৰ্বৃত্তই চুবীলালক উপৰ্যুপৰি প্ৰহাৰ কৰি মুমূৰ্ষু অৱস্থাত পেলাই থৈ যায়। ইতিমধ্যে আহতক চিকিৎসালয়ত ভৰ্তি কৰি পৰিয়ালৰ লোকে নুমলীগড় আৰক্ষী চকীত দুই অভিযুক্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। এনে ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ ধলাগুৰী চাহ বাগিচাতে উত্তেজনাই বিৰাজ কৰিছে। শীঘ্ৰেই অভিযুক্ত দুই দুৰ্বৃত্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি শাস্তি প্ৰদানৰ দাবী জনাইছে স্থানীয় ৰাইজে।



*বেলশিৰি নৈত বান্ধ বান্ধি খহনীয়া প্ৰতিৰোধৰ চেষ্টা ৰাইজৰ, সোমবাৰে।*

# ফাৰ্টিলাইজাৰ ৱৰ্কাৰ্চ ইউনিয়নৰ সম্পাদকক দুষ্কৃতিকাৰীৰ গণ প্ৰহাৰ

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ৪ জুলাই ঃ** নামৰূপ সাৰ কাৰখানাৰ ফাৰ্টিলাইজাৰ ৱৰ্কাৰ্চ ইউনিয়নৰ সাধাৰণ সম্পাদক মুগ্ধপ্ৰাণ মহন্তক সাৰ কাৰখানাৰ প্ৰৱেশদ্বাৰৰ সমীপত একাংশ দুষ্কৃতিকাৰীয়ে গণ প্ৰহাৰ কৰাৰ ঘটনাক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। দীৰ্ঘদিন ধৰি সাৰ কাৰখানা চতুৰ্থ গোট নিৰ্মাণৰ আন্দোলনটোক সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰা আৰু সাৰ কাৰখানাৰ চলি থকা মৃতপ্ৰায় উদ্যোগটোৰ বাবেও বিভিন্ন সময়ত বলিষ্ঠ ভূমিকা প্ৰদান কৰা মহন্তক গণ প্ৰহাৰ কৰা ঘটনাই সমগ্ৰ আন্দোলনক সমূলঞ্চে শেষ কৰিবলৈ বিচাৰিছে নেকি বুলিও সচেতন মহলত চৰ্চিত হৈছে। প্ৰাপ্ত খবৰ অনুসৰি শনিবাৰে আবেলি ৫-৩০ বজাত নামৰূপ সাৰ কাৰখানাৰ নৱগঠিত নামৰূপ ফাৰ্টিলাইজাৰ ইণ্ডিপেণ্ডেট ইউনিয়নৰ একাংশ কৰ্মীয়ে মহন্তক আগুচি ধৰি শাৰীৰিকভাৱে অপদস্থ কৰে। শ্ৰমিক নেতা মুগ্ধপ্ৰাণ মহন্তৰ ভাষ্য অনুসৰি দুয়োখন ইউনিয়নৰ মাজত এজন সদস্য ভৰ্তিৰ বিবাদৰ বাবেই ইণ্ডিপেণ্ডেট ইউনিয়নৰ কৰ্মীয়ে দিন দুপৰতে এনে ধৰণৰ জঘন্য কাণ্ড সংঘটিত কৰে বুলি জানিবলৈ পোৱা গৈছে। বৰ্তমানৰ সাৰ কাৰখানাৰ সংকটৰ সময়ত ঐক্যবদ্ধ শ্ৰমিক শক্তিৰ প্ৰয়োজন আছিল যদিও এনে দুষ্কৰ্মই সমগ্ৰ বাতাবৰণত ঋণাত্মক প্ৰভাৱ যে পেলাইছে সেয়া ধ্ৰুৱপ। এই ঘটনা সন্দৰ্ভত সাৰ কৰ্তৃপক্ষই এজন শ্ৰমিকৰ সুৰক্ষাৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়া লক্ষ্যণীয় হ'ব।

# কলিয়াবৰত কেঁকোসাপসহ আটক

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ/চামগুৰি, ৪ জুলাই ঃ** ৰাজ্যত অব্যাহত আছে কেঁকোসাপৰ চোৰাং কাৰবাৰ। আজি কলিয়াবৰত তিনিডালকৈ কেঁকোসাপসহ এজন লোকক আটকৰ পাছতে পোহৰলৈ আহিছে এই তথ্য। কলিয়াবৰ মহকুমাৰ মহকুমা আৰক্ষী বিষয়া আৰু চুলুং আৰক্ষীয়ে মিছা আৰক্ষীৰ চকীৰ অন্তৰ্গত নিজৰি অঞ্চলৰ পৰা তিনিডালকৈ কেঁকো সাপসহ এজন চোৰাং সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। চুলুং আৰক্ষীৰ সহযোগত মহকুমা আৰক্ষী বিষয়াই তিনি কেঁকোসাপসহ আটক কৰা লোকজন জাহিৰুল ইছলাম। উল্লেখ্য যে আটক কৰা সৰবৰাহকাৰীজনৰ ঘৰ কলিয়াবৰৰ হাতীগাঁৱৰ নিজৰিত। আৰক্ষীয়ে লোকজনক আটক কৰি সোধ-পোছ অব্যাহত ৰাখিছে। উল্লেখ্য যে কলিয়াবৰত কাৰ্বিপাহাৰৰ দিশত সঘনে সংঘটিত হৈ আছে কেঁকোসাপৰ চোৰাং কাৰবাৰ।



# পুনৰ বাগ্‌সাৰ নিজ ডাকুৱাত বাঘৰ আতংক


## নিশা বাঘে খালে এটা গৰু



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৪ জুলাই ঃ** যোৱা নিশা বাগ্‌সা জিলাৰ খাৰিজা বিজনী মৌজাৰ নিজ ডাকুৱাত বাঘে পুনৰ এটা গৰুক আক্ৰমণ কৰি হত্যা কৰাত অঞ্চলটোত আতংকৰ সৃষ্টি হৈছে। কিছুদিন পূৰ্বে চুক্ৰুংবাৰী চৰত চাৰিটা গৰুক আক্ৰমণ কৰি মাৰি পেলাইছিল। পুনৰ নিশা উক্ত স্থানৰ সমীপতে আইন এটা গৰুক আক্ৰমণ কৰি মাৰি পেলোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপতে চুক্ৰুংবাৰীৰ সেই স্থানত কোনো নথকাৰ সুযোগত চাৰিটাকৈ গৰুক বাঘে হত্যা কৰিছিল যদিও বন বিভাগক জনোৱাৰ পাছত বঘাটো উলিয়াই নিয়াত কোনো পদক্ষেপ গ্ৰহণ নকৰাত ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। বাঘটোৱে যিকোনো মুহূৰ্তত মানুহকো আক্ৰমণৰ আশংকা কৰা হৈছে। বাঘটোৰ সম্ভাব্য আক্ৰমণৰ ভয়ত ৰাইজ ভীতিগ্ৰস্ত হৈ পৰিছে।


# লোক শিল্পী বলোৰাম ডেকাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ৪ জুলাই ঃ** দৰঙী কলা-কৃষ্টিৰ অনুপম পৰিৱেশ্য কলা ঢেপাঢুলীয়া কৃষ্টিৰ অন্যতম সাধৰ বলোৰাম ডেকা (৭৮)ৰ কালি বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। দৰঙৰ প্ৰখ্যাত ঢেপাঢুলীয়া শিল্পী বিপিন ডেকাৰ আগপালি ডেকাই বহুবাৰ শিল্পী পেঞ্চনৰ বাবে আবেদন কৰি বিমুখ হৈছিল। চৰম দাৰিদ্ৰতাৰ মাজত জীৱন কটোৱা লোক শিল্পীজনে মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ-বোৱাৰী ইহসংসাৰত এৰি যায়। শিল্পীজনৰ বিয়োগত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, শিল্পী পেঞ্চনাৰ বিপিন ডেকা, দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক-সভাপতি, দৌৰাংগ বাৰ্তাৰ সম্পাদক শংকৰ কাকতি, সাহিত্যিক সৎৰাম ডেকা, ড° ৰাম চন্দ্ৰ ডেকাই শোক প্ৰকাশ কৰে।

# মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষৰ ভূমিকাৰ বিৰুদ্ধে প্ৰতিবাদ ছাত্ৰ-ছাত্ৰীৰ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৪ জুলাই ঃ** মৰিগাঁৱত ডেৰমাহ ধৰি প্ৰলয়ংকৰী বান দুৰ্যোগৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীৰ ওপৰত মৰিগাঁও মহাবিদ্যালয়ে নন কলেজিয়েট-দিছ কলেজিয়েট জাপি দি হাৰাশাস্তি কৰাৰ গুৰুতৰ অভিযোগ তুলি একাংশ ছাত্ৰ-ছাত্ৰীয়ে আজি মৰিগাঁও মহাবিদ্যালয়ত উত্তাল পৰিবেশৰ সৃষ্টি কৰে। মৰিগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নেতৃত্বত একাংশ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানখনৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত অৱস্থান গ্ৰহণ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে চলিত বছৰত দুটাকৈ প্ৰলয়ংকৰী বানে ডেৰমাহৰো অধিক কাল মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চল বুৰাই ৰাখিছে। বৰ্তমানেও মৰিগাঁও জিলাৰ দুই শতাধিক গাঁও বানপানীৰ কবলত। কিন্তু মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰে প্ৰায় ডেৰমাহ কাল ধৰি বান দুৰ্যোগৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীৰ ওপৰত নন কলেজিয়েট-দিছ কলেজিয়েটৰ জাপি দি হাৰাশাস্তি কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে মৰিগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু ভুক্তভোগী ছাত্ৰ-ছাত্ৰীসকলে। ইতিমধ্যে ভুক্তভোগী ছাত্ৰ-ছাত্ৰীৰ হৈ মৰিগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই আলোচনা মৰ্মে বিষয়টোৰ সমাধানসূত্ৰ উলিয়াবলৈ শিক্ষানুষ্ঠানখনৰ অধ্যক্ষজনৰে যোগাযোগ কৰিব বিচাৰে যদিও অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰে ভুক্তভোগী ছাত্ৰ-ছাত্ৰীৰ লগতে ছাত্ৰ একতা সভাক কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত উপায়ান্তৰ হৈ আজি মৰিগাঁও মহাবিদ্যালয়ৰ মূল প্ৰবেশ দ্বাৰৰ সন্মুখত হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰি উত্তাল পৰিবেশৰ সৃষ্টি কৰে। মৰিগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই এই বান দুৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত নন কলেজিয়েট আৰু ডিছ কলেজিয়েট আৰোপ কৰাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি দাবী কৰি এই এন চি, ডিচি প্ৰত্যাহাৰ কৰিবলৈ প্ৰতিবাদী শিক্ষাৰ্থীসকলে দাবী জনায়। আনহাতে, প্ৰতিবাদকাৰী একাংশ শিক্ষাৰ্থীয়ে কেৱল বানপীড়িত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰতে নহয় অন্তঃসত্ত্বা হোৱা এগৰাকী বিবাহিত ছাত্ৰীয়ে চিকিৎসকৰ প্ৰমাণপত্ৰ দাখিল কৰা সত্ত্বেও ডিছ কলেজিয়েট কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অৱশ্যে প্ৰতিবাদকাৰী শিক্ষাৰ্থীসকলে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বৰঠাকুৰৰ মন্তব্য জানিব পৰা হোৱা নাই। আনহাতে, ভুক্তভোগী ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকৰ লগতে সচেতন মহলে মানৱীয় দিশলৈ চাই এই ভয়াৱহ বান দুৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত নন কলেজিয়েট-ডিছ কলেজিয়েট ব্যৱস্থা আৰোপ নকৰিবলৈ মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষক আহ্বান জনোৱাৰ লগতে এই ক্ষেত্ৰত মৰিগাঁও জিলা উপায়ুক্তৰ হস্তক্ষেপ কামনা কৰিছে। আনহাতে, এটা বছৰৰ পাছতেই ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদ চমুকৈ নাকৰ দ্বাৰা পৰিদৰ্শন আৰু মূল্যায়ন হ'বলগীয়া মৰিগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলগীয়া ঘটনা লক্ষ্যণীয় হৈ পৰিছে। ইপিনে, আজি মৰিগাঁও মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ তীব্ৰ প্ৰতিবাদৰ পাছতেই গা লৰিল মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ। এই প্ৰতিবাদৰ পাছতেই প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীৰ দাবী মানি ল'বলৈ বাধ্য হ'ল মৰিগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই। এই লৈ আজি মহাবিদ্যালয়খনৰ ভিতৰচ'ৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে।

# বৰপেটাৰোডত খুকুৰিৰ আক্ৰমণত আহত এজন

অগ্ৰদূত বাৰ্তা


**বৰপেটাৰোড, ৪ জুলাই ঃ** বৰপেটাৰোডৰ খৈৰাবাৰী মিলনবস্তিত কালি নিশা পত্নী-শহুৰেকৰ আক্ৰমণকাৰীক বাধা দিবলৈ গৈ এজন লোক আহত হ'বলগীয়া হয়। জানিব পৰা মতে অৰ্ধসামৰিক বাহিনীত ঠিকা ভিত্তিত অৰুণাচলত কৰ্মৰত তথা বৰপেটাৰোডৰ খৈৰাবাৰী মিলনবস্তিৰ প্ৰয়াত দেবেশ চন্দ্ৰ ৰয়ৰ পুত্ৰ গোবিন্দ ৰয়ে (৩০) কৰ্মস্থলীৰ পৰা ঘৰলৈ আহি সঘনাই পত্নীৰ ওপৰত অত্যাচাৰ চলাই আহিছিল। যোৱা নিশাও গোবিন্দ ৰয়ে পত্নীক মাৰপিট কৰা শুনি ওচৰতে থকা শহুৰেকে জোঁৱায়েকক বাধা দিবলৈ আহে। কিন্তু গোবিন্দ ৰয়ে শহুৰেককো খেদি যায়। এই ঘটনা প্ৰত্যক্ষ কৰা ঘৰৰ ওচৰৰে প্ৰয়াত ৰতন আচাৰ্যীৰ পুত্ৰ পিণ্টু আচাৰ্যীয়ে (৩০) খুকুৰি লৈ থকা গোবিন্দক অঞ্চলটোত বেয়া পৰিৱেশৰ সৃষ্টি কৰিব নালাগে বুলি উপদেশ দিব যায়। কিন্তু গোবিন্দই সেই উপদেশ শুনাৰ সলনি ওলোটাকৈ পিণ্টু আচাৰ্যীক খুকুৰিৰে মূৰত আক্ৰমণ কৰে। এই ঘটনাৰ খবৰ পৰাই বৰপেটাৰোড আৰক্ষীয়ে সেই স্থানত উপস্থিত হৈ আক্ৰমণকাৰী গোবিন্দ ৰয়ক আটক কৰে। আনহাতে, গুৰুতৰভাৱে আহত পিণ্টু আচাৰ্যীক আৰক্ষীয়ে বৰপেটাৰোড চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ বাবে ভৰ্তি কৰায় যদিও আচাৰ্যীৰ অৱস্থা গুৰুতৰ হোৱাত পৰিয়ালে তেওঁক গুৱাহাটীৰ জি এন আৰ চি হাস্পতালত ভৰ্তি কৰায়। আনহাতে, আৰক্ষীয়ে আক্ৰমণকাৰী গোবিন্দ ৰয়ৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধি আইন ৩৪১/২৯৪/৩২৬ ধাৰাত ১২৫/২০২২ নম্বৰত গোচৰ ৰুজু কৰি আজি আদালতৰ নিৰ্দেশ অনুসৰি বৰপেটা জেললৈ প্ৰেৰণ কৰে।

# মৰিয়নিত গীত-বৰগীতৰ কৰ্মশালা আৰম্ভ



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৪ জুলাই ঃ** 'বৰগীত হৈছে বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ গীত। যাক চৰ্চন কৰিলে মন শুদ্ধ হয় আৰু ঈশ্বৰ প্ৰাপ্তি হয়। এনে গীত পৃথিৱীৰ ভিতৰতেই বিৰল।' আজি মৰিয়নিৰ উন্মীলন সংগীত বিদ্যালয়ৰ উদ্যোগত ইয়াৰ কিংশুক ক্ৰীড়া-সাংস্কৃতিক চ'ৰাৰ সভাগৃহত অনুষ্ঠিত গীত আৰু বৰগীত কৰ্মশালা উদ্বোধন কৰি এইদৰে কয় বিশিষ্ট শিল্পী তৰুণ শইকীয়াই। শিল্পী শইকীয়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্বলন কৰি এই কৰ্মশালা মুকলি কৰে। এই উপলক্ষে অনুষ্ঠিত এক চমু উদ্বোধনী অনুষ্ঠানত উন্মীলন সংগীত বিদ্যালয়ৰ পূৰবী নাথ, জিতু দাস, গীতাঞ্জলি বৰা (তুলু), ৰুমা ডেকা, মনোজ নাথ আদি উপস্থিত থাকে। কৰ্মশালাত বৰগীতৰ প্ৰশিক্ষিকা মীনাক্ষী শইকীয়াই প্ৰশিক্ষণ প্ৰদান কৰিছে। আৰম্ভণিতে তেওঁক সম্বৰ্ধনা জনোৱা হয়। আনহাতে, ইয়াৰ লগতে সংগতি ৰাখি কুইজৰো এক কৰ্মশালাৰ আয়োজন কৰা হৈছে।




# ভাৰতে দিয়া বিশাল লক্ষ্য অনুসৰণ ইংলণ্ডৰ

## পুনৰ নতুন অভিলেখ বুমৰাহৰ



**নিউজ ব্যুৰ'**

**বাৰ্মিংহাম, ৪ জুলাই ঃ** টেষ্ট দলৰ নেতৃত্ব লাভ কৰিয়েই ইটোৰ পাছত সিটো অভিলেখ গঢ়িছে যশপ্ৰীত বুমৰাহে। ইংলণ্ডৰ বিপক্ষে চলিত টেষ্টত ভাৰতীয় অধিনায়কজনে প্ৰথমে বেট হাতত লৈ ব্ৰায়ান লাৰাৰ ১৯ বছৰ পুৰণি অভিলেখ ভাঙিছিল। টেষ্টত এটা অভাৰত সৰ্বাধিক ৰাণ সংগ্ৰহৰ নতুন অভিলেখ গঢ়াৰ পাছত এইবাৰ তেওঁ বল হাতত লৈ আন এক কৃতিত্ব স্থাপন কৰিলে। ইংলণ্ডৰ মাটিত এটা টেষ্ট শৃংখলাত সৰ্বাধিক উইকেট দখলকাৰী ভাৰতীয় বলাৰত পৰিগণিত হ'ল বুমৰাহ। ২০১৪ত ভুৱনেশ্বৰ কুমাৰে ইংলণ্ডত অনুষ্ঠিত টেষ্ট শৃংখলাত ১৯টা উইকেট দখল কৰিছিল। চলিত টেষ্টৰ প্ৰথম ইনিংছত তিনিটা উইকেট দখল কৰি বুমৰাহে তেওঁৰ সতীৰ্থ পেচাৰজনৰ অভিলেখ ভংগ কৰে। উল্লেখ্য যে যোৱা বছৰৰ শৃংখলাটোৰ অন্তিম টেষ্ট স্থগিত ৰখা হৈছিল। সেই টেষ্টখনেই এতিয়া চলি আছে। এই পৰ্যন্ত বুমৰাহে শৃংখলাত ২১টা উইকেট দখল কৰিছে। ইংলণ্ডৰ দ্বিতীয় ইনিংছত সেই সংখ্যা বৃদ্ধি কৰাৰ সুযোগ পাব ভাৰতীয় অধিনায়কজনে।

## দ্বিতীয় ইনিংছত পণ্টৰ অৰ্ধশতক ঃ ৰুট-বেয়াৰষ্ট'ৰে টানিছে ষ্ট'ক্‌ছ বাহিনীক

**নিউজ ব্যুৰ'**

**বাৰ্মিংহাম, ৪ জুলাই ঃ** ভাৰতে বিশাল লক্ষ্য বান্ধি দিয়া সত্ত্বেও শৃংখলাৰ নিৰ্ণায়ক টেষ্টত জয়ৰ সম্ভাৱনা সৃষ্টি কৰিছে ইংলণ্ডে। আজি চতুৰ্থ দিনাৰ খেলত ভাৰতে ২৪৫ ৰাণত দ্বিতীয় ইনিংছ সামৰে। ফলত ইংলণ্ডক জয়ৰ বাবে প্ৰয়োজন হয় ৩৭৮ ৰাণ। সেই সময়ত ভাৰতৰ জয়ৰ সম্ভাৱনা দেখা গৈছিল যদিও ইংৰাজ বেটাৰে দ্বিতীয় ইনিংছত দৃঢ়তা প্ৰদৰ্শন কৰাত টেষ্টখনে আকৰ্ষণীয় পৰ্যায় লাভ কৰিছে। অপেনাৰদ্বয় এলেক্স লীছ (৫৬) আৰু জেক ক্ৰ'লী (৪৬)ৰ মাজত ১০৭ ৰাণ সংগ্ৰহ হোৱাৰ পাছত অধিনায়ক যশপ্ৰীত বুমৰাহৰ জৰিয়তে ভাৰতে প্ৰত্যাৱৰ্তন ঘটাইছিল। মাত্ৰ দুই ৰাণৰ ভিতৰত ইংলণ্ডে তিনিটা উইকেট হেৰুৱায়। যদিও ভাৰতৰ আশাত চেঁচাপানী ঢালে নিৰ্ভৰযোগ্য জো ৰুট আৰু প্ৰথম ইনিংছৰ শতৰাণকাৰী জনী বেয়াৰষ্ট'ৰে। বাতৰি লিখাৰ পৰলৈকে ইংলণ্ডে তিনি উইকেটৰ বিনিময়ত ২১৪ ৰাণ সংগ্ৰহ কৰিছে। দলটোক জয়ৰ বাবে আৰু ১৬২ ৰাণৰ প্ৰয়োজন। ৰুটে ৬১ আৰু বেয়াৰষ্ট'ৰে ৪৩ ৰাণ কৰি খেলি আছে।

ইয়াৰ পূৰ্বে কালিৰ তিনি উইকেটত ১২৫ ৰাণৰ পৰা খেল আৰম্ভ কৰি ভাৰতে আজি ১২০ ৰাণতে বাকী সাত উইকেট হেৰুৱায়। কালিৰ অৰ্ধশতৰাণকাৰী চেটেশ্বৰ পূজাৰা ৬৬ ৰাণত আউট হয়। প্ৰথম ইনিংছৰ শতৰাণকাৰী ঋষভ পণ্টে ৫৭ ৰাণ কৰে যদিও বাকী বেটাৰসকল ব্যৰ্থ হয়। ৰবীন্দ্ৰ জাদেজাই ২৩ আৰু শ্ৰেয়াছ আয়াৰে ১৯ ৰাণ কৰে। ইংলণ্ডৰ অধিনায়ক বেন ষ্ট'ক্‌ছে চাৰিটা তথা ষ্টুৱাৰ্ট ব্ৰড আৰু মেটী পট্‌ছে দুটাকৈ উইকেট দখল কৰে। উল্লেখ্য যে এইখন বিগত বৰ্ষৰ অসমাপ্ত শৃংখলাৰ অন্তিম টেষ্ট।



*ইংলণ্ডৰ পেচাৰৰ বলত অসহায় অৱস্থা শ্ৰেয়াছ আয়াৰৰ।*

## মঞ্জৰেকাৰৰ ৬৯ বছৰীয়া অভিলেখ ভাঙিলে পণ্টে



**নিউজ ব্যুৰ'**

**বাৰ্মিংহাম, ৪ জুলাই ঃ** ইংলণ্ডত ইটোৰ পাছত সিটো কীৰ্তি স্থাপন কৰিছে ঋষভ পণ্টে। প্ৰথম ভাৰতীয় উইকেট কীপাৰৰূপে তেওঁ ইংলণ্ডৰ মাটিত দুটা টেষ্ট শতৰাণ অৰ্জন কৰিছে। চলিত টেষ্টৰ দ্বিতীয় ইনিংছত অৰ্ধশতৰাণ কৰি তেওঁ ভাৰতৰে ৬৯ বছৰীয়া এক অভিলেখ ভংগ কৰিলে। প্ৰথম ইনিংছত পণ্টে ১৪৬ ৰাণ কৰে। দ্বিতীয় ইনিংছত তেওঁ ৫৭ ৰাণৰ বৰঙণি যোগায়। দুটা ইনিংছ মিলাই তেওঁৰ সংগ্ৰহ ২০৩ ৰাণ। ইয়াৰ দ্বাৰা এছিয়াৰ বাহিৰত এখন টেষ্টত ভাৰতৰ কোনো উইকেট কীপাৰৰ সৰ্বাধিক ৰাণৰ অভিলেখ গঢ়িলে পণ্টে। ইয়াৰ পূৰ্বৰ অভিলেখ আছিল কিংবদন্তি বিজয় মঞ্জৰেকাৰৰ দখলত। ১৯৫৩ত কিংষ্টনত ৱেষ্টইণ্ডিজৰ বিপক্ষে মঞ্জৰেকাৰে দুটা ইনিংছ মিলাই ১৬১ ৰাণ সংগ্ৰহ কৰিছিল।

## শ'লগুৰিৰ সম্পূৰ্ণ পইণ্ট

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৪ জুলাই ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা মণ্টু শৰ্মা সোঁৱৰণী 'এ' ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল লীগত শ'লগুৰি ৰূপালী যুৱ সংঘই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। মৰাণ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ খেলত শ'লগুৰিয়ে ক্ৰীড়া প্ৰকল্প, ধমনক ৩-১ গ'লত পৰাজিত কৰে। খেলৰ চাৰি আৰু ২২ মিনিটত অবিনাশ চুতীয়াৰ গ'লেৰে বিৰতিলৈ শ'লগুৰিয়ে ২-০ গ'লত আগবাঢ়ি থাকে। খেলৰ ৭২ মিনিটত ক্ৰীড়া প্ৰকল্প, ধমনৰ কৰণ সোণোৱালে এটা গ'ল দি ব্যৱধান হ্ৰাস কৰিছিল। যদিও খেল সমাপ্তিলৈ চাৰি মিনিট বাকী থকা অৱস্থাত পুনিত চুতীয়াই গ'ল দি শ'লগুৰিৰ জয়ৰ ব্যৱধান পুনৰ বৃদ্ধি কৰে।

## ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ উশ্বুলৈ গোহাঁইবাৰীৰ চাৰি খেলুৱৈ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ৪ জুলাই ঃ** অহা ৯-১৪ জুলাইলৈ হিমাচল প্ৰদেশৰ লুহানু স্প'ৰ্টছ কমপ্লেক্স, বিলাসপুৰত অনুষ্ঠিত হ'বলগীয়া ২২সংখ্যক ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ উশ্বু প্ৰতিযোগিতাত অসমৰ ৫৩জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। উক্ত প্ৰতিযোগিতাৰ বাবে শিৱসাগৰ জিলাৰ নিতাইপুখুৰী মৌজাৰ অগ্ৰণী গোহাঁইবাৰী উশ্বু ক্লাবৰ চাৰি খেলুৱৈ ক্ৰমে ৰীতম শইকীয়া, অংকিতা চেতিয়া, চন্দ্ৰিকা চেতিয়া আৰু অভিজিৎ বুঢ়াগোহাঁয়ে অসম দলক প্ৰতিনিধিত্ব কৰিব। আজি বিয়লি গোহাঁইবাৰী ৰাজহুৱা খেলপথাৰত খেলুৱৈ কেইগৰাকীক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে পাৰলিগুৰি ৰাইন' ক্লাবৰ সভাপতি জিতুমণি গগৈয়ে আঁত ধৰা অনুষ্ঠানত অসম দলক প্ৰতিনিধিত্ব কৰিবলগীয়া খেলুৱৈ কেইগৰাকীৰ উপৰি প্ৰশিক্ষক ৰাহুল বসুমতাৰীকো সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে দলটোৰ স'তে বিচাৰক ৰুণুমী বুঢ়াগোহাঁই, প্ৰশিক্ষক বসুমতাৰীয়ে কাইলৈ হিমাচল প্ৰদেশলৈ যাত্ৰা কৰিব। প্ৰশিক্ষক বসুমতাৰীৰ নেতৃত্বত যোৱা দলটোক দল-সংগঠন তথা ৰাইজে শুভেচ্ছা জ্ঞাপন কৰিছে।

## ছাউথ এছিয়ান আছিহাৰা কাৰাটেত স্বৰ্ণপদক জয় নাজিৰাৰ হিমাংশুৰ



**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ৪ জুলাই ঃ** পশ্চিমবংগৰ চালচাত সদ্য সমাপ্ত একাদশ ছাউথ এছিয়ান আছিহাৰা কাৰাটেত চকীমুখ আছিহাৰা কাৰাটে ক্লাবৰ পৰা হিমাংশু বৰদলৈ আৰু মনীষ কৈৰীয়ে অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাতে হিমাংশুৱে সোণৰ পদক অৰ্জন কৰে। ভাৰত, বাংলাদেশ, নেপালকে ধৰি বহু কেইখন দেশৰ খেলুৱৈয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাখনত হিমাংশুৱে ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। হিমাংশুৰ উপৰি শিৱসাগৰ জিলাৰ পৰা যোৱা ১৯ গৰাকীকৈ খেলুৱৈয়ে পদক লাভ কৰিবলৈ সক্ষম হয়। দলটোক অসমৰ মুখ্য কাৰিকৰী নিৰ্দেশক হেমন্ত বৰঠাকুৰ, সুশান্ত দাস, মুখ্য প্ৰশিক্ষক ডিম্বেশ্বৰ বৰদলৈয়ে নেতৃত্ব প্ৰদান কৰিছিল।

## ছয়গাঁও ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা

**ছয়গাঁও, ৪ জুলাই ঃ** কামৰূপ জিলাৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভাখন কালি বিয়লি ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈ যায়। সভাৰ সৰ্বসন্মতিক্ৰমে আগন্তুক দুবছৰৰ বাবে অম্বিকা প্ৰসাদ দেৱ শৰ্মাক সভাপতি, ধীৰেন দাসক সাধাৰণ সম্পাদক, খগেন নাথক ভলীবল সম্পাদক, মহন্ত কুমাৰ দাসক এথলেটিক্‌ছ সম্পাদক, অনিল কলিতাক কাবাদী সম্পাদক আৰু অৰবিন্দ ঠাকুৰীয়াক ফুটবল সম্পাদকৰূপে লৈ এখন ২৯ জনীয়া সমিতি গঠন কৰা হয়।

## ইলোৰ্ডা কাপত স্বৰ্ণ জয় ভাৰতৰ আলফিয়া-গীতিকাৰ

# ৰূপৰ পদকতে সন্তুষ্ট থাকিল যমুনা



**নিউজ ব্যুৰ'**

**নুৰ-ছুলতান (কাজাখস্তান), ৪ জুলাই ঃ** কাজাখস্তানত প্ৰথমবাৰলৈ অনুষ্ঠিত ইলোৰ্ডা কাপ বক্সিঙত স্বৰ্ণজয় সম্ভৱ নহ'ল অসম-কন্যা যমুনা বড়োৰ। আজিৰ ফাইনেলত পৰাজিত হোৱাত বিশ্ব বক্সিঙৰ ব্ৰঞ্জ বিজয়ী যমুনাই ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। ছেমিফাইনেলৰ দমনীয় প্ৰদৰ্শন যমুনাই আজিৰ ফাইনেলতো কাজাখস্তানৰ নিগিনা উক্টাম'ভাৰ বিপক্ষে প্ৰবল যুঁজ দিছিল। তথাপি স্থানীয় বক্সাৰগৰাকীয়ে আধিপত্য অক্ষুণ্ণ ৰাখি ৫-০ পইণ্টত জয়লাভ কৰে।

উল্লেখ্য যে আজি ভাৰতৰ চাৰিগৰাকী মহিলা বক্সাৰে ফাইনেলত অৱতীৰ্ণ হয়। ইয়াৰে দুগৰাকীয়ে স্বৰ্ণপদক জয় কৰিবলৈ সক্ষম হয়। যুৱ বিশ্বকাপৰ চেম্পিয়ন আলফিয়া পাঠান আৰু গীতিকাই আজিৰ ফাইনেলত জয়লাভ কৰে। আলফিয়াই ৮১ কেজি শাখাত ২০১৬ৰ বিশ্ব চেম্পিয়ন তথা খিতাপৰ প্ৰৱল দাবীদাৰ লাজ্জাত কুংগেইবায়েভাক ৫-০ ব্যৱধানত পৰাজিত কৰি অঘটন ঘটায়। আনহাতে, গীতিকাই ৪৮ কেজি শাখাত ভাৰতৰে কলাইবানি শ্ৰীনিবাসনক ৪-১ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। উল্লেখ্য যে আলফিয়া আৰু গীতিকাই ছিনিয়ৰ পৰ্যায়ত প্ৰথমবাৰলৈ কোনো আন্তৰ্জাতিক প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছিল। আনহাতে, কলাইবানিয়ে যমুনাৰ দৰেই ৰূপৰ পদকতে সন্তুষ্ট থাকে। প্ৰতিযোগিতাখনত ভাৰতৰ মহিলা বক্সাৰে দুটাকৈ স্বৰ্ণ আৰু ৰূপৰ উপৰি ছটা ব্ৰঞ্জৰ পদকো অৰ্জন কৰে। সেইদৰে ভাৰতৰ চাৰিজন পুৰুষ বক্সাৰে ব্ৰঞ্জৰ পদক পায়।

## মহিলা বিশ্বকাপ হকীত ইংলণ্ডৰে ড্ৰ খেলি পইণ্ট ভগালে ভাৰতে



**নিউজ ব্যুৰ'**

**আমষ্টেলভীন, ৪ জুলাই ঃ** এবছৰৰ পূৰ্বে টকিঅ' অলিম্পিকত পৰাজয়ৰ মধুৰ পোটক তোলাৰ সুযোগ নষ্ট কৰিলে ভাৰতৰ মহিলা হকী দলে। স্পেইন আৰু নেদাৰলেণ্ডত যৌথভাৱে চলি থকা মহিলা হকী বিশ্বকাপৰ প্ৰথম মেচতেই ইংলণ্ডৰ স'তে ভাৰতীয় দলে পইণ্ট ভগাই ল'বলৈ বাধ্য হয়। কালি অনুষ্ঠিত খেলখন ১-১ গ'লত অমীমাংসিতৰূপে সমাপ্ত হয়। ১০টাৰো অধিক পেনাল্টী কৰ্ণাৰৰ সুযোগ নষ্ট কৰাৰ বাবেই ভাৰতীয় দলে জয়ৰ পৰা বঞ্চিত হয়।

কালিৰ খেলখনত অৱশ্যে অধিকাংশ সময় ভাৰতেই আধিপত্য বিস্তাৰ কৰিছিল। তৎসত্ত্বেও ইংলণ্ডে খেলৰ নৱম মিনিটতে অগ্ৰগতি অৰ্জন কৰে। ইংলণ্ডৰ হৈ গ'ল দিয়ে ইজাবেলা পিটাৰে। অৱশ্যে পেনাল্টী কৰ্ণাৰ ধাৰাবাহিকভাৱে নষ্ট কৰাৰ বাবেই ভাৰতে সমতা স্থাপন কৰিব পৰা নাছিল। অৱশেষত খেলৰ ২৮ মিনিটত ভাৰতে সমতা স্থাপন কৰে। সেইবাৰো পেনাল্টী কৰ্ণাৰৰ শ্বট ইংলণ্ডৰ গ'লকীপাৰে ৰক্ষা কৰিছিল যদিও ওলাই অহা বলটো আয়ত্ত কৰি বন্দনা কাটাৰিয়াই শীতল মস্তিষ্কৰে গ'লটো দিবলৈ সক্ষম হয়। পৰৱৰ্তী খেলত ভাৰতৰ প্ৰতিপক্ষ হ'ব চীন।


## মহানগৰীত অইল-আইটা ছুপাৰ ছিৰিজ টেনিছ

# অসমৰ ১৬ খেলুৱৈ দ্বিতীয় ৰাউণ্ডত

**গুৱাহাটী, ৪ জুলাই ঃ** আজিৰে পৰা আৰম্ভ হোৱা ল'ৰা-ছোৱালীৰ ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ অইল-আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাত অসমৰ ১৬ খেলুৱৈয়ে অগ্ৰগতি অৰ্জন কৰিছে।আনহাতে, অসম টেনিছ সন্থাৰ উদ্যোগত মহানগৰীৰ চচলত অনুষ্ঠিত প্ৰতিযোগিতাখনত আজি প্ৰথম ৰাউণ্ডৰ পৰা অসমৰ ২৩গৰাকী খেলুৱৈয়ে বিদায় লয়। আজিৰ ১৬ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ প্ৰথম ৰাউণ্ডত অসমৰ ৰিয়ান কাশ্যপে অসমৰে আলমাছ ইবন আহমেদক ৬-০, ৬-০, ৰিত্বিক ৰাউটে অসমৰে ৰাজদীপ হাজৰিকাক ৬-৪, ৬-২, জ্যোতিস্মান বড়োৱে অসমৰে দৰ্শন গোস্বামীক ৬-৪, ৬-৩, মনন নাথে কৰ্ণাটকৰ আজান আছিজক ৬-২, ৬-১, পাৰ্থিৱ কলিতাই অসমৰে ৰামানুজ তালুকদাৰক ৬-৩, ৬-১ আৰু ৰৌণক কাশ্যপে অসমৰে বৰ্ণিল বি বৰাক ৬-১, ৬-১ ছেটত পৰাজিত কৰে। এই শাখাত বহিঃৰাজ্যৰ খেলুৱৈৰ বিপক্ষে পৰাজিত হোৱা অসমৰ খেলুৱৈসকল হ'ল নমন বৰা, চাণ্ডোগ্য টি পাঠক, জিগ্যাস্মান হাজৰিকা, আয়ান ৰেহমান, অভিৰাজ দত্ত আৰু অয়ন ভূঞা। ১৬ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত অসমৰ নিকিতা কাণ্ডে অসমৰে অৱনিতা দাসক ৬-০, ৬-১, বিষ্ণুপ্ৰিয়া বৰগোহাঁয়ে অসমৰে কোমল কৌৰক ৬-০, ৬-০ নাবিহা মৰিয়মে অসমৰে অংশিতা শুক্লাক ৬-৩, ৬-৪, ৰোছনি ভৰদ্বাজে অসমৰে কৃতিকা কলিতাক ৬-১, ৬-০, নম্ৰতা দাসে পশ্চিমবংগৰ সমৃদ্ধা বসুক ৬-১, ৬-২, আড্ৰিকা ৰাজকুমাৰীয়ে অসমৰে দেৱস্মিতা ৰয়ক ৬-০, ৬-০, অৰ্ণৱি দেৱনাথে অসমৰে নৌদিতা শুক্লাক ৬-০, ৬-১, তানিয়া কুমাৰীয়ে অসমৰে প্ৰাপ্তি বৰুৱাক ৬-০, ৬-০ আৰু সমৃদ্ধি দত্তই অসমৰে চাহত ছেইথিয়াক ৬-৩, ৬-০ ছেটত পৰাজিত কৰে। এই শাখাত অসমৰ শিৱালী গগৈ, উৎপলাক্ষী শইকীয়া আৰু নায়িম হুছেইনো পৰাজিত হয়। উল্লেখ্য যে ১৬ বছৰ অনূৰ্ধ্বৰ প্ৰথম ৰাউণ্ডত পৰাজিত হোৱা মনন নাথে ১৮ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ শাখাত দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। তেওঁ প্ৰথম ৰাউণ্ডৰ খেলত পশ্চিমবংগৰ বেদান্ত আগৰৱালক ৬-১, ৬-২ ছেটত পৰাজিত কৰে। অৱশ্যে উক্ত শাখাত অসমৰ আবিয়ান জাফৰ পৰাজিত হয়। খেলৰ পূৰ্বে অইলৰ মুখ্য কাৰ্যবাহী (আবাসিক) প্ৰশান্ত বৰকাকতিয়ে প্ৰতিযোগিতা উদ্বোধন কৰে। অনুষ্ঠানত সৰ্বভাৰতীয় টেনিছ সন্থাৰ যুটীয়া সচিব তথা অসম টেনিছ সন্থাৰ সভাপতি ৰক্তিম শইকীয়া আৰু অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্ত আদি উপস্থিত থাকে।

## নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল

# ষ্টাৰ স্প'ৰ্টিং-সঞ্জীৱনৰ জয়



**অগ্ৰদূত বাৰ্তা,**

**বেবেজীয়া, ৪ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেল দুখনত ক্ৰমে ষ্টাৰ স্প'ৰ্টিং ক্লাবে নগাঁও ৰাজস্থানী যুৱক সংঘ (এনআৰৱাইএছ)ক ২-০ গ'লত আৰু সঞ্জীৱন সমাজে ৰেডিয়েল ক্লাবক ২-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজি অনুষ্ঠিত প্ৰথম খেলখনত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ গোৱিন্দমণি বৰদলৈ (৩২ মিঃ) আৰু বিশাল ছেত্ৰী (৭৫ মিঃ )য়ে গ'ল দুটা দিয়ে। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী শোণিত কুমাৰ বৰাক সহায় কৰে পবিত্ৰ বৰা, কৃষ্ণকান্ত দাস আৰু অ'হিদুজ জামানে (চতুৰ্থ)। আনখন খেল (দিবা-নৈশ)ত সঞ্জীৱন সমাজৰ হৈ অৰুণ তাঁতী (৩৯, ৪৭ মিঃ)য়ে গ'ল দুটা স্ক'ৰ কৰে। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে কল্যাণ বৰুৱা, শৈলেন ভূঞা আৰু অ'হিদুজ জামানে (চতুৰ্থ)। উল্লেখ্য যে প্ৰথমখন খেলত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ গোবিন্দমণি বৰদলৈ আৰু দ্বিতীয়খনত সঞ্জীৱন সমাজৰ অৰুণ তাঁতীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

## শ্ৰীলংকাৰ বিপক্ষে এদিনীয়া মেচৰ শৃংখলা দখল ভাৰতীয় মহিলাৰ



**নিউজ ব্যুৰ'**

**পালেকেলে, ৪ জুলাই ঃ** শ্ৰীলংকাৰ বিপক্ষে চলিত এদিনীয়া মেচৰ শৃংখলাটোত জয় নিশ্চিত কৰিলে ভাৰতীয় মহিলা ক্ৰিকেট দলে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন দলটোৱে আজিৰ দ্বিতীয়খন মেচত ঘৰুৱা দলক ১০ উইকেটত পৰাজিত কৰে। ইয়াৰ জৰিয়তে তিনিখনীয়া মেচৰ শৃংখলাত ভাৰতে ২-০ৰ অগ্ৰগতি অৰ্জন কৰিলে। আজি জয়ৰ বাবে প্ৰয়োজন হোৱা ১৭৪ ৰাণ ভাৰতৰ অপেনাৰ দ্বয়েই সংগ্ৰহ কৰে। স্মৃতি মন্ধানাই ৮৩টা বলত ৯৪ আৰু শেফালী বাৰ্মাই ৭১টা বলত ৭১ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ ইনিংছ ১৭৩ ৰাণত সমাপ্ত হৈছিল। দলৰ হৈ সৰ্বাধিক ৪৭ ৰাণ কৰি অপৰাজিত হৈ ৰয় আমা কাঞ্চনাই। ইয়াৰ উপৰি নিলাক্ষী দিলহাৰিয়ে ৩২, চামাৰি আথাপাথুৱে ২৭ আৰু অনুষ্কা সঞ্জীৱনীয়ে ২৫ ৰাণ কৰে। ভাৰতৰ হৈ কেৰিয়াৰৰ শ্ৰেষ্ঠ বলিঙেৰে ৰেণুকা সিঙে ২৮ ৰাণৰ বিনিময়ত চাৰিটা উইকেট দখল কৰে। ইয়াৰ উপৰি মেঘনা সিং আৰু দীপ্তি শৰ্মাই দুটাকৈ উইকেট পায়।


# উপৰ্যুপৰি চতুৰ্থ খিতাপৰ দিশে ডক'ভিচ

## উইম্বলডনৰ কোৱাৰ্টাৰত গ'ফিন ঃ অঘটনৰ সন্মুখীন অ'ষ্টাপেংক'

**নিউজ ব্যুৰ'**

**লণ্ডন, ৪ জুলাই ঃ** উইম্বলডনত একেৰাহে চতুৰ্থ খিতাপৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে ন'ভাক ডক'ভিচে। প্ৰতিযোগিতাৰ শীৰ্ষ বাছনিৰ ছাৰ্বিয়ান তাৰকাজনে কালি পুৰুষ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। এই পৰ্যন্ত ছবাৰ উইম্বলডন জয় কৰা ডক'ভিচে কালিৰ চতুৰ্থ ৰাউণ্ডৰ খেলত নেদাৰলেণ্ডৰ টিম ভান ৰিথ'ভেনক ৬-২, ৪-৬, ৬-১, ৬-২ ছেটত পৰাজিত কৰে। উল্লেখ্য যে ছাৰ্বিয়ান তাৰকাজনে ২০১৭ৰ কোৱাৰ্টাৰ ফাইনেলত আঘাতৰ বাবে টমাছ বেৰ্ডিখৰ বিপক্ষে নাম প্ৰত্যাহাৰ কৰিছিল। তাৰ পাছৰে পৰা তেওঁ উইম্বলডনত পৰাজিত হোৱা নাই।

পুৰুষ ছিংগল্‌ছৰ আন এখন খেলত জয়ী হৈ ইটালীৰ জানিক ছিনাৰেও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কালি ছিনাৰে পঞ্চম বাছনিপ্ৰাপ্ত কাৰ্লোছ আলকাৰাজক ৬-১, ৬-৪, ৬-৭ (৬/৮), ৬-৩ ছেটত হৰুৱাই অঘটন ঘটায়। সেইদৰে বেলজিয়ামৰ তাৰকা ডেভিদ গ'ফিনে আমেৰিকাৰ ফ্ৰান্সেছ টিয়াফ'ক তুমুল যুঁজৰ অন্তত ৭-৬ (৬/৩), ৫-৭, ৫-৭, ৬-৪, ৭-৫ ছেটত হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইপিনে, মহিলাৰ ছিংগল্‌ছত অঘটনৰ সন্মুখীন হ'ল প্ৰাক্তন ফ্ৰেন্স অপেন চেম্পিয়ন জেলেনা অ'ষ্টাপেংক'। কালি জাৰ্মানীৰ টাটিয়ানা মাৰিয়াই দুটাকৈ মেচ-পইণ্ট ৰক্ষা কৰি অৱশেষত অ'ষ্টাপেংক'ৰ বিপক্ষে ৫-৭, ৭-৫, ৭-৫ ছেটত বিজয়ী হৈ প্ৰথমবাৰলৈ কোনো গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। জাৰ্মানীৰ আন এগৰাকী খেলুৱৈ জুলী নিয়েমেইৰে স্থানীয় তাৰকা হীথাৰ ৱাটছনক ৬-২, ৬-৪ ছেটত হৰুৱাই অন্তিম আঠত স্থান নিশ্চিত কৰে। সেইদৰে প্ৰথম আফ্ৰিকান মহিলাৰূপে উইম্বলডনৰ খিতাপ জয়ৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে অ'ন্স জেবাউৰে। তেওঁ বেলজিয়ামৰ তাৰকা খেলুৱৈ এলিজে মাৰ্টেন্সক ৭-৬ (১১/৯), ৬-৪ ছেটত পৰাজিত কৰি ক্ৰমাগত দ্বিতীয়বাৰলৈ উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।



## উইম্বলডনৰ কোৱাৰ্টাৰত ছানিয়া মিৰ্জা

**নিউজ ব্যুৰ'**

**লণ্ডন, ৪ জুলাই ঃ** চলিত উইম্বলডনৰ মিক্সড্ ডাবল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিলে ভাৰতীয় তাৰকা ছানিয়া মিৰ্জা আৰু তেওঁৰ সংগী মেট পেভিচে। অৱশ্যে ক'ৰ্টত অৱতীৰ্ণ নোহোৱাকৈয়ে দুয়ো অগ্ৰগতি অৰ্জন কৰে। দ্বিতীয় ৰাউণ্ডত তেওঁলাকৰ বিপক্ষে খেলিবলগীয়া ইভান ড'ডিগ আৰু লাতিছা চানে কালি খেলৰ পূৰ্বেই নাম প্ৰত্যাহাৰ কৰে। উল্লেখ্য যে মহিলাৰ ডাবল্‌ছত ছানিয়া প্ৰথম ৰাউণ্ডতে পৰাজিত হৈছে।



## বিল্যসনন্দন চ'ৰা



# কীৰ্তন সভা

**আগতেও** গেৰুৱা পাৰ্টিৰ মিটিং হৈছিল। বেলেগ বেলেগ পাৰ্টিৰো মিটিং হৈ থাকে। মিটিংবোৰত কিন্তু কোনো ধৰণৰ চিটিং নহয় দেই। যাৰ যি ক'ব লগা আছে, মুকলি মনেৰে কৈ দিব পাৰে। অলপ-অচৰপ গুণ-গান থাকে, তথাপি মূলতঃ বিভিন্ন পলিচীৰ ওপৰত আলোচনা হৈছিল। চৰকাৰে কি কি পলিচী লৈ কাম কৰিলে ভাল হ'ব, কি কি বিষয়ত গুৰুত্ব দিব লাগিব, পাৰ্টিৰ মিটিঙত সেইবোৰ কথা আলোচনা হৈছিল। সেইবোৰ আছিল পুৰণি কথা। কিন্তু আজি-কালি বহু কথাই চেঞ্জ হৈছে। আজি-কালিৰ পাৰ্টিৰ মিটিংবোৰ আগৰ নিচিনা নহয়। আজি-কালিৰ পাৰ্টিৰ মিটিং আৰু কীৰ্তন সভাৰ মাজত একো পাৰ্থক্য নাই। কীৰ্তন সভাত এজন নিৰ্দিষ্ট ভগৱানৰ নামত গুণানুকীৰ্তন কৰা হয়। একেদৰে পাৰ্টিৰ মিটিংবোৰতো এজনৰ গুণানুকীৰ্তন কৰা হয়। সেইজনানো কোন, সেয়া চাগে আপোনালোকে সহজতে অনুমান কৰিব পাৰিছে। এক কথাত ক'বলৈ গ'লে, আজি-কালিৰ পাৰ্টিৰ মিটিংবোৰ এক ধৰণৰ প্ৰতিযোগিতামূলক সভা। প্ৰতিযোগিতা চলে ৰজা-মহাৰজাৰ মাজত, সভাসদসকলৰ মাজত, পাৰ্টি মেনবোৰৰ মাজত। নিজৰ কুৰ্চীখন যাতে হেৰুৱাব লগা নহয়, তাৰ বাবে ৰজা-মহাৰজাসকলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। সভাসদসকলে যাতে প্ৰমোছন পাই কিবা এটা মিনিষ্ট্ৰী পায়, তাৰ বাবে এই প্ৰতিযোগিতাত ভাগ লয়। পাৰ্টি খেলবোৰে ভৱিষ্যতে টিকট পোৱাৰ আশাত প্ৰতিযোগিতাত ভাগ লয়। লক্ষ্য-উদ্দেশ্য বেলেগ বেলেগ। কিন্তু কাম একেটাই—গুণানুকীৰ্তন কৰা।



কোনোবাই কয়, 'আমাৰ বাদশ্বাহৰ ব্যক্তিত্ব আকাশৰ দৰে বিশাল।' লগে লগে আনজনে মাত দিলে— 'কেৱল ব্যক্তিত্বই নহয়, অন্তৰখনো আকাশৰ দৰে বিশাল।'

ঃ বাদশ্বাহ আমাৰ দেছৰ অতন্দ্ৰ প্ৰহৰী।
ঃ আমাৰ বাদশ্বাহ নাম্বাৰ ৱান দেছভক্ত।
ঃ আমাৰ বাদশ্বাহৰ চকু দুটা শেনচকু। অপৰাধ কৰি কোনেও সাৰি যাব নোৱাৰে। দেখা নাই— আটাইৰে পাছত কেনেকৈ ই ডি লগাই দিছে।
ঃ আমাৰ বাদশ্বাহ সত্যবাদী।
ঃ আমাৰ বাদশ্বাহে কেতিয়াও ভুৱা প্ৰতিশ্ৰুতি নিদিয়ে।
ঃ বাদশ্বাহে কৰাপছন বেয়া পায়।
ঃ কৰাপছনৰ বিৰুদ্ধে বাদশ্বাহে যি পদক্ষেপ লৈছে, সেয়া সদায় স্বীকাৰ কৰিব লাগিব।
ঃ ইতিহাসত লিখা থাকিব বিমুদ্ৰাকৰণ।
ঃ আমাৰ বাদশ্বাহে বিপদৰ লগত যুঁজিব জানে!
ঃ বাদশ্বাহক কোনেও হৰুৱাব নোৱাৰে।
ঃ কৰ'না ভাইৰাছেও নোৱাৰিলে।
ঃ অৰ্থনীতিৰ জ্ঞান বাদশ্বাহৰ সমান কাৰোৰে নাই।
ঃ বাদশ্বাহ এজন ডাঙৰ অৰ্থনীতিবিদ।
ঃ তেওঁৰ কাৰণেই আজি ইণ্ডিয়াৰ অৱস্থা শ্ৰীলংকাৰ দৰে হোৱা নাই।
ঃ বাদশ্বাহৰ জামানাত ছুইচ বেংকত আমাৰ জমা থোৱা টকাৰ পৰিমাণ বাঢ়িছে।
ঃ আম্বানীৰ টাৰ্ণ-অ'ভাৰ বাঢ়িছে।
ঃ আদানীৰ টাৰ্ণ অ'ভাৰ বাঢ়িছে।
ঃ ইয়ে প্ৰমাণ কৰে যে বাদশ্বাহে আমাৰ অৰ্থনীতি কিমান সুন্দৰকৈ ৰাখিছে।
ঃ বাদশ্বাহ এজন সঁচা দেছপ্ৰেমী।
ঃ বাদশ্বাহ নিৰ্ভীক।
ঃ বাদশ্বাহে কাকো ভয় নকৰে।
ঃ বাদশ্বাহে যুঁজিবলৈ ভয় নকৰে।
ঃ বাদশ্বাহ মহান।
ঃ বাদশ্বাহ ত্যাগবীৰ।
ঃ বাদশ্বাহ সূৰবীৰ।
ঃ বাদশ্বাহ দানবীৰ।
ঃ বাদশ্বাহ কৰ্মবীৰ।
ঃ বাদশ্বাহ অৰ্থবীৰ!

ইমান সময় মনে মনে এই কীৰ্তনবোৰ শুনি শুনি বাদশ্বাহে বিৰক্ত হৈ আটাহ পাৰি দিলে— '২০২৪ত কি হ'ব কোৱাহে? দৌৰবীৰ হ'ব লাগিব নেকি?'

# মাত্ৰ ১৩ বছৰতে কম্পিউটাৰৰ ১৭টা ভাষা শিকিলে কিশোৰে

**নিউজ ব্যুৰ'**
**কইম্বাট'ৰ, ৪ জুলাই ঃ** বয়স মাত্ৰ ১৩ বছৰ। চকুত শকত ফ্ৰেমৰ চশমা। বাসকৰ পৰা সদ্য কৈশোৰত ভৰি দিছে। এই বয়সতে ইতিমধ্যেই কম্পিউটাৰৰ ১৭টা ভাষা আয়ত্ত কৰিলে কইম্বাট'ৰৰ ১৩ বছৰীয়া অৰ্ণৱ শিৱৰাম নামৰ কিশোৰজনে। কম্পিউটাৰ ভাষা শিকাৰ বাবে সততে দক্ষ প্ৰগ্ৰেমাৰসকলৰো এবছৰ অধিক সময় লাগে। তাৰ তুলনাত ১৩ বছৰ বয়সতে কম্পিউটাৰৰ ইমানবোৰ ভাষা আয়ত্তলৈ আনিবলৈ সক্ষম হোৱা বুলি দাবী কৰিছে সপ্তম শ্ৰেণীৰ ছাত্ৰজনে। এই সকলোবোৰ সম্পূৰ্ণ কৰাৰ বাবে অৰ্ণৱে মাত্ৰ তিনি বছৰ সময় খৰচ কৰিছে।

অৰ্ণৱে চতুৰ্থ শ্ৰেণীত পঢ়াৰ সময়ৰে পৰা কম্পিউটাৰ শিক্ষাও আৰম্ভ হৈছিল। পৰৱৰ্তী তিনিটা বছৰত জাভা, পাইথনৰ সমান্তৰালকৈ



আৰু একাধিক কম্পিউটাৰ ভাষা শিকে। মুঠ ১৭টা ভাষাৰ ভিতৰত ছটা কম্পিউটাৰ ভাষা অৰ্ণৱে শিকিছিল ১১ বছৰ বয়সতে। সম্প্ৰতি এই বিশেষ কৃতিত্বৰ বাবে কিশোৰ ছাত্ৰজনক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰও দিয়া হৈছে। অৰ্ণৱক প্ৰশ্ন কৰা হৈছিল যে তেওঁ নিজৰ এই শিক্ষাক কিদৰে কামত ব্যৱহাৰ কৰিব বিচাৰে? ইয়াৰ উত্তৰত অৰ্ণৱে কয় যে তেওঁৰ ভৱিষ্যৎ পৰিকল্পনাৰ ভিতৰত আছে আৰ্টিফিচিয়েল ইণ্টেলিজেন্স বা কৃত্ৰিম বুদ্ধিমত্তাক কামত লগোৱা। ভাৰতৰ স্বয়ংক্ৰিয় গাড়ী চালনা বিষয়তো তেওঁ কাম কৰিব বিচাৰে। কম বিনিময়ত কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰি কিদৰে এই কাম কৰিব পাৰি, সেই চিন্তা-ভাবনাও এতিয়াৰ পৰাই আৰম্ভ কৰিছে কিশোৰ ছাত্ৰজনে। অৰ্ণৱৰ আশা, নিজৰ কম্পিউটাৰ ভাষাৰ শিক্ষাই তেওঁক এই বিষয়ত ভৱিষ্যতে কাম কৰাত সাহায্য কৰিব।

# কলিয়াবৰৰ ৰাজপথত নিশা ২৩ টাকৈ চোৰাং গৰু-গাড়ীসহ আটক এজন

**ৱিশেষ সম্বাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/কলিয়াবৰ, ৪ জুলাই ঃ** কলিয়াবৰৰ ৰাজপথত নিশা ২৩ টাকৈ চোৰাং গৰু-গাড়ীসহ আটক হয় এজন সৰবৰাহকাৰী। কিছুদিন পূৰ্বে বৃহৎ সংখ্যক চোৰাং গৰু উদ্ধাৰৰ পাছতে পুনৰ যোৱা নিশা কলিয়াবৰত আৰক্ষীয়ে জব্দ কৰে এখন গৰুভৰ্তি বাহন। কলিয়াবৰৰ বাগৰিত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নিশা আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে এ এছ- ২৫ ই ছি-১৩৮৩ নম্বৰৰ এখন চোৰাং গৰুভৰ্তি ট্ৰাক।



উল্লেখ্য যে কলিয়াবৰ আৰক্ষীৰ অভিযানত জব্দ হৈছে উজনিৰ পৰা নামনি অভিমুখী এখনৰ পাছত আনখন গৰুভৰ্তি বাহন। যোৱা নিশাও পুনৰ আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয় গৰুভৰ্তি ট্ৰাকখন। গোলাঘাটৰ পৰা নগাঁও অভিমুখী আছিল গৰুভৰ্তি ট্ৰাকখন। আৰক্ষীয়ে জব্দকৃত ট্ৰাকখনৰ পৰা উদ্ধাৰ কৰে ২৩ টাকৈ গৰু। লগতে আৰক্ষীয়ে আটক কৰে এজন সৰবৰাহকাৰীকো। উল্লেখ যে কলিয়াবৰ মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত কলিয়াবৰত ধাৰাবাহিকভাৱে জব্দ কৰিবলৈ সক্ষম হৈছে ইখনৰ পাছত সিখন চোৰাং গৰুভৰ্তি বাহন। অবৈধ গো-ধন সৰবৰাহৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰাৰ পাছতো ৰাজ্যত অব্যাহত আছে গৰুৰ অবৈধ সৰবৰাহ। আৰক্ষীৰ চকুত ধূলি দি একাংশই চলাই গৈছে গৰুৰ চোৰাং বেহা। ইয়াৰ মাজতে কলিয়াবৰত সঘন চোৰাং গৰু উদ্ধাৰৰ ঘটনাই গৰুৰ চোৰাং বজাৰখন ৰমৰমীয়াকৈ চলি থকাৰ কথাই প্ৰতিপন্ন কৰিছে।

**কইনাৰ সাজত বিবাহমণ্ডপত উপস্থিত হিংস্ৰ সৰীসৃপ**

# কুম্ভীৰক বিয়া কৰালে মেক্সিকোৰ এজন মেয়ৰে



**নিউজ ব্যুৰ'**
**মেক্সিকো চিটী, ৪ জুলাই ঃ** হিংস্ৰ প্ৰাণীৰ ভিতৰত অন্যতম কুম্ভীৰৰ কাষ চাপিবলৈ সততে মানুহে ইচ্ছা নকৰে। তেনে এক কুম্ভীৰকেই সম্প্ৰতি বিয়া কৰাই জীৱন সংগীৰূপে গ্ৰহণ কৰিলে মেক্সিকোৰ এজন মেয়ৰে। প্ৰায় সাত বছৰীয়া এজনী মাইকী কুম্ভীৰক বিয়া কৰালে ভিক্টৰ হুগো ছ'ছা নামৰ মেয়ৰজনে।

ছ'ছা হৈছে মেক্সিকোৰ ওৱাক্সাকা গাঁৱৰ মেয়ৰ। যোৱা বৃহস্পতিবাৰে তেওঁ ঘঁৰিয়াল প্ৰজাতিৰ এই সৰীসৃপক বিবাহ কৰায়। সম্পূৰ্ণ কইনাৰ সাজত কুম্ভীৰক এটা গিৰ্জাত উপস্থিত কৰোৱা হৈছিল। উক্ত গিৰ্জাতে ছ'ছাই বিবাহপৰ্ব সম্পন্ন কৰে। প্ৰায় সকলো গাঁওবাসী উক্ত বিয়াত উপস্থিত থাকে। বিয়া সম্পন্ন হোৱাৰ পাছত ৰীতি অনুসৰি ছ'ছাই আনকি 'নৱপৰিণীতা পত্নী'ৰ মুখত চুম্বনো যাঁচে। অৱশ্যে সেই সময়ত কুম্ভীৰৰ মুখখন বান্ধি থোৱা আছিল।

উল্লেখ্য যে গাঁওখনত এক অদ্ভুত বিশ্বাস প্ৰচলিত হৈ আহিছে। সেই গাঁৱৰ মানুহে কোনো প্ৰাণীক বিয়া কৰালে হেনো প্ৰকৃতি মাতৃ সন্তুষ্ট হয়। ওৱাক্সাকা গাঁৱত প্ৰধানকৈ মৎস্যজীৱী লোকেই বাস কৰে। মাছ ধৰি আৰু সেইবোৰ বিক্ৰী কৰিয়েই তেওঁলোকে পৰিয়াল পোহপাল দিয়ে। মেয়ৰ ছ'ছাই জনায় যে বিগত কে'বা শতিকা ধৰি এই প্ৰথা গাঁওখনত চলি আহিছে। প্ৰকৃতি মাতৃক সন্তুষ্ট কৰাৰ বাবেই এই প্ৰথা। যাতে মৎস্যজীৱীসকলে আৰু ভাল মাছ ধৰিব পাৰে, তেওঁলোকৰ সংসাৰ চলাব পাৰে। মেয়ৰে লগতে বিশ্বাস কৰে যে তেওঁ বিয়া কৰোৱা সেই কুম্ভীৰেই হেনো প্ৰকৃতি মাতৃৰ দূত। এই কুম্ভীৰক বিয়া কৰোৱাৰ অৰ্থ হৈছে মানুহৰ স'তে ঈশ্বৰৰ সংযোগ স্থাপন কৰা।

# চতিয়াৰ পঞ্চমুখী হনুমান মন্দিৰত চোৰৰ তাণ্ডৱ

**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ৪ জুলাই ঃ** বিশ্বনাথ জিলাৰ অন্তৰ্গত মন্দিৰ আৰু নামঘৰসমূহত বিগত সময়ছোৱাত সঘনাই চুৰি কাৰ্য সংঘটিত হৈ আহিছে। কালি নিশা বিশ্বনাথ জিলাৰ অন্তৰ্গত চতিয়া অঞ্চলৰ ঘিলাধাৰী দলঙৰ সমীপত অৱস্থিত পঞ্চমুখী হনুমান মন্দিৰত এটা চোৰৰ দলে লুটপাট চলোৱাৰ সময়তে ৰাইজে চোৰৰ দলটোৰ এজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ৰাইজে আটক কৰা চোৰটো নগাঁও জিলাৰ আব্দুল আজিদ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ মতে, কালি নিশা আব্দুল আজিদ আৰু লগৰীয়া দুই চোৰে গেৰুৱা বস্ত্ৰ আৰু ৰুদ্ৰাক্ষৰ মালা পৰিধান কৰি চুৰি কৰাৰ উদ্দেশ্যৰে মন্দিৰটোত প্ৰৱেশ কৰে চোৰৰ দলটোৱে। মন্দিৰৰ পূজাৰী গৰাকীক মন্দিৰৰ সমীপৰ কোঠাত বাহিৰৰ পৰা আৱদ্ধ কৰি ৰাখি মন্দিৰৰ ভিতৰত থকা সোণৰ বিগ্ৰহকে আৰম্ভ কৰি ভক্তই আগবঢ়োৱা দক্ষিণা আৰু আন কিছুমান মূল্যবান সম্পদ বান্ধি-কুন্ধি নিবলৈ উদ্যত হওঁতেই কোঠাৰ ভিতৰত আবদ্ধ হৈ থকা পূজাৰীয়ে ফোনযোগে চুবুৰীয়া কে'বাজনো লোকক এই বিষয়ে অৱগত কৰে। লগে লগে লোককেইজন মন্দিৰটোত উপস্থিত হোৱাত চোৰৰ দলটো সামগ্ৰীসহ পলায়ন কৰে। ব্যক্তিকেইজনৰ তৎপৰতাৰে অভিযান চলায় চোৰৰ দলটোৰ ভিতৰৰ গেৰুৱা বস্ত্ৰ আৰু ৰুদ্ৰাক্ষ মালা পৰিহিত আব্দুল আজিদক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আনকেইজন গেৰুৱা বস্ত্ৰধাৰী চোৰ পলায়ন কৰিবলৈ সক্ষম হয়। স্থানীয় লোককেইজনে আজিদক চতিয়া আৰক্ষীৰ হাতত চমজাই দিয়ে।

**প্ৰত্যক্ষ কৰিব শুৱালকুছিৰ তাঁতশাল ঃ মত বিনিময় কৰিব শিপিনীৰ স'তে**

# আজি বস্ত্ৰনগৰী শুৱালকুছিলৈ ছিংগাপুৰৰ জ্যেষ্ঠ মন্ত্ৰী থাৰমান শনমুগাৰত্নম

**অগ্ৰদূতবাৰ্তা**
**শুৱালকুছি, ৪ জুলাই ঃ** বিশ্ব বিশ্ৰুত আপুৰুগীয়া মুগা পাট বস্ত্ৰশিল্প প্ৰত্যক্ষ কৰাৰ বাবে কাইলৈ সুদূৰ ছিংগাপুৰৰ জ্যেষ্ঠ মন্ত্ৰী থাৰমান শনমুগাৰত্নম বস্ত্ৰনগৰী শুৱালকুছিত উপস্থিত হ'ব । লগতে ছিংগাপুৰ উচ্চায়ুক্তৰ প্ৰতিনিধিসকলেও সংগ দিব। দিনৰ ১০ বজাত সৰ্বোচ্চ নিৰাপত্তা বেষ্টনীৰ মাজেৰে আহিব লগা জ্যেষ্ঠ মন্ত্ৰীগৰাকীয়ে ৰেচম গাঁওখনত উপস্থিত হৈ 'ছাঁতে শুকুৱা-মুঠিতে লুকুৱা' মুগা-পাট বস্ত্ৰশিল্প পৰিদৰ্শন কৰাৰ উপৰি শিল্পটোৰ শিপিনীসকলৰ স'তেও মত বিনিময় কৰিব । অসম চৰকাৰৰ ৰেচম বিভাগৰ সৌজন্যত মন্ত্ৰীগৰাকীৰ আগমনক লৈ ইতিমধ্যে কামৰূপ জিলা প্ৰশাসন তথা হাজো ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ পৰা শুৱালকুছিৰ তাঁতশালৰ ফেক্টৰী নিৰ্বাচন কৰিছে। সেই অনুসৰি ২০০৬ৰ ১৭ অক্টোবৰত ভাৰতবৰ্ষৰ তদানীন্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামে প্ৰত্যক্ষ কৰি যোৱা নাক্তাদল অঞ্চলৰ উক্ত চহকী তাঁতশাল ফেক্টৰীটোৱে সাজু কৰি ৰাখিছে। জ্যেষ্ঠ মন্ত্ৰীগৰাকীয়ে তাঁতশাল প্ৰত্যক্ষ কৰি বজাৰ অঞ্চলৰ দুই-এখন মুগা-পাট কাপোৰৰ দোকানতো বস্ত্ৰ পৰিদৰ্শন কৰিব। তাৰপাছতে শুৱালকুছি উন্নয়ন খণ্ডৰ সমীপৰ মুগা গোপাচাৰ কেন্দ্ৰও প্ৰত্যক্ষ কৰাৰ কথা। বহিঃৰাষ্ট্ৰৰ জ্যেষ্ঠ মন্ত্ৰীগৰাকীৰ লগত অসমৰ মুখ্যমন্ত্ৰী তথা বিধায়ক ড° হিমন্ত বিশ্ব শৰ্মাৰ উপৰি একাধিক মন্ত্ৰী উপস্থিত থকাৰ কথা ।

# বানে ধোৱা দতৰা-দেহাৰকুছিত পশুধনৰ মাজত বিনামূলীয়া চিকিৎসা শিবিৰ



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৪ জুলাই ঃ** নলবাৰী জিলা পশুপালন বিভাগৰ উদ্যোগত আৰু অগপৰ ভ্ৰাতৃ সংগঠন অসম যুৱ পৰিষদ, নলবাৰীৰ সহযোগত সদ্য বানে ধোৱা দতৰা আৰু দেহাৰকুছি পঞ্চায়তক সামৰি চতমা নুৰনৱী পুথিভঁৰাল সংঘৰ প্ৰাংগণত আজি এটি বিনামূলীয়া পশু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। শিবিৰত পঞ্চায়ত দুখনৰ প্ৰায় তিনিশ গৰু-ছাগলী-ম'হ আৰু দুশ হাঁহ-কুকুৰাক চিকিৎসা আগবঢ়োৱাৰ লগতে বিনামূলীয়া বিভিন্ন ঔষধ বিতৰণ কৰা হয়। শিবিৰটো উদ্বোধন কৰে অসম যুৱ পৰিষদৰ সাধাৰণ সম্পাদক জাহিৰ চৌধুৰীয়ে। অনুষ্ঠানত উপস্থিত থাকে যুৱ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি শচীন্দ্ৰ শৰ্মা, কেন্দ্ৰীয় সদস্য ভূপেন দাস, অগপৰ ঘগ্ৰাপাৰ মণ্ডলৰ সম্পাদক সঞ্জয় দাস, দেহাৰকুছি আঞ্চলিক সমিতিৰ সম্পাদক গৌতম শৰ্মা, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সম্পাদক ডিম্বেশ্বৰ হালৈ আদিয়ে। শিবিৰটোত চিকিৎসা প্ৰদান কৰে ডাঃ অম্বিকা ডেকা আৰু ডাঃ প্ৰতুল তালুকদাৰে। লগতে ৫৩ (৭) নম্বৰ সানেকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰবুকীয়া গাঁৱতো অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত আন এটি পশু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। শিবিৰত ডাঃ নিৰঞ্জন কলিতা আৰু ডাঃ সুশীল তালুকদাৰকে ধৰি ১৭জন চিকিৎসকে পাঁচশৰো অধিক পশুধনক চিকিৎসা প্ৰদান কৰাৰ উপৰি ঔষধ বিতৰণ কৰে।

# মিষ্টাৰ, মিছ টিন- কিড্‌ছ বড়োলেণ্ড প্ৰতিযোগিতা

## ছটা শাখাত মুঠ ১৮ প্ৰতিযোগী বিজয়ী



**অগ্ৰদূত বাৰ্ত**
**কোকৰাঝাৰ, ৪ জুলাই ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত মিষ্টাৰ, মিছ টিন আৰু কিড্‌ছ বড়োলেণ্ড ২০২২ (ছিজন ২)ৰ প্ৰতিযোগিতা আজি সম্পন্ন হয়। সুদৰ্শন ইণ্টাৰটেনমেণ্টৰ উদ্যোগত কোকৰাঝাৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰতিযোগিতাত বিটিআৰৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ডেৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। আয়োজক সমিতি তথা সুদৰ্শন ইন্টাৰটেনমেন্টৰ সঞ্চালক ক্ৰমে জাইকলং বসুমতাৰী আৰু প্ৰাণজ্যোতি আদিত্যই সদৰী কৰা মতে মিছ বড়োলেণ্ড, মিষ্টাৰ বড়োলেণ্ড, মিছ টিন, মিষ্টাৰ টেন, মিছ কিড্‌ছ আৰু মিষ্টাৰ কিড্‌ছ এই ছটা শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰে মিছ বড়োলেণ্ডৰ দীপ্তি বসুমতাৰীয়ে আৰু মিষ্টাৰ বড়োলেণ্ডৰ চুড়ান্ত খিতাপ মাইকেল বসুমতাৰীয়ে দখল কৰিবলৈ সক্ষম হয়। আনহাতে, প্ৰগতি দেৱী আৰু ৰিজি ব্ৰহ্মই মিছ বড়োলেণ্ড প্ৰতিযোগিতাৰ ক্ৰমে প্ৰথম আৰু দ্বিতীয় ৰাৰ্ণাচআপৰ সন্মান পাবলৈ সক্ষম হৈছে । একেদৰে ৰাহুলদেৱ বড়ো আৰু প্ৰণয় ওৱাৰীয়ে ক্ৰমে মিষ্টাৰ বড়োলেণ্ডৰ প্ৰথম আৰু দ্বিতীয় স্থান দখল কৰিছে। ইফালে, প্ৰতিযোগিতাৰ মিছ টিন বড়োলেণ্ড শাখাত প্ৰিয়া বশিষ্ঠ প্ৰথম, মাইছা ফাহমিদা দ্বিতীয় আৰু গুলপৰীয়ে তৃতীয় স্থান দখল কৰিছে। মিষ্টাৰ টিন বড়োলেণ্ড প্ৰতিযোগিতাত দিকী নাৰ্জাৰী প্ৰথম, খীৰীম নাৰ্জাৰী দ্বিতীয় আৰু খনছাই ব্ৰহ্মই তৃতীয় স্থান দখল কৰিছে। ইফালে, মিছ কিড্‌ছ বড়োলেণ্ড প্ৰতিযোগিতাত ছমায়া ছেত্ৰী প্ৰথম, জুতিকা ব্ৰহ্ম দ্বিতীয় আৰু দিপীকা দৈমাৰীয়ে তৃতীয় স্থান দখল কৰিছে। আনহাতে, মিষ্টাৰ কিডছ বড়োলেণ্ড প্ৰতিযোগিতাত কাওটুক বড়ো প্ৰথম, ৰিদ্ধিমান দাস (বাহু) দ্বিতীয় আদৰ্শ ছেত্ৰী তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে সুন্দৰী প্ৰতিযোগিতাৰ স'তে সংগতি ৰাখি কোকৰাঝাৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহতে বড়োলেণ্ড ফেশ্বন শ্ব'ৰো আয়োজন কৰা হয়।

# সোণাৰিৰ ৰতনপুৰ চাহ বাগিচাত উত্তেজনা

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ৪ জুলাই ঃ** সোণাৰি নগৰৰ পাৰ্শ্বৱৰ্তী ৰতনপুৰ চাহ বাগিচাৰ নলাত পৰি গেন্ধাৰু প্ৰজা (৪০) নামৰ শ্ৰমিকজনৰ মৃত্যুৰ ঘটনাক লৈ আজি বাগিচাখনত এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে বিয়লি ভাগত সৃষ্টি হোৱা এই পৰিস্থিতি সোণাৰি আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ৰতনপুৰ চাহ বাগিচাৰ এক নম্বৰ খণ্ডত 'ভজোৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ সমীপত' বাগিচাৰ সীমাত কিছুদিন পূৰ্বে পানী ওলাই যোৱাৰ বাবে বৃহৎ নলা খান্দিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে কালি সন্ধিয়া সেই নলাত পৰি মৃত্যু হয় বাগিচাখনৰ শ্ৰমিক গেন্ধাৰু প্ৰজা। আজি বাগিচাখনৰ নলাত গেন্ধাৰু প্ৰজাৰ মৃতদেহ উদ্ধাৰ হয় আৰু ইয়াৰ পাছতেই শ্ৰমিকৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়।

# পাঁচ বছৰে সম্পূৰ্ণ নহ'ল মাদালবাৰীৰ পকী দলং

**এখন দলঙৰ বাবে জীয়াতু ভুগিছে ৰাইজ**



**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ৪ জুলাই ঃ** বিটিআৰৰ শুক্লাই ছেৰফাং তথা ৰঙিয়া বিধানসভা সমষ্টিৰ মাদালবাৰীবাসীয়ে দীৰ্ঘদিন ধৰি জীয়াতু ভুগিব লগা হৈছে। গোৰেশ্বৰ ৰাজহ চক্ৰৰ মাদালবাৰীত নিৰ্মীয়মাণ পকী দলং দীৰ্ঘদিন ধৰি সম্পূৰ্ণ নোহোৱাত প্ৰতিবাদ মুখৰ হৈ পৰিছে ৰাইজ। বিগত পাঁচ বছৰে এখন পকী দলং সম্পূৰ্ণ কৰিব নোৱাৰাত কালি প্ৰতিবাদী সভা অনুষ্ঠিত কৰি তীব্ৰ ক্ষোভ উজাৰিছে মাদালবাৰীবাসী ৰাইজে। বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ সমষ্টিত প্ৰতিবাদী সভা ৰাইজৰ। গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গান্ধীচ'ক-চেনীগাঁও গড়কাপ্তানী পথৰ ওপৰত থকা শুক্লাই নৈৰ দলং সম্পূৰ্ণ নোহোৱাত যাতায়াতৰ তীব্ৰ সমস্যাৰ সন্মুখীন হৈছে মাদালবাৰী, চেনীগাঁও, বেটাগাঁও, বড়িগাঁও, নিজকচুলা, খৈৰাবাৰী, নাটকুছি আদিৰ কে'বা সহস্ৰাধিক ৰাইজে। ৰাইজৰ অভিযোগ মতে উক্ত স্থানতে ২০১৮ৰ পাঁচ জুলাইৰ পৰা নিৰ্মাণ কাৰ্য চলি আছিল এখন পকী দলঙৰ। কিন্তু অভিযোগ মতে, সত্যৰঞ্জন হালৈ নামৰ ঠিকাদাৰজনে অতি লেহেম গতিৰে কাম-কাজ চলাই থকাৰ বাবে আজিকোপতি সম্পূৰ্ণ নহ'ল দলংখনৰ নিৰ্মাণ কাৰ্য। অৱশ্যে নিৰ্মাণ কাৰ্যৰ ক্ষেত্ৰত কাৰিকৰী বিসংগতিৰ বাবেও কাম লেহেম হোৱা বুলি বিভাগীয় অভিযন্তাই ইয়াৰ পূৰ্বে জানিব দিছিল। আনহাতে, বিজেপিৰ সভাপতি ভৱেশ কলিতাই ঠিকাদাৰে নিৰ্দিষ্ট সময়ত পকী দলঙৰ কাষতে থকা কাঠৰ দলংখন শীঘ্ৰেই নিৰ্মাণ কৰি নিদিলে ঠিকাদাৰে জেললৈ যাব লাগিব বুলি হুংকাৰ দিছিল, তাৰ পাছতো কিন্তু গা লৰা নাই ঠিকাদাৰৰ। আজিৰ প্ৰতিবাদী ৰাইজে ঠিকাদাৰ সত্যৰঞ্জন হালৈ মুৰ্দাবাদ, আমাক দলং লাগিবই; বিভাগীয় কৰ্তৃপক্ষ হুচিয়াৰ আদি শ্ল'গানেৰে উত্তাল কৰি তোলে।

# অসম-বংগ সীমান্তৰ শ শ বিঘা মৰাপাটৰ খেতি বালিৰ তলত



**অগ্ৰদূত বাৰ্তা**
**তামাৰহাট, ৪ জুলাই ঃ** ধুবুৰী জিলাৰ আগমনী ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-বংগ সীমান্তৰ কে'বাখনো গাঁৱৰ শ শ বিঘাকৃষি ভূমি আৰু মৰাপাটৰ খেতিপথাৰ বালিয়ে পুতি পেলোৱাত গাঁওকেইখনৰ খেতিয়কসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বানপানীত অসম-বংগ সীমান্তৰে বৈ যোৱা গংগাধৰ নৈৰ বাঢ়নী পানীয়ে কঢ়িয়াই অনা বৃহৎ পৰিমাণৰ বালি আৰু বোকা মাটিয়ে আগমনী ৰাজহ চক্ৰৰ অন্তৰ্গত ঘৃতিংগাৰকুটী, কালাচানপাৰা, শগুনচৰা, গাৰোপাৰা, বাঘডোকৰা আদি গাঁৱৰ শ শ বিঘা মৰাপাট খেতিৰ লগতে বিস্তীৰ্ণ খেতিপথাৰ পুতি পেলাইছে। ফলত মূৰে-কপালে হাত দিব লগা হৈছে উক্ত গাঁওকেইখনৰ দৰিদ্ৰ কৃষক। নিজৰ গাঁঠিৰ ধন খৰচ কৰি কপালৰ ঘাম মাটিত পেলাই মৰাপাটৰ খেতি কৰা কৃষকসকল এইবেলি বৃহৎ লোকচানৰ সন্মুখীন হোৱাৰ লগতে বালিয়ে পুতি পেলোৱা খেতিপথাৰসমূহত আগত শালি খেতিৰ বতৰত শালি ধানৰ খেতি কেনেকৈ কৰিব তাকে লৈ মূৰে- কপালে হাত দিব লগা হৈছে গাঁওকেইখনৰ কৃষকসকল। ইয়াৰ উপৰি উক্ত বানপানীত শালি ধানৰ কঠীয়াসমূহো নষ্ট হৈ যোৱাত আন এক সমস্যাৰ সন্মুখীন হৈ পৰিছে কৃষকসকল। উক্ত ঘটনাৰ খবৰ লাভ কৰাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষ তথা জনপ্ৰতিনিধি আহি এইসকল কৃষকৰ খবৰ লোৱা নাই। শ শ বিঘা মৰাপাটৰ খেতি এনেদৰে বালিয়ে পুতি পেলোৱাত সৰ্বহাৰা হোৱা কৃষকসকলে অতি সোনকালে ক্ষতিপূৰণ দিয়াৰ লগতে বালিয়ে পুতি পেলোৱা বিস্তীৰ্ণ খেতিপথাৰৰ পৰা বালিসমূহ আঁতৰাই দিয়াৰ বাবে চৰকাৰক অনুৰোধ জনাইছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com